www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰেম হৈছে এনে এক জীৱনপুষ্প যি প্ৰস্ফুটিত হয় অভাৱনীয়, অপৰিকল্পিতভাৱে, কোনোৱে নজনাকৈয়ে, প্ৰকৃতিৰ সকলো নিয়ম উলংঘা কৰি। — ডি এইছ লৰেঞ্চ

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ সপ্তম বছৰ ❐ সংখ্যা - ৮ ❐ শনিবাৰ ❐ ১০ জানুৱাৰী, ২০২৬ চন ❐ ২৫ পুহ, ১৯৪৭ শক ❐ VOL - 7 ❐ NO.- 8 ❐ Saturday ❐ 10th January, 2026 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

জুবিনৰ মৃত্যুৰ বাবে তথ্য ৰাজহুৱা কৰাত বিলম্ব হ'ল বুলি মন্তব্য মুখ্যমন্ত্ৰীৰ

## জানুৱাৰী মাহতেই ৰাজহুৱা হ'ব কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্য

❐ কংগ্ৰেছৰ নিৰ্বাচন অবৈধ বাংলাদেশীৰ ভোটৰ ওপৰত নিৰ্ভৰশীল বুলি তীব্ৰ অভিযোগ ❐

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া কেবিনেট বৈঠকৰ পিছত অনুষ্ঠিত সংবাদমেলত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ বিষয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ ঘোষণা কৰে যে, » ২ পৃষ্ঠাত



## কংগ্ৰেছৰ দ্বিমুখী নীতি! অসমত বিজেপিক ঋণৰ বাবে অপবাদ কৰ্ণাটকত ৯৩,০০০ কোটি টকাৰ ৰেকৰ্ড ঋণৰ পৰিকল্পনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছ দলৰ বিৰুদ্ধে তীব্ৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বই অসমত » ৬ পৃষ্ঠাত

❐ জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ ন্যায়িক প্ৰক্ৰিয়াত সহায়ৰ বাবে বিশেষ আইনজ্ঞৰ দল গঠন ❐

# জুবিন গাৰ্গ ন্যাসলৈ ৫ কোটি টকাৰ আৰ্থিক সহায়

## পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত নিৰ্বাচনী ৰণশিঙা দিলীপ শইকীয়াৰ

জিলাখনৰ কাৰ্যকৰ্তাৰ সৈতে সন্মিলনত অংশগ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লৈ ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) নিৰ্বাচনী কুচকাৱাজ সমগ্ৰ অসমতে তীব্ৰতৰ হৈ পৰিছে। » ৬ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত কেইবাটাও ডাঙৰ প্ৰকল্পৰ আধাৰশিলা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শুকুৰবাৰে নিশা দিছপুৰস্থিত লোকসেৱা ভৱনত অনুষ্ঠিত এই বৈঠকৰ পিছত মুখ্যমন্ত্ৰীয়ে সংবাদমেল যোগে সিদ্ধান্তসমূহ ৰাইজৰ সন্মুখত উন্মোচন কৰে। জুবিন গাৰ্গ হত্যাকাণ্ডৰ ন্যায়িক প্ৰক্ৰিয়াক শক্তিশালী কৰাৰ বাবে কেবিনেটে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, "জুবিন গাৰ্গৰ হত্যাৰ ন্যায়িক প্ৰক্ৰিয়াত চৰকাৰৰ পক্ষ যুক্তিসহকাৰে আদালতত উপস্থাপন কৰিবলৈ এটা বিশেষ পাব্লিক প্ৰচিকিউটৰৰ দল গঠন কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা » ৬ পৃষ্ঠাত

## খামেইনিৰ শাসনৰ বিৰুদ্ধে ইৰাণৰ ৰাজপথত লাখ লাখৰ প্ৰতিবাদ

ইণ্টাৰনেট বন্ধ, ট্ৰাম্পৰ সতৰ্কবাণী

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** ইৰাণত মুদ্ৰাস্ফীতি আৰু গভীৰ অৰ্থনৈতিক সংকটৰ বিৰুদ্ধে চলি থকা ব্যাপক প্ৰতিবাদসমূহ » ২ পৃষ্ঠাত

## বিৰোধীক 'নাটকীয়' বুলি কটাক্ষ সাংসদ ৰঞ্জিত দত্তৰ

বিহালীত স্থানীয় ভূমি পুত্ৰক প্ৰাৰ্থী কৰাৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা জ্যেষ্ঠ বিজেপি নেতা ৰঞ্জিত দত্তই আজি বিহালীত » ৬ পৃষ্ঠাত

১ ফেব্ৰুৱাৰীত দাখিল হ'ব ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট

## ২৮ জানুৱাৰীৰ পৰা ২ এপ্ৰিললৈ সংসদৰ বাজেট অধিৱেশন





**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬-২৭ বিত্তীয় বছৰৰ কেন্দ্ৰীয় বাজেট ১ ফেব্ৰুৱাৰী দেওবাৰে দাখিল কৰা হ'ব। পৰম্পৰাগতভাৱে বাজেট সাধাৰণতে বুধবাৰে দাখিল কৰা হয় যদিও এইবাৰ দেওবাৰে দাখিলৰ সিদ্ধান্ত লোৱা হৈছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ইতিমধ্যে এই বাজেট অধিৱেশনৰ বাবে অনুমোদন » ২ পৃষ্ঠাত

ৰাজ্যৰ আঞ্চলিকতাবাদী ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা

## মহামিলন ঘটিল অসম জাতীয় পৰিষদ আৰু জাতীয় দল, অসমৰ

**অসম বাৰ্তা, দিছপুৰৰ, ৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ ৰাজনৈতিক পৰিৱেশত এক নতুন অধ্যায়ৰ সূচনা হৈছে। আজি শুকুৰবাৰে » ৬ পৃষ্ঠাত

স্থিতি, দৃষ্টি, লক্ষ্যৰ পৰা আমি কেতিয়াও ইফাল-সিফাল নহওঁ ঃ লুৰীণজ্যোতি গগৈ



## বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে দিছপুৰ থানাত এজাহাৰ দাখিল বিৰোধী ঐক্যমঞ্চৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ বিশেষ সংশোধন (Special Revision) প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি ৰাজ্যিক ৰাজনীতিত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। এই পৰিপ্ৰেক্ষিতত বিৰোধী দলসমূহৰ ঐক্যমঞ্চই আজি দিছপুৰ আৰক্ষী থানাত অসম বিজেপিৰ ৰাজ্যিক সভাপতি তথা » ৬ পৃষ্ঠাত

❐ ৰাছিয়াৰ তেল ক্ৰয় কৰি থকাৰ অজুহাতত ভাৰতৰ ওপৰত ৫০০ শতাংশ অধিক শুল্ক আৰোপ কৰিব আমেৰিকাই ❐

## চূড়ান্ত হৈয়ো সম্পন্ন নহ'ল ভাৰত-আমেৰিকা বাণিজ্য চুক্তি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰা দেশসমূহৰ ওপৰত ৫০০ শতাংশ পৰ্যন্ত অতিৰিক্ত শুল্ক আৰোপ কৰাৰ লক্ষ্যৰে আমেৰিকাত প্ৰস্তাৱিত এখন বিধেয়কৰ পৰিস্থিতি ভাৰতে তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি আছে। ভাৰত আৰু চীনৰ দৰে ৰাছিয়াৰ পৰা বৃহৎ পৰিমাণত » ৬ পৃষ্ঠাত

বিৰোধীৰ অভিযোগক বিভ্ৰান্তিকৰ বুলি খণ্ডন, নিকা তালিকাৰ বাবে বিএলএৰ ভূমিকা নিয়মীয়া প্ৰক্ৰিয়া

## ভোটাৰ তালিকা এতিয়াও প্ৰকাশ হোৱা নাই, ভোট চুৰিৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে চলি থকা ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি উত্থাপিত » ২ পৃষ্ঠাত

বিজেপিৰ ৰাজ্যিক সভাপতিৰ ভিডিঅ' কনফাৰেন্সৰ মন্তব্যক কেন্দ্ৰ কৰি ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ অভিযোগ

## ৰাইজৰ দলৰ মুখ্য নিৰ্বাচনী আয়ুক্ত, অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ স্মাৰকপত্ৰ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে চলি থকা ভোটাৰ » ৬ পৃষ্ঠাত

অসমীয়াৰ সংখ্যা কমি যাব বুলি উদ্বিগ্ন মুখ্যমন্ত্ৰী

## কম বয়সত বিয়া পাতি দুই-তিনিটা সন্তান জন্ম দিয়াৰ আহ্বান মুখ্যমন্ত্ৰীৰ

"বিয়া পাতিছ' যেতিয়া কমচে কম এটাতো সন্তান জন্ম দিয়ক"

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসমৰ জনগাঁথনিৰ ভাৰসাম্যহীনতা আৰু অসমীয়া জনগোষ্ঠীৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পোৱাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে » ৬ পৃষ্ঠাত

ভাৰতক 'গ্ল'বেল টেক্সটাইল হাব' হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য

## সোণাপুৰত দেশৰ বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ সোণাপুৰত অনুষ্ঠিত » ৬ পৃষ্ঠাত

■ আজিৰে পৰা আৰম্ভ হৈছে বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক অধিৱেশন ■

## ব্যস্ততামুখৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাংখ্ৰী ফৌথাৰ





তিনিদিনীয়া কাৰ্যসূচী সুকলমে সম্পন্ন কৰিবলৈ চিৰাং জিলা প্ৰশাসনৰ সহযোগিতা

**অসমবাৰ্তা, বিজনী, ৯ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ বড়োলাউগাঁও থেংফাখ্ৰী পথাৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য » ৬ পৃষ্ঠাত



অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী মুখ্য অতিথি

# মঙলদৈৰ সাহিত্য নগৰ সাহিত্য সভাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা বিশেষ, মঙলদৈ, ৯ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত দৰং জিলা সাহিত্য সভাৰ অন্তৰ্গত প্ৰথমটো শতদল শাখা হিচাপে পৰিগণিত মঙলদৈৰ ২ নং ৱাৰ্ডস্থিত সাহিত্য নগৰ সাহিত্য সভাই সগৌৰৱে সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিছে। সেয়েহে ৰাইজৰ সহযোগত শাখাটিয়ে অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মঙলদৈৰ দুই নং ৱাৰ্ডৰ শান্তিপুৰ সংঘৰ বাকৰিত সোণালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি ১৭ জানুৱাৰীৰ পুৱা পৰিৱেশ নিকাকৰণৰ পাছত ৮-৫৫ বজাত পতাকা উত্তোলন কৰিব সাহিত্য নগৰ সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি মিছ্বাহুল হুদাই। ইয়াৰ পিছতেই উদযাপন সমিতিৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ডেকাৰ লগতে ৪৮ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হ'ব ৪৮খন পতাকা। ৯-১৫ বজাত স্মৃতি তৰ্পণ অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকিব অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস। ইয়াৰ উপৰিও তৰ্পক হিচাপে অংশগ্ৰহণ কৰিব শান্তিপুৰ সংঘৰ সভাপতি ধনঞ্জয় দাস, শান্তিপুৰ সংঘৰ যুটীয়া সম্পাদক গোবিন্দ বাগলাৰী আৰু শৰৎ শৰ্মাই। ৯-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচীত বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত কুমাৰ তামোলীয়ে। আনহাতে মাল্যাৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক কেশৱ চন্দ্ৰ নাথ, শান্তিপুৰ সংঘৰ প্ৰাক্তন সভাপতি প্ৰমোদ শইকীয়া, সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ফজলুল কৰিমৰ কন্যা ফাৰনাজ নাৰ্গিজ কৰিম, সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত ইমৰান আলি দৰঙীৰ সহধৰ্মিণী লাইলী বেগম, সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত ফুলেশ্বৰ দাসৰ কন্যা অৰ্চনা দাস, সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত ডঃ জামালুদ্দিন আহমেদৰ পুত্ৰ ডাঃ বদৰুজ জামান, সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত হাৰুণাৰ ৰছিদ হাজৰিকাৰ কন্যা সুমন হাজৰিকা, আৰু সাহিত্য নগৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত তমজিদ আলিৰ পুত্ৰ আবু মেহেদী আজাদে। ১০ বজাত কবি সমাৰোহ উদ্বোধন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° এম কামালুদ্দিন আহমেদে। সঞ্চালনা কৰিব ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে। পৰ্যালোচক হিচাপে অংশগ্ৰহণ কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকাই। বিয়লি এক বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া আজীৱন সদস্যৰ অন্তৰংগ আলাপ (সাহিত্য নগৰ সাহিত্য সভা) সঞ্চালনা কৰিব দলগাঁও ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাজিবুৰ ৰহমানে। ১৮ জানুৱাৰীৰ পুৱা ৯ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট উদ্যোগপতি, সমাজসেৱক মুকুল চন্দ্ৰ ডেকাই। সাহিত্য নগৰ সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি মিছ্বাহুল হুদাৰ সভাপতিত্বত দিনৰ এঘাৰ বজাৰ পৰা অনুষ্ঠিত হব লগীয়া মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ইদ্ৰিছ আলীয়ে। আদৰণি ভাষণ আগবঢ়াব উদযাপন সমিতিৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ডেকাই। অনুষ্ঠানত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব যশস্বী লেখক, বিশিষ্ট সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ফুলেন্দ্ৰনাথ চহৰীয়াই আৰু কাব্যগ্ৰন্থ উন্মোচন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়াই। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, মঙলদৈৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমান, মুদৈবড়ী পৰিষদীয় সমষ্টিৰ এম চি এল এ দিগন্ত বৰুৱা, অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, ৰাজ্যভাষা-মাতৃভাষা প্ৰয়োগ উপশমিতিৰ আহ্বায়ক ৰাণা আলম, দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, উপসভাপতি কুঞ্জ দেৱী, সম্পাদক মৃণাল ৰাজবংশী, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, পৃথুৰাম বৰুৱা, চহিৰ ভূঞা, ৰজনীকান্ত নাথ, দৰঙৰ জিলা আয়ুক্ত পূবালী গোহাঁই, দৰঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰৱী শইকীয়াকৰণ আৰু মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ। আনহাতে আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰিব বিশিষ্ট সাহিত্যিক কমলাকান্ত ডেকা, বিশিষ্ট চিকিৎসক ড° মীৰ আলম চিদ্দিকি, বিশিষ্ট সমাজকৰ্মী কুলেন হাজৰিকা, বিশিষ্ট লেখক খাইৰুল হুছেইন আৰু বিশিষ্ট সাহিত্যিক এম হাফিজ আলিয়ে। সন্ধিয়া ৫ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট কবি গীতিকাৰ প্ৰভাত চৌধুৰীয়ে। সোণালী জয়ন্তী সমাৰোহৰ দুয়োদিনৰ কাৰ্যসূচীত শুভাকাংক্ষী তথা ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয় আব্দুল খালেক, আব্দুল কাদিৰ আহমেদ, প্ৰচাৰ উপশমিতিৰ সভাপতি বিকাশ আলী আৰু সম্পাদক গণেশ দত্তই।

# কৃষ্ণ বৰা বি এড কলেজৰ ৩১ তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

৩ খনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন

**অসম বাৰ্তা, লংকা, ৯ জানুৱাৰী ঃ** হোজাই জিলাৰ অন্যতম অগ্ৰণী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় লংকাস্থিত কৃষ্ণ বৰা বি এড কলেজৰ ৩১ তম্ প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী হিচাপে পুৱা পতাকা উত্তোলন কৰে কৃষ্ণ বৰা বি এড কলেজ পৰিচালনা সমিতিৰ সভাপতি ইছমাইল আলিয়ে। ইয়াৰ পিছতেই বি এড আৰু ডি এল এডৰ প্ৰশিক্ষাৰ্থীৰ লগতে স্নাতক বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা তিনি খনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বি এডৰ প্ৰশিক্ষাৰ্থী সকলে "জ্ঞান চিৰ প্ৰবহমান" শীৰ্ষক বিষয় হিচাপে লৈ প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে লংকা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নাৰায়ণ দেৱনাথে। আনহাতে স্নাতক বৰ্ষৰ ছাত্ৰ ছাত্ৰীসকলে "প্ৰজ্ঞাৰ সেতু" শীৰ্ষক বিষয় হিচাপে লৈ প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখন কৃষ্ণ বৰা বি এড কলেজৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমানে উন্মোচন কৰাৰ বিপৰীতে ডি এল এডৰ প্ৰশিক্ষাৰ্থী সকলে বৈচিত্ৰ্যময় অসমৰ প্ৰেক্ষাপটত প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে সহকাৰী অধ্যাপিকা গীতিকা ফুকনে। ইয়াৰ পিছতেই কৃষ্ণ বৰা বি এড কলেজৰ প্ৰেক্ষাগৃহত আয়োজিত মুকলি সভাখন বন্তি প্ৰজ্বলন আৰু মহাবিদ্যালয়ৰ বি এড প্ৰশিক্ষাৰ্থী সকলে পৰিৱেশন কৰা "জয়তু কৃষ্ণবৰা বি এড কলেজ...." শীৰ্ষক গীতেৰে আৰম্ভ কৰা হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কৃষ্ণ বৰা বি এড কলেজ পৰিচালনা সমিতিৰ সভাপতি ইছমাইল আলি, কৃষ্ণবৰা বি এড কলেজৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমান, লামডিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুৰাধা চৌধুৰী, লংকা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তথা কৃষ্ণ বৰা বি এড কলেজৰ প্ৰতিষ্ঠাপক সম্পাদক নাৰায়ণ দেৱনাথ, সহকাৰী অধ্যাপক হেমন্ত কুমাৰ চাহু, গীতিকা ফুকন আৰু তাৰা শংকৰ দত্ত। মুকলি সভাত অধ্যক্ষৰ ভাষণত ড° মোস্তাফিজুৰ ৰহমানে প্ৰথমেই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তি তথা শিক্ষাবিদৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে তেওঁ কলেজ খনৰ গুণ গৰিমা ঐতিহ্যৰ বিষয়ে গভীৰভাৱে আলোকপাত কৰে। ১৯৯৬ চনৰ ৭ জানুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা কৃষ্ণবৰা বি এড কলেজৰ ৩১ বছৰীয়া এক দীঘলীয়া পৰিক্ৰমাত কলেজ খনে শৈক্ষিক ক্ষেত্ৰখনলৈ যথেষ্ট গুৰুত্ব পূৰ্ণ অৱদান আগবঢ়োৱাৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। লগতে এই কলেজৰ পৰাই অসমৰ বিভিন্ন জিলাৰ লগতে বহিৰাজ্যৰো বহু ছাত্ৰ ছাত্ৰীয়ে বি এড ডিগ্ৰী লাভ কৰি বিভিন্ন বিদ্যালয়ত নিযুক্তি পোৱাৰ কথাও তেওঁ ব্যক্ত কৰে।



অসমৰ অন্যান্য শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ লগতে কৃষ্ণবৰা বি এড কলেজেও সাম্প্ৰতিক প্ৰেক্ষাপটত শৈক্ষিক বাতাবৰণ সৃষ্টি কৰি এক আলোড়ন আনিবলৈ সক্ষম হৈছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। ইফালে, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক নাৰায়ণ দেৱনাথে কৃষ্ণ বৰা বি এড কলেজৰ প্ৰতিষ্ঠা কালৰ বহু অভিজ্ঞতাৰ কথা প্ৰকাশ কৰে। লগতে বিভিন্ন ঘাত প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি আহি কলেজ খনে আজি সগৌৰৱেৰে ৩১টা বছৰ সম্পূৰ্ণ কৰি সমগ্ৰ অসমৰ ভিতৰত এখন জাকত জিলিকা কলেজ হিচাপে পৰিচিত হোৱাৰ কথা তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। লামডিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুৰাধা চৌধুৰীয়েও কলেজ খনৰ শৈক্ষিক বাতাবৰণ, সফলতাক ভূয়সী প্ৰশংসা কৰে। আনহাতে সভাপতিৰ ভাষণত কলেজ পৰিচালনা সমিতিৰ সভাপতি ইছমাইল আলিয়ে কৃষ্ণ বৰা বি এড কলেজৰ দীঘলীয়া যাত্ৰা পথৰ কথা গভীৰভাৱে আলোকপাত কৰে। কলেজ খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিৰ অৱদানক তেওঁ শ্ৰদ্ধাৰে সুঁৱৰি ৩১ বছৰীয়া যাত্ৰা পথৰ নানা প্ৰত্যাহ্বানৰ কথাও তেওঁ উল্লেখ কৰে। লগতে কৃষ্ণ বৰা বিএড কলেজৰ দীৰ্ঘায়ু কামনা কৰি অনাগত দিনবোৰত যাতে কলেজ খনৰ শৈক্ষিক মানদণ্ড, ধাৰা অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰে। মুকলি সভাৰ পিছতেই বিগত বৰ্ষৰ ২৫ নৱেম্বৰৰ পৰা ২৯ নবেম্বৰলৈকে মহাবিদ্যালয়ত বিভিন্ন শিতানত অনুষ্ঠিত হোৱা "সাহিত্য উৎসৱ-২০২৫"ৰ স্থান প্ৰাপ্ত সকলক মানপত্ৰ আৰু বঁটা বিতৰণ কৰা হয়। সভাৰ অন্তিম কাৰ্যসূচীত অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমানে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতেই অনুষ্ঠানৰ সামৰণি পৰে।

# আজিৰে পৰা চৰাইদেউ মহোৎসৱ আৰম্ভ



**অসম বাৰ্তা, নাজিৰা, ৯ জানুৱাৰী ঃ** এক সমন্বয়ৰ বাৰ্তালৈ আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ চৰাইদেউ মহোৎসৱ। বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰৰ কাষতে আয়োজিত চৰাইদেউ মহোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি মূলদ্বাৰ উন্মোচন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বানফি পূজা, মৈদাম তৰ্পণ কৰাৰ পাছতে চাওলুং চুকাফাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হয়। চৰাইদেউ মহোৎসৱৰ কাৰ্যসূচীত অসমৰ ভালেকেইজন মন্ত্ৰী বিধায়কে বিশেষ ভাবে অংশগ্ৰহণ কৰিব। বৰ্ণাধ্য কাৰ্যসূচীৰে তিনিদিনীয়াকৈ আৰম্ভ হৈছে চৰাইদেউ মহোৎসৱ। বিশ্বৰ প্ৰেক্ষাপটত চৰাইদেউক জিলিকাই তোলাৰ লক্ষ্যৰে অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউ বাসী ৰাইজৰ সহযোগত আজিৰে পৰা আৰম্ভ হৈছে চৰাইদেউ মহোৎসৱ। সকলো জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো দল-সংগঠন আৰু সংবাদ প্ৰতিষ্ঠান একত্ৰিত হৈ ২০১৫ চনৰ পৰা ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ উদ্দেশ্যে চৰাইদেউ মহোৎসৱ উদযাপন কৰি আহিছে। ইতিমধ্যে চৰাইদেউ মৈদাম ক্ষেত্ৰ বিশ্ব সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ হিচাপে ইউনেস্কো স্বীকৃতি পাবলৈ সক্ষম হ'ল।

# ১০ জানুৱাৰীত গ্ৰাম সভা আৰু ৱাৰ্ড কমিটি সভা অনুষ্ঠিত

**অসম বাৰ্তা, দেওমৰনৈ, ৯ জানুৱাৰী ঃ** ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধি তথা ভোটাৰ তালিকাৰ সঠিকতা নিশ্চিত কৰাৰ বাবে অহা ১০ জানুৱাৰীত দৰং জিলাৰ সকলো গাঁও পঞ্চায়তত বিশেষ গ্ৰাম সভা অনুষ্ঠিত হ'ব। তদুপৰি জিলাখনৰ মঙলদৈ, ছিপাঝাৰ আৰু খাৰুপেটীয়া পৌৰসভাৰ অন্তৰ্গত ৱাৰ্ড সমূহত ৱাৰ্ড কমিটি সভা অনুষ্ঠিত হ'ব। সেই অনুসৰি যোগ্য ভোটাৰ সকলে উক্ত গ্ৰাম সভা বা ৱাৰ্ড কমিটিৰ সভাত সবিশেষ পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় প্ৰ-পত্ৰ সংশ্লিষ্ট বিষয়াসকলক জমা দিব পাৰিব।

# সৰ্বস্ব হেৰুৱাই বিননি কৰা ৰাইজৰ বাবে ফুটুকাৰ ফেনত পৰিণত বিধায়কৰ আশ্বাস

# আই-মানাহৰ খহনীয়াত ধলাগাছা-ঘোৰামাৰা অঞ্চল



**অসম বাৰ্তা, অভয়াপুৰী, ৯ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ পূৰ্বৰ অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ধলাগাছা, ঘোৰামাৰা, নাৰাৰ ভিটা আৰু সন্তোষপুৰ অঞ্চলত আই আৰু মানাহ নদীত দীৰ্ঘদিন ধৰি চলি থকা খহনীয়াৰ ফলত ইতিমধ্যে শ শ সচ্ছল পৰিয়ালে নিজৰ ঘৰ-বাৰী, কৃষিভূমি আৰু জীৱিকাৰ একমাত্ৰ অৱলম্বন হেৰুৱাই সৰ্বস্বান্ত অৱস্থাত পৰিব লগা হৈছে। আই আৰু মানাহ নদীৰ সংগমস্থলী হিচাপে পৰিচিত এই অঞ্চলত প্ৰতি বছৰে বাৰিষাৰ সময় আহিলেই খহনীয়াই অধিক তীব্ৰ ৰূপ লয়। বিশেষকৈ বাৰিষাৰ পানীৰ প্ৰবাহ বৃদ্ধি পালে নদীৰ পাৰত থকা গাঁওসমূহ ধ্বংসৰ মুখত পৰে। বিগত কেইবছৰত বহু পৰিয়ালে নিজৰ বসতিভিটা এৰি সুৰক্ষিত স্থানলৈ স্থানান্তৰ হ'বলৈ বাধ্য হৈছে যদিও পুনৰ সংস্থাপন বা স্থায়ী সমাধানৰ কোনো ব্যৱস্থা এতিয়ালৈকে দেখা পোৱা নাই। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, বিগত কেবা বছৰে খহনীয়া প্ৰতিৰোধৰ দাবীত তেওঁলোকে স্থানীয় বিধায়ক আব্দুল বাতেন খন্দকাৰক বাৰে বাৰে আবেদন জনাই আহিছে। বিধায়কে বিভিন্ন সময়ত অঞ্চলটো খহনীয়াৰ পৰা ৰক্ষা কৰাৰ আশ্বাস প্ৰদান কৰি আহিছে যদিও বাস্তৱত কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই সময়ছোৱাত বিধায়ক আব্দুল বাতেন খন্দকাৰৰ কাৰ্যকাল শেষ হ'বলৈ বেছি দিন বাকী নাথাকিলেও পুনৰ বাৰিষাৰ দিনো ওচৰ চাপি আহিছে। এনে সন্ধিক্ষণত খহনীয়া প্ৰতিৰোধৰ নামত দিয়া আশ্বাসসমূহ এতিয়া ফুটুকাৰ ফেনত পৰিণত হোৱা বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। ফলস্বৰূপে খহনীয়া আক্ৰান্ত অঞ্চলবাসীৰ মাজত গভীৰ অসন্তোষ আৰু হতাশা বিৰাজ কৰিছে। ৰাইজে দাবী কৰিছে যে, তৎকালীনভাৱে শক্তিশালী বান্ধ, গাৰ্ডৱাল নিৰ্মাণ তথা স্থায়ী খহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ নকৰিলে অঞ্চলটোত বৃহৎ সামাজিক আৰু অৰ্থনৈতিক সংকট সৃষ্টি হোৱাৰ আশংকা আছে। এতিয়া সকলোৰে প্ৰশ্ন-আই-মানাহৰ খহনীয়াত সৰ্বস্বান্ত হোৱা ধলাগাছা-ঘোৰামাৰা বাসীৰ এই বিননি কোনে শুনিব?

# ভোটাৰ তালিকা এতিয়াও

বিৰোধী দলসমূহৰ ভোট চুৰিৰ অভিযোগক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্পূৰ্ণ ভিত্তিহীন বুলি খণ্ডন কৰিছে। শুকুৰবাৰে সাংবাদিকসকলৰ আগত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কয় যে, "ভোটাৰ তালিকা এতিয়াও প্ৰকাশিত হোৱা নাই। যেতিয়ালৈকে কোনো তালিকাই ৰাইজৰ সন্মুখত অহা নাই, তেতিয়ালৈকে 'ভোট চুৰি'ৰ প্ৰশ্নই কেনেকৈ উত্থাপন হ'ব পাৰে? এই অভিযোগসমূহ সম্পূৰ্ণ ভিত্তিহীন আৰু বিভ্ৰান্তিকৰ।" তেওঁ কয় যে, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কেৱল বুথ লেভেল এজেণ্ট (বিএলএ)সকলক নিৰ্দেশ দিছে যে, অযোগ্য ভোটাৰৰ নাম বাদ দি আৰু যোগ্য ভোটাৰৰ নাম অন্তৰ্ভুক্ত কৰি ভোটাৰ তালিকা সঠিক আৰু নিৰ্ভুল কৰি ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ। এনে পদক্ষেপ নিৰ্বাচন আয়োগৰ নিয়ম অনুসৰি ভোটাৰ তালিকা পুনৰীক্ষণ আৰু উন্নীতকৰণৰ এক স্বাভাৱিক আৰু বৈধ প্ৰক্ৰিয়াৰ অংশ বুলি মুখ্যমন্ত্ৰীয়ে জোৰ দিয়ে। শৰ্মাই লগতে কয়, "মুক্ত, ন্যায়সঙ্গত আৰু নিকা নিৰ্বাচনৰ বাবে নিকা আৰু সঠিক ভোটাৰ তালিকা বজাই ৰখাটো অতি প্ৰয়োজনীয়। ইয়াক লৈ ৰাজনীতি কৰা উচিত নহয়। নিৰ্বাচন আয়োগে নিজৰ সুনিৰ্দিষ্ট আৰু স্বচ্ছ পদ্ধতিৰে ভোটাৰ তালিকাৰ উন্নীতকৰণ কৰে। ৰাজনৈতিক দলসমূহে কেৱল নিজৰ বুথ লেভেল এজেণ্টৰ জৰিয়তে এই প্ৰক্ৰিয়াত সহযোগিতা কৰিব পাৰে।" ইয়াৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে বিজেপিৰ নেতৃত্বই ভোটাৰ তালিকাত হেতালি খেলাৰ চেষ্টা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল আৰু এই সন্দৰ্ভত দিছপুৰ থানাত এজাহাৰও দাখিল কৰিছিল। মুখ্যমন্ত্ৰীয়ে এই অভিযোগসমূহক নিৰ্বাচনী প্ৰক্ৰিয়াৰ আগত অপ্ৰয়োজনীয় বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ উদ্দেশ্যেৰে ৰচিত বুলি অভিহিত কৰে। এই প্ৰতিক্ৰিয়াই ৰাজ্যৰ ৰাজনৈতিক বিতৰ্কক অধিক তীব্ৰতৰ কৰি তুলিছে, বিশেষকৈ যেতিয়া ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়া চলি আছে আৰু নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে।

# জানুৱাৰী মাহতেই ৰাজহুৱা

জানুৱাৰী মাহৰ ভিতৰতে যিমানখিনি সম্ভৱ সেই সকলো তথ্যপ্ৰমাণ ৰাইজৰ সন্মুখত ৰাজহুৱা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, "আমি জানুৱাৰী মাহৰ ভিতৰতে যিমানখিনি দিব পাৰো, সেই গোটেইখিনি আপোনালোকক দিম। বিষয়টো অসমৰ ৰাইজে জনা দৰকাৰ। গৃহ মন্ত্ৰণালয়ৰ পৰা এটা সৰু ক্লিয়াৰিফিকেচন বাকী আছে। সেইটো আহক বা নাহক—জানুৱাৰীৰ ১৫-১৮ বা ২৪-৩১ তাৰিখৰ ভিতৰত আমি তথ্যসমূহ প্ৰকাশ কৰিম। ফেব্ৰুৱাৰীলৈ নিনিয়া। এইটো এটা ডাঙৰ ষড়যন্ত্ৰ। অসম আৰক্ষীৰ তদন্তত বহুত তথ্য-প্ৰমাণ উঠি আহিছে। নিয়াই কৰিলে আৰু অধিক তথ্য ওলাব। আমি পোৱা তথ্যসমূহ অতি ভয়ংকৰ।" কংগ্ৰেছৰ ভোটবেংক সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মন্তব্য আছিল অতি তীক্ষ্ণ। তেওঁ কয়, "কংগ্ৰেছৰ গোটেই নিৰ্বাচনটো অবৈধ বাংলাদেশীৰ ভোটৰ ওপৰত নিৰ্ভৰশীল। এইটোৱেই তেওঁলোকৰ ভোটবেংক। দুৰ্ভাগ্যৰ কথা যে অসমৰ মিঞা মুছলমানসকলে তেওঁলোকক টকা-পইচাও দিব লাগে, আসনো ল'ব লাগে আৰু বিপদৰ সময়ত কংগ্ৰেছে তেওঁলোকৰ কোনো খবৰ নলয়। আজিলৈকে হোৱা কোনো এটা উচ্ছেদত গৌৰৱ গগৈ যোৱা নাই। আমাৰ ভোটবেংক বা আমাক ভালপোৱা মানুহৰ ঘৰত উচ্ছেদ হ'লে আমি গ'লোহেতেন।" তেওঁ কয়, "মিঞা মুছলমানসকলৰ বাবে কেতিয়াবা মোৰ বেয়া লাগে। যাক ভোট দিয়ে তেওঁলোকেও মৰম নকৰে। আমাক ভোট দিয়াসকলক আমি মৰম কৰোঁ। কংগ্ৰেছে কেৱল প্ৰৱঞ্চনা কৰিব পাৰে। কংগ্ৰেছ কাৰো বন্ধু নহয়। তেওঁলোক কেৱল নিজৰ কাৰণে আছে। এনেকুৱা নেতা ক'ৰবাত দেখিছেনে যাৰ পৰিয়ালৰ তিনিজনেই বিদেশী?" ৰাজ্যসভাৰ আসনসমূহৰ প্ৰাৰ্থী নিৰ্বাচন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "ৰাজ্যসভাৰ তিনিখন আসনতে আমি আমাৰ প্ৰাৰ্থী দিম। আগৰবাৰ অজিত কুমাৰ ভুঞাক নিৰপেক্ষ বুলি ভাবি প্ৰাৰ্থী দিয়া নাছিলো। কিন্তু ৰাজ্যসভাৰ পুঁজিৰ ক্ষেত্ৰত কি হ'ল সকলোৱে দেখিলে। সেইবাবে এইবাৰ তিনিখন আসনতে প্ৰাৰ্থী দিম। দুখনত জিকিম, এখনত হাৰিবও পাৰো, জিকিবও পাৰো। কিন্তু তিনিটা চিটতে প্ৰাৰ্থী দিয়া হ'ব।" কংগ্ৰেছৰ ভিতৰুৱা অৱস্থাৰ কথা উল্লেখ কৰি তেওঁ কয়, "কংগ্ৰেছত যি কৰিলেই আমি গম পাই যাওঁ। তেওঁলোকৰ ভিতৰতে বহুত খং। কোনোবাই কোনোবাই টিকট দিম বুলি ইতিমধ্যে ৩-৪ কোটি টকা লৈ লৈছে। ডাঙৰ ডাঙৰকৈ বিয়া পাতিছে। ২৩টা সমষ্টিত ৩-৪ কোটিকৈ টকা লোৱা হৈছে। এজনৰ পৰা নহয়, চাৰি-পাঁচজনৰ পৰা লৈছে। ধুবুৰীত মানুহ থাকিবই নোৱাৰিব। টকা খোৱাৰ বদনাম নোলোৱাৰ বাবে প্ৰিয়ংকা গান্ধীক চেয়াৰমেন পাতি দিলে। এইবাৰ বহুত মাৰপিট হ'ব।" এই তীব্ৰ মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত। মুখ্যমন্ত্ৰীৰ এই প্ৰতিশ্ৰুতি অনুসৰি জানুৱাৰী মাহৰ ভিতৰতে গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্যপ্ৰমাণ ৰাজহুৱা হ'ব বুলি ধাৰণা কৰা হৈছে।

# খামেইনিৰ শাসনৰ

অব্যাহত আছে। এই প্ৰতিবাদ দেশখনৰ প্ৰায় সকলো প্ৰদেশলৈ বিয়পি পৰিছে আৰু ইয়াক শেহতীয়া বছৰবোৰৰ ভিতৰত অন্যতম ডাঙৰ চ্যালেঞ্জ হিচাপে গণ্য কৰা হৈছে। প্ৰতিবাদসমূহৰ আৰম্ভণি হৈছিল ডিচেম্বৰৰ শেষৰ ফালে তেহৰাণৰ গ্ৰেণ্ড বাজাৰৰ ব্যৱসায়ীসকলৰ দ্বাৰা, যেতিয়া ইৰাণী মুদ্ৰা ৰিয়েলৰ মূল্য অভূতপূৰ্বভাৱে হ্ৰাস পাইছিল আৰু মুদ্ৰাস্ফীতি ৪০ শতাংশৰ ওচৰত উপনীত হৈছিল। এই অৰ্থনৈতিক সংকটৰ ফলত নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ মূল্য আকাশলংঘী হোৱাত সাধাৰণ জনতাৰ মাজত ক্ষোভ বাঢ়িছে। প্ৰতিবাদসমূহ অতি সোনকালে অৰ্থনৈতিক অভিযোগৰ পৰা আগবাঢ়ি ইছলামিক গণতন্ত্ৰৰ বিৰুদ্ধে ৰাজনৈতিক দাবীলৈ পৰিণত হৈছে, য'ত প্ৰতিবাদকাৰীসকলে চুপ্ৰিম লীডাৰ আয়াতুল্লাহ আলী খামেইনীৰ পতন দাবী কৰি "ডি'টৰ মৃত্যু হওক" বুলি ধ্বনি দিছে। ইৰাণৰ ৰাজধানী তেহৰাণকে ধৰি মাছহাদ, ইছফাহান, তাবৰিজ, শ্বিৰাজ আদি ডাঙৰ চহৰসমূহত লাখ লাখ লোকে ৰাজপথত নামি আহিছে। মাছহাদৰ দৰে চহৰত, যিখন চহৰক চৰকাৰী সমৰ্থনৰ দুৰ্গ বুলি গণ্য কৰা হয়, প্ৰতিবাদকাৰীসকলে নিৰাপত্তা বাহিনীৰ সৈতে সংঘৰ্ষত লিপ্ত হৈছে আৰু কেতিয়াবা বাহিনীক পিছুৱাই যাবলৈ বাধ্য কৰিছে। প্ৰতিবাদৰ সময়ত গাড়ী জ্বলোৱা, চৰকাৰী প্ৰতীক ভাঙি পেলোৱা আৰু ৰাজহুৱা স্থানত অগ্নিসংযোগৰ দৰে ঘটনাৰ খবৰ পোৱা গৈছে। বৃহস্পতিবাৰে নিশা (৮ জানুৱাৰী ২০২৬) প্ৰতিবাদসমূহ অধিক তীব্ৰতৰ হৈ পৰে, যেতিয়া নিৰ্বাসিত ক্ৰাউন প্ৰিঞ্চ ৰেজা পাহলৱীয়ে ইৰাণৰ জনতাক নিৰ্দিষ্ট সময়ত (সন্ধিয়া ৮ বজাত) ঘৰৰ পৰা ওলাই আহি ইছলামিক শাসনৰ বিৰুদ্ধে সমন্বিত প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি হিচাপে তেহৰাণ, মাছহাদ, ইছফাহান আদি চহৰত হাজাৰ হাজাৰ লোকে ৰাজপথত নামি আহে আৰু খামেইনিৰ শাসনক পোনপটীয়াকৈ প্ৰত্যাহ্বান জনাই "পাহলৱী ঘূৰি আহক" বুলি ধ্বনি দিয়ে। এই ৰাতিৰ প্ৰতিবাদক বহু বিশ্লেষকে প্ৰতিবাদৰ এক নতুন পৰ্যায় বুলি অভিহিত কৰিছে। ইফালে ইৰাণ চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ নিৰাপত্তা বাহিনী ব্যাপকভাৱে মোতায়েন কৰিছে। প্ৰতিবাদকাৰীৰ ওপৰত হিংসাত্মক দমন-পীড়ন চলোৱাৰ অভিযোগ উঠিছে, আৰু মানৱাধিকাৰ সংগঠনসমূহে কেইবাজনো লোকৰ মৃত্যু আৰু হাজাৰ হাজাৰ গ্ৰেপ্তাৰৰ কথা প্ৰকাশ কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা দেখি চৰকাৰে দেশজুৰি ইণ্টাৰনেট সেৱা বন্ধ কৰি দিছে আৰু আন্তঃৰাষ্ট্ৰীয় টেলিফোন লাইনো কৰ্তন কৰিছে, যাৰ ফলত তথ্যৰ প্ৰবাহ ব্যাহত হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প এই প্ৰতিবাদক সমৰ্থন জনাই কয় যে, যদি ইৰাণী চৰকাৰে প্ৰতিবাদকাৰীসকলৰ কণ্ঠ দমন কৰিবলৈ হিংসাৰ আশ্ৰয় লয়, তেন্তে আমেৰিকাই তেওঁলোকক এৰি নিদিব। তেওঁ সতৰ্ক কৰি কয় যে "যদি তেওঁলোকে গুলীচালনা আৰম্ভ কৰে, তেন্তে আমিও গুলীচালনা আৰম্ভ কৰিম", যদিও তেওঁ স্পষ্ট কৰে যে মাটিত সৈন্য পঠোৱাৰ কথা নহয়। ইৰাণৰ পৰা অহা ছবি আৰু ভিডিঅ'সমূহত স্পষ্টভাৱে দেখা যায় যে জনতাৰ ক্ষোভ এতিয়া কেৱল অৰ্থনৈতিক নহয়, বৰঞ্চ শাসন ব্যৱস্থাৰ পৰিৱৰ্তনৰ দাবীলৈ পৰিণত হৈছে। পৰিস্থিতি ক্ৰমান্বয়ে জটিল হৈ পৰিছে আৰু আন্তৰ্জাতিক সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰিছে।

# ২৮ জানুৱাৰীৰ পৰা ২ এপ্ৰিললৈ সংসদৰ বাজেট

জনাইছে। সংসদীয় পৰিক্ৰমা কেবিনেট কমিটীৰ চূড়ান্তকৰণ কৰা আংশিক সময়সূচী অনুসৰি, সংসদৰ বাজেট অধিৱেশন ২৮ জানুৱাৰীৰ পৰা আৰম্ভ হৈ ২ এপ্ৰিললৈকে চলিব। ২৮ জানুৱাৰীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ভাষণ প্ৰদান কৰিব। ইয়াৰ পিছত ২৯ জানুৱাৰীত 'বিটিং ৰিট্ৰিট' অনুষ্ঠানৰ বাবে দুয়োটা সদনৰ বৈঠক অনুষ্ঠিত নহ'ব। অৰ্থনৈতিক জৰীপ (Economic Survey) ৩০ জানুৱাৰীত দাখিল কৰাৰ সম্ভাৱনা আছে। সেইদিনাই সংসদৰ বৈঠক অনুষ্ঠিত হ'ব। ৩১ জানুৱাৰীত লোকসভা আৰু ৰাজ্যসভাৰ কোনো বৈঠক নিৰ্ধাৰিত নাই। ১ ফেব্ৰুৱাৰী দেওবাৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ২০২৬-২৭ বিত্তীয় বছৰৰ সম্পূৰ্ণ বাজেট দাখিল কৰিব। ৰাষ্ট্ৰপতিৰ ভাষণ আৰু বাজেটৰ ওপৰত ধন্যবাদ প্ৰস্তাৱৰ আলোচনা সমাপ্ত হোৱাৰ পিছত ১৩ ফেব্ৰুৱাৰীত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ৰ সামৰণি পৰিব। তাৰ পিছত প্ৰায় এমাহৰ বাবে সংসদ স্থগিত ৰখা হ'ব। দ্বিতীয় পৰ্যায়ৰ অধিৱেশন ৯ মাৰ্চৰ পৰা পুনৰ আৰম্ভ হৈ ২ এপ্ৰিল বৃহস্পতিবাৰলৈকে চলিব। বিষয়াসকলে জনোৱা মতে, সাধাৰণতে শুকুৰবাৰে সংসদ স্থগিত ৰখা হয় যদিও ৩ এপ্ৰিলত গুড ফ্ৰাইডে উপলক্ষে আৰু তাৰ পিছৰ সপ্তাহৰ শেষৰ দিন বিবেচনা কৰি এইবাৰ অধিৱেশনৰ সামৰণি ২ এপ্ৰিলতেই পৰিব। এইবাৰৰ বাজেটক লৈ বিশেষ চৰ্চাৰ সৃষ্টি হৈছে কাৰণ ইয়াত কেইবাটাও অভূতপূৰ্ব দিশ আছে। প্ৰথমতে পৰম্পৰা ভংগ কৰি দেওবাৰে বাজেট দাখিল কৰা হ'ব। দ্বিতীয়তে, বিত্ত মন্ত্ৰালয়ত বৰ্তমান কোনো স্থায়ী বিত্ত সচিব নাই। সাধাৰণতে বিত্ত সচিব মন্ত্ৰালয়ৰ আটাইতকৈ জ্যেষ্ঠ বিষয়া হয় আৰু তেওঁৰ দায়িত্ব থাকে সমগ্ৰ বাজেট প্ৰক্ৰিয়াৰ সমন্বয় স্থাপন, ডাঙৰ সিদ্ধান্তসমূহৰ তদাৰক আৰু পথ প্ৰদৰ্শন কৰা। তথাপি বিভাগীয় বিষয়াসকলে জনোৱা মতে, বাজেটৰ প্ৰস্তুতি পূৰ্ণ গতিত আগবাঢ়ি আছে আৰু কোনো ব্যাঘাত নাই। এইবাৰৰ বাজেটে দেশৰ অৰ্থনৈতিক পৰিৱেশ আৰু জনসাধাৰণৰ জীৱনযাত্ৰাত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

# ৰূপহীহাটৰ লাইলুৰিত বাহনসহ ৫টা গৰু জব্দ; আটক দুই

**অসম বাৰ্তা, ৰূপহীহাট, ৯ জানুৱাৰী ঃ** ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। য়োৱানিশা আমবাগান আৰক্ষীয়ে লাইলুৰিত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিয়ানত এএছ-০২-ডিচি-৪৯৯৫ নম্বৰৰ টাটা মেজিক বাহনৰ পৰা ৫টা গৰু জব্দ কৰে। আৰক্ষীয়ে টাটা মেজিক বাহনৰ চালক আৰু হেণ্ডিমেনে গৰুৰ কোনো বৈধ প্ৰমাণ পত্ৰ দেখুৱাব নোৱাৰাত দুয়োকে আৰক্ষীয়ে আটক কৰে। আটকাধীন লোক দুজন হল জাৰামাৰী গাঁৱৰ হাচিবুৰ ৰহমান আৰু খাইৰুল ইছলাম। আমবাগান আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত দুয়োকে জেৰা অব্যাহত ৰাখিছে।

### আন্তঃৰাষ্ট্ৰীয় কোচৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মন

# বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰি, ৰাজ্যৰ চিকিৎসা ব্যৱস্থাৰ নাজল-নাথল অৱস্থা

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৯ জানুৱাৰী ঃ** ৰাজ্যত চিকিৎসা সেৱাৰ নামত হৈছে ভাল, কিন্তু হৈছে কি ডাল? ৰাজ্যখনত বৰ্তমানে ১৩ খন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম হৈ আছে যদিও অধ্যাপক, সহকাৰী অধ্যাপক, চিকিৎসক, পঞ্জীয়কৰ অভাৱত বহিঃৰাজ্যলৈ বা ব্যক্তিগত চিকিৎসালয়লৈ যাবলগীয়া হৈছে জনসাধাৰণ- এই মন্তব্য আন্তঃৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনৰ। বৰ্মনে এক প্ৰেছ বিবৃতিত কয় যে, কাৰ্যক্ষম হৈ থকা চিকিৎসা মহাবিদ্যালয়সমূহত ৯০০ তকৈও অধিক পদ খালী হৈ আছে। তদুপৰি অসম আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়ত ১৪জন অধ্যাপক আৰু নাৰ্ছিং কলেজত ৩০টা পদ খালী হৈ আছে। যিকেইখন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম হৈ আছে, সেই কেইখন থিকে -থিকেই চলিছেনে? সভাপতি বৰ্মনে উল্লেখ কৰে যে, কাৰ্যক্ষম হৈ থকা ১০ খনকৈ চিকিৎসা মহাবিদ্যালয়ৰ আৰম্ভই কৰা নাই বহু গুৰুত্বপূৰ্ণ বিভাগ। অধ্যাপকৰ পৰা পঞ্জীয়কলৈ সকলো ধৰণৰ শিক্ষক পদৰ ক্ষেত্ৰতেই খালী হৈ আছে বহু পদ। মেডিকেল শিক্ষা বিভাগৰ তথ্যতেই প্ৰকাশ পাইছে ৰাজ্যৰ ১৩খনকৈ চিকিৎসা মহাবিদ্যালয়ৰ ৯০০ শিক্ষক পদ খালী হৈ আছে। বিগত সময়ৰ দৰে বহু কেইগৰাকী জ্যেষ্ঠ অধ্যাপক, সহকাৰী অধ্যাপক, স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰাৰ প্ৰস্তুতিহে চলাইছে। পৰিস্থিতি এনে পৰ্যায় পাইছে যে, ইতিমধ্যে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰা শিক্ষকসকলক পুনৰ চাকৰিত যোগদান কৰিবলৈ অনুৰোধ জনোৱা হৈছে। এনে প্ৰেক্ষাপটত অনাগত ২-৩ বছৰৰ ভিতৰত ৰাজ্যখনত নতুনকৈ আৰু ১০ খনকৈ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ হৈ উঠিব যদিও প্ৰয়োজনীয় শিক্ষক, অধ্যাপক অবিহনে কিদৰে শিক্ষাবৰ্ষ আৰম্ভ কৰিব সেয়াও এক ডাঙৰ প্ৰশ্ন। কেৱল চিকিৎসা মহাবিদ্যালয়ে নহয়, ৰাজ্যত থকা একমাত্ৰ আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়, নাৰ্ছিং মহাবিদ্যালয়টো খালী হৈ আছে অধ্যাপক আৰু প্ৰবক্তাৰ পদ। এনেদৰে হিচাপ কৰিলে স্পষ্ট হয় যে, সামগ্ৰীকভাৱে ৰাজ্যৰ মেডিকেল শিক্ষাত মুঠ ৯০০তকৈ অধিক পদ খালী হৈ আছে। এতিয়া প্ৰশ্ন উঠিছে যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত শিক্ষাগ্ৰহণ কৰি থকা আৰু চিকিৎসা লবলৈ অহা সকলে সমুচিত শিক্ষা অথবা চিকিৎসা সেৱা লাভ কৰিছেনে বুলিও বিবৃতিটোত প্ৰশ্ন উত্থাপন কৰে। যিসময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী শৰ্মাই অসমখনৰ শিক্ষা, চিকিৎসা সেৱা ত্বৰান্বিত আৰু পৰ্যটনৰ কেন্দ্ৰ হিচাবে পৰিগণিত কৰা হ'ব বুলি কৈ আহিছে আৰু ২০৩০ চনৰ ভিতৰত মুঠ ৩০খন চৰকাৰী মহাবিদ্যালয় কাৰ্যক্ষম কৰা হ'ব বুলি দোহাৰিছে। সেই সময়তে শিক্ষকৰ অভাৱত বৰ্তমান চিকিৎসা মহাবিদ্যালয়ৰ এনে ধোবাংবাং অৱস্থাই সকলোকে উদিগ্ন কৰি তুলিছে। নতুন চিকিৎসা মহাবিদ্যালয় কেইখনত এক্স-ৰে আদিৰ দৰে গুৰুত্বপূৰ্ণ সেৱা ব্যাহত হৈ আহিছে। পৰ্যাপ্ত টেকনিকেল গ্ৰেডৰ কৰ্মচাৰীৰ পদ খালী হৈ থকাৰ বাবে এনে অৱস্থা। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ বাহিৰে বাকী নতুনকৈ স্থাপন হোৱা চিকিৎসা মহাবিদ্যালয়বোৰত বহু গুৰুত্বপূৰ্ণ বিভাগ আৰম্ভই কৰিব পৰা নাই বুলিও মন্তব্য কৰে সভাপতি বৰ্মনে। ইয়াৰ ভিতৰত কাৰ্ডিঅ'লজিৰ দৰে গুৰুত্বপূৰ্ণ বিভাগো আছে। ৰাজ্যৰ ৮খন চিকিৎসা মহাবিদ্যালয় যেনে বৰপেটা, তেজপুৰ, ডিফু, নগাঁও, ধুবুৰী, নলবাৰী, কোকৰাঝাৰ মেডিকেল কলেজত নাই কাৰ্ডিঅ'লজি বিভাগৰ উপৰিও চি.টি.ডি.এছ. এণ্ড্ৰ'ক্ৰাইন'লজি, ইমাৰ্জেন্সি মেডিচিন, হেমাট'লজি, নিউৰ'লজিৰ দৰে বহু গুৰুত্বপূৰ্ণ বিভাগ। স্বাস্থ্য, শিক্ষা আৰু গৱেষণা বিভাগৰ পৰা লাভ কৰা তথ্যমতে, ৰাজ্যৰ ১৩খন চিকিৎসা মহাবিদ্যালয়ৰ উপৰিও গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম সম্পূৰ্ণ হৈছে। তেনেদৰে বিশ্বনাথ, চৰাইদেউ, তামোলপুৰ, ধেমাজি, বঙাইগাঁও, মৰিগাঁও, গোলাঘাট, শিৱসাগৰ আৰু শ্ৰীভূমিত চিকিৎসা মহাবিদ্যালয়ৰ কাম সম্পূৰ্ণ হোৱাৰ পৰ্য্যায়ত আছে। আনহাতে ৰাজ্যখনৰ অনাগত দিনত হোজাই, দৰং, হাইলাকান্দি, গোৱালপাৰা জিলাতো চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। মন কৰিবলগীয়া যে, ৰাজ্যত গ্ৰাম্যাঞ্চলত থকা চিকিৎসা প্ৰতিষ্ঠানসমূহতো প্ৰায় ১০০০তকৈ অধিক চিকিৎসকৰ পদ খালী হৈ আছে। কিন্তু যোৱা ২৯ জুনত ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে একেলগে ৪০০ নতুন চিকিৎসকক নিযুক্তি দিয়ে। এই সংখ্যক চিকিৎসকক ৰাজ্যৰ গ্ৰামাঞ্চলৰ বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানলৈ সেৱাৰ বাবে পঠিয়াইছে যদিও ৬০০তকৈ অধিক পদ এতিয়াও খালী হৈ আছে। ইফালে ১০৮ মৃত্যুঞ্জয় সেৱাত নিয়োজিত কৰ্মচাৰীসকলেও নিজৰ প্ৰাপ্যৰ বাবে আন্দোলন কৰি থাকিবলগীয়া হৈছে। এনে পৰিপ্ৰেক্ষিতত চিকিৎসা সেৱাৰ নামত ৰাজ্যখনত বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰীৰ লেখীয়া হৈছে বুলি বৰ্মনে উল্লেখ কৰে।

### বিভেদ এৰি প্ৰতিগৰাকী হিন্দু একত্ৰিত হোৱাটো বৰ্তমান সময়ৰ আহ্বানঃ কুমুদ বৰঠাকুৰ, অতুল কুমাৰ কলিতা

# ঢেকীয়াজুলিৰ গুপ্তেশ্বৰ মিনি ষ্টেডিয়ামত হিন্দু সন্মিলন

**ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সনাতনী সমাজ একত্ৰিত কৰাৰ সংকল্প**

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৯ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ শিঙৰীৰ গুপ্তেশ্বৰ মিনি ষ্টেডিয়ামত আজি অনুষ্ঠিত হয় হিন্দু সন্মিলন। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS)ৰ ১০০ বছৰীয়া বৰ্ষপূৰ্তিৰ অংশস্বৰূপে প্ৰতিগৰাকী সনাতনী হিন্দুক সংঘবদ্ধ কৰি সমাজিক, সাংস্কৃতিক আৰু নৈতিক শক্তিক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে সংঘৰ গুপ্তেশ্বৰ মণ্ডলৰ উদ্যোগত এই সন্মিলনৰ আয়োজন কৰা হয়। অঞ্চলটোৰ বহু সংখ্যক পুৰুষ-মহিলাই এই সন্মিলনত অংশগ্ৰহণ কৰি অনুষ্ঠানটোক সফল কৰি তোলে। অনুষ্ঠানটোৰ সভাপতিত্ব কৰে আয়োজন সমিতিৰ সভাপতি নাৰায়ণ ফয়েলে। সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শোণিতপুৰ জিলা সংঘ চালক তথা চিকিৎসক অতুল কুমাৰ কলিতা, বিশ্ব হিন্দু পৰিষদৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰ মন্ত্ৰী কুমুদ বৰঠাকুৰ, RSSৰ জ্যেষ্ঠ কাৰ্যকৰ্তা মিলন দত্ত, ঢেকীয়াজুলি শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্যা জ্যোতি শৰ্মা বৰঠাকুৰ, RSSৰ খণ্ড কাৰ্যবাহ মাণিক কুমাৰ শাহা, আয়োজক সমিতিৰ সম্পাদক ঝণ্টো কটুৱালৰ লগতে দীপক কলিতা, ৰত্ন নেৱাৰ, মানব দাস, দুৰ্গা কাৰ্কী আদি বহুতো সমাজকৰ্মী আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ব হিন্দু পৰিষদৰ ক্ষেত্ৰ মন্ত্ৰী কুমুদ বৰঠাকুৰে বন্তি প্ৰজ্বলন কৰি সন্মিলনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। তেখেতে নিজৰ ভাষণত কয় যে, হিন্দু সমাজৰ ঐতিহ্য, সংস্কৃতি আৰু মূল্যবোধ ৰক্ষা কৰা আজিৰ সময়ৰ অন্যতম প্ৰয়োজন। সনাতনী সমাজৰ ভিতৰত ঐক্য আৰু ভ্ৰাতৃত্ববোধ অটুট ৰাখি সমাজক সংগঠিত কৰিলেহে ভৱিষ্যৎ প্ৰজন্মলৈ এক শক্তিশালী আৰু গৌৰৱময় পৰিচয় হস্তান্তৰ কৰিব পৰা যাব বুলি তেখেতে মন্তব্য কৰে। আদৰণি ভাষণত সমাজসেৱিকা হেমপ্ৰভা শৰ্মা নেৱাৰে উপস্থিত সকলো অতিথি আৰু অংশগ্ৰহণকাৰীক স্বাগতম জনাই কয় যে, এইধৰণৰ সন্মিলনে সমাজৰ মাজত সদ্ভাৱ, সহযোগিতা আৰু নৈতিক শক্তি বৃদ্ধি কৰে। ইয়াৰ পিছতে ৰীভা নেৱাৰে মনোমুগ্ধকৰ বৰগীত পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানৰ পৰিৱেশ ভক্তিময় আৰু আধ্যাত্মিকতাৰে ভৰাই তোলে। বক্তাসকলে নিজৰ নিজৰ বক্তব্যত হিন্দু সমাজৰ সামাজিক দায়বদ্ধতা, সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সমাজৰ সকলো শ্ৰেণীৰ মাজত



সম্প্ৰীতি বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একে সময়তে, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে দেশজুৰি চলি থকা সমাজ সংগঠনৰ কাৰ্যসূচীসমূহৰ বিষয়ে আলোচনা কৰি স্থানীয় লোককো সেই আন্দোলনৰ সৈতে সংযুক্ত হ'বলৈ আহ্বান জনোৱা হয়। সমগ্ৰ সন্মিলনে শিঙৰী অঞ্চলত এক ইতিবাচক আৰু উৎসাহব্যঞ্জক পৰিৱেশ সৃষ্টি কৰাৰ লগতে সামাজিক ঐক্য সুদৃঢ় কৰাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে।

# সংখ্যালঘু ৰাইজক লৈ বিপিএফ দল আগুৱাই আছে ঃ ই.এম. মুন মুন ব্ৰহ্ম



**অসম বাৰ্তা, গোসাঁইগাঁও, ৯ জানুৱাৰী ঃ** আজি গোসাঁইগাঁও পৌৰসভাৰ চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনৰ শপত গ্ৰহণ অনুষ্ঠান সফলভাৱে অনুষ্ঠিত হয়। অনুষ্ঠানত এচিএচ দণ্ডাধীশ অবি সাহাই নৱনিৰ্বাচিত চেয়াৰমেন নৰোপতি ব্ৰহ্ম আৰু ভাইচ চেয়াৰমেন বাচু সাহাক শপত বাক্য পাঠ কৰায়। শপত গ্ৰহণ অনুষ্ঠানত বিপিএফ দলৰ কাৰ্যবাহী সদস্য মুন মুন ব্ৰহ্ম আৰু আন এজন কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীসহ দলৰ বিভিন্ন পৰ্যায়ৰ পদবীধাৰী আৰু কৰ্মীসকল উপস্থিত থাকে। এই উপলক্ষে Central Selection Boardত সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ এজনোৰো নাম অন্তৰ্ভুক্ত নোহোৱাক লৈ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিপিএফ দলৰ কাৰ্যবাহী সদস্য মুন মুন ব্ৰহ্মায়ে কয় যে সংখ্যালঘু ৰাইজক লগত লৈ বিপিএফ দল আগুৱাই গৈ আছে। তাই কয় "আমাৰ দলত ইতিমধ্যে এজনী সংখ্যালঘু কাৰ্যবাহী সদস্য আছে, চাৰিজনৰকৈ অধিক এমচিএলএ আছে। সেয়ে মুছলমান সমাজে বেলেগকৈ কিবা ভাবিলে সেইটো মই নাজানো। এনে ধৰণৰ ভুল বুজাবুজি হ'ব নালাগে।" তাই আৰু কয় যে বিপিএফ দলৰ সৈতে পৰ্যাপ্ত সংখ্যক সংখ্যালঘু বিষয়ববীয়া জড়িত আছে আৰু এই বিষয়ত কোনো ধৰণৰ সমস্যা নাই বুলি মন্তব্য কৰে।

# প্ৰাক্তন গাঁওবুঢ়া ক্ষীৰেশ্বৰ বৰাৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ৯ জানুৱাৰী ঃ** মাজুলীৰ ন-পমুৱা গাঁও নিবাসী তথা প্ৰাক্তন গাঁওবুঢ়া ক্ষীৰেশ্বৰ বৰা ৮৩ বছৰ বয়সত বাধ্যকজনীত কাৰণত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কালি পুৱা প্ৰায় ৭ বজাত মৃত্যু হয়। শ্ৰাস প্ৰশ্বাস জনিত কাৰণত ৭ জানুৱাৰীত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰি চিকিৎসাধীন হৈ আছিল যদিও মৃত্যুক আকোৱালি লয় ব্যক্তিগৰাকীয়ে। গাৱঁৰ লগতে অঞ্চলৰ বিভিন্ন সামাজিক কামৰ লগত জড়িত হৈ থকা বৰাৰ মৃত্যুত সমগ্ৰ অঞ্চলতে শোকঁৰ ছাঁ পৰা লগতে বিভিন্ন দল-সংগঠনে শোঁক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত বৰাই তিনিজন পুত্ৰ, তিনিগৰাকী জীয়ৰীৰ লগতে পৰিয়ালৰ বহু ব্যক্তিক ইহ সংসাৰত এৰি গৈছে।

**মূল পতাকাসহ ৫১খন পতাকা উত্তোলন**

# মাজুলী ভলুকাগুৰি প্ৰাথমিক বিদ্যালয়ত সোণালী জয়ন্তী বৰ্ষ- ২০২৬



**অসম বাৰ্তা, উজনী মাজুলী, ৯ জানুৱাৰী ঃ** মাজুলীৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ভলুকাগুৰি প্ৰাথমিক বিদ্যালয়ত আজি ৯ আৰু ১০ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ ২০২৬ বৰ্ষ অনুষ্ঠিত হৈছে। সোণালী জয়ন্তী প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে আজি পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, ৮ বাজি ৪৫ বজাত বন্তি প্ৰজ্বলন কৰে ফুলনি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক গুনকান্ত বৰাই। পুৱা ৯ বজাত ৫০খন পতাকা উত্তোলন কৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা থকা ৫০জন ব্যক্তিৰ লগতে কিছু প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ লগতে মূল পতাকাখন উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি পদ্মধৰ শইকীয়াই। পুৱা ১০ বজাত স্মৃতি তৰ্পণ কৰে ভাৰতীয় সেনা বাহিনীৰ প্ৰাক্তন সৈনিক সৰেশ্বৰ শইকীয়াই। ১০: ৩০ বজাত বিদ্যালয়খনে ৫০ বছৰ ভৰি দিয়াত বিদ্যালয়ৰ চৌপাশত ৫০ তাকৈ গছপুলি ৰোপণ কৰে গাৱঁৰে বয়োজ্যেষ্ঠ ব্যক্তি টুনীৰাম কলিতা লগতে বহু কেইজন বিশিষ্ট ব্যক্তিৰ লগতে প্ৰাক্তন ছাত্ৰীয়ে। ১১ বজাৰ পৰা অঞ্চলৰ ৬ খক প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক প্ৰতিভা প্ৰদৰ্শন কৰে। বিয়লি ২ বজাৰ পৰা বিদ্যালয়ৰ খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মত বিনিময়, কবিতা পাঠৰ লগতে বহুজন প্ৰাক্তন ছাত্ৰীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰে। সন্ধিয়াৰ পৰা মাজুলীৰ স্থানীয় শিল্পী সকল দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানেৰে দিনতো সামৰণি পৰে। অনুষ্ঠানটো সূচাৰুপে আটঁধৰে প্ৰাক্তন ছাত্ৰ গৌতম শইকীয়াই। ১০ জানুৱাৰী দ্বিতীয় তথা অন্তিম দিনা পুৱা পৰিৱেশ নিকাকৰণৰ পিছতেই পুৱা ৮ বজাত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব আৰু এই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব শ্ৰীৰাম বনমালী দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক অনিল চন্দ্ৰ চমুৱাই। পুৱা ১০ঃ৩০ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হ'ব। বিদ্যালয়ৰ এখন স্মৃতিগ্ৰন্থ "সোণালী-সুভাষ" উন্মোচন কৰিব উজনি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষা ড° জাহ্নৱী লহকৰ বৰুৱাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগু, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে মাজুলীৰ বিভিন্ন দিশত অৰিহণা থকা ৭জন ব্যক্তি। ৰাতিলৈ প্ৰাক্তন ছাত্ৰসকলৰ দ্বাৰা "মুৰাৰি কৃষ্ণ বৰ্বৰিকৰ শিৰদান" ভাওনা প্ৰদৰ্শন কৰিব।

# বিশিষ্ট সাংস্কৃতিক, সমাজকৰ্মী চন্দ্ৰধৰ বৰদলৈৰ ১০০ বৰ্ষীয় ওপজা দিন পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৯ জানুৱাৰী ঃ** যোৰহাট ঢেকীয়াজুলিত জন্ম গ্ৰহণ কৰা বৰ্তমান ন- আলি বঙাল পুখুৰীৰ বাসিন্দা এসময়ৰ কেন্দ্ৰীয় চৰকাৰৰ দক্ষ বিষয়া, প্ৰবীণ সাংস্কৃতিক তথা সমাজকৰ্মী চন্দ্ৰধৰ বৰদলৈৰ শতবৰ্ষত ভৰি দিয়া উপলক্ষে ইয়াৰেই হোটেল জিৰণিৰ মুকলি মঞ্চত জিলাখনৰ নবীন প্ৰবীণ, বিভিন্ন ক্ষেত্ৰৰ ভালেসংখ্যক গণ্য মান্য বিশিষ্ট ব্যক্তি, শুভাকাংক্ষী, গুণমুগ্ধ, আৰু পৰিয়ালবৰ্গৰ উপস্থিতিত তেখেতৰ শতবৰ্ষীয় ওপজা দিন উলহ মালহেৰে পালন কৰা হয়। এই উপলক্ষে নৃত্য, গীতৰ এক মনোৰম সাংস্কৃতিক কাৰ্যসূচীৰ লগতে সুদীৰ্ঘ সময়ছোৱাত তেখেতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে উপস্থিত বিভিন্ন জনে আলোকপাত কৰে। প্ৰবীণ চিকিৎসক অনিমেষ বৰুৱা, যোৰহাট লায়ঞ্চ ক্লাবৰ জেষ্ঠ প্ৰাক্তন গভৰ্ণৰ নেমচন্দ কাৰ্ণানী অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক উত্তম কুমাৰ হাজৰিকা, বিমল কলিতা, নৃত্য শিল্পী তথা নৃত্য মঞ্জিৰাৰ অধ্যক্ষ ভাৰ্গবী ফুকনকে কেন্দ্ৰ কৰি বিভিন্ন জনে ওলগ পত্ৰ, চেলেং চাদৰ, ফুলৰ থোপা, গ্ৰন্থৰ টোপোলাৰে বৰদলৈক শুভেচ্ছা জ্ঞাপন কৰি তেখেতক পৰা আশিস কামনা কৰে। পৰিয়াল বৰ্গৰ হৈ তেখেতৰ কণ্যা অসম তথা ভাৰতৰ এগৰাকী প্ৰসিদ্ধ নৃত্যশিল্পী ৰঞ্জিতা বৰদলৈয়ে অভ্যাগত সকলক আদৰণি জনায়।

# বাগানপাৰাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱস

**অসম বাৰ্তা, বাগানপাৰা, ৯ জানুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবছৰে অসমৰ জাতীয় জীৱনৰ বৰেণ্য শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৱিত্ৰ স্মৃতিত উদ্‌যাপন কৰি আহিছে কেন্দ্ৰীয় শিল্পী দিৱস। এইবেলি বাক্সা জিলাৰ বাগানপাৰাত কেন্দ্ৰীয়ভাৱে অহা ১৬ আৰু ১৭ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। সদৌ বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত, বাগানপাৰা তথা সমগ্ৰ বাক্সা জিলাবাসীৰ আতিথ্য আৰু অভিভাৱকত্বত আয়োজন কৰা এই কেন্দ্ৰীয় শিল্পী দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ -ছাত্ৰী সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা, মুকলি সভা, শিল্পী সম্বৰ্ধনা, গ্ৰন্থমেলা, আৰু থলুৱা হাট, স্মাৰক গ্ৰন্থ উন্মোচন, বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান আদিৰ লগতে বিভিন্ন পৰিৱেশৰ কলাৰ কাৰ্যসূচী ৰূপায়ণৰ পৰিকল্পনা কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ১৬ জানুৱাৰীত মূল তোৰণ, আৰু ৰূপকোঁৱৰ সমন্বয় ক্ষেত্ৰ উন্মোচন, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন, অতিথি গৃহৰ দ্বাৰ উন্মোচন, চিত্ৰাংকণ প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত প্ৰাইজমানি মুকলি কুইজ প্ৰতিযোগিতা, মূলমঞ্চ উন্মোচন, সদৌ অসম ভিত্তিত মুকলি তৰ্ক প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত জ্যোতি সংগীত প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন আৰু স্বাণীয় শিক্ষানুষ্ঠান, শিল্পী আৰু কলাকুশলীৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা স্মৰণ আদি কাৰ্যসূচী। ১৭ জানুৱাৰীত পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব আছুৰ সভাপতি উৎপল শৰ্মাই, স্মৃতি তৰ্পণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সম্পাদক সমীৰণ ফুকনে, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জল ভট্টাচাৰ্য্যই। সাংস্কৃতিক অভিবাদন, মুকলি সভা, স্মাৰক গ্ৰন্থ উন্মোচন, শিল্পী সম্বৰ্ধনা, জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ দেৱৰাজ উপাধ্যায়ে। মুকলি অতিথি হিচাপে অংশগ্ৰহণ কৰিব ড° অনিল শ ইকীয়াই। লগতে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিভিন্ন ছাত্ৰ সংগঠনৰ সভাপতি/ সম্পাদকসকলে।




**গোলাঘাটত ৰাইজৰ পদূলীত ৰাইজৰ কংগ্ৰেছ**

# গোলাঘাটত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ দল-সংগঠনৰ সৈতে মত-বিনিময়




**ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ৯ জানুৱাৰী ঃ** কংগ্ৰেছ দলক কেকৰ লগত তুলনা কৰি বিজেপিক খিচিৰি বুলি মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ। আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে ১০০খন আসনতেই প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ কথা আওপকীয়াকৈ উল্লেখ কৰি প্ৰথমে কোন দলে কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু তাৰ পিছতহে কোন দলে কোনটো সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব সেইয়া চূড়ান্ত কৰা হ'ব। আনহাতে সভাপতিগৰাকীয়ে ৰাইজৰ মতামত গ্ৰহণ কৰি কোনটো সমষ্টিত কোনজন যোগ্য প্ৰাৰ্থী বিবেচনা কৰাৰ কথা উল্লেখ কৰে। গৌৰৱ গগৈয়ে জুবিন গাৰ্গ আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ উল্লেখ কৰে যে হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থাকিলে ন্যায় নাপাই হিয়াৰ আমঠু জুবিন গাৰ্গে। শীঘ্ৰেই শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মা যাতে মুকলি আকাশৰ তললৈ আহিব নোৱাৰে তাৰ বাবে অধিবক্তাৰ দল সাজু কৰিছে কংগ্ৰেছে। অহংকাৰী হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা নকৰি অকলে ঘোষনা কৰিলে যে বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ নহয়। এইখন চৰকাৰে খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ বিৰুদ্ধে কাম কৰা বুলি সোচ্ছাৰ হয় গৌৰৱ গগৈ। সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ ৰাষ্ট্ৰীয় সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক বিকাশ উপাধ্যায়, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ, কাৰ্যকৰী সভানেত্ৰী ৰ'জলীনা তিৰ্কী, উপ সভানেত্ৰী মীনা তেলী, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ক্ৰমে উদীত ভানু দাস, চৰিফুল ৰহমান, সান্তনু বৰুৱা প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ক্ৰমে মনোৰঞ্জন বৰগোহাঁই, অজয় তাঁতী, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচীৰ দায়িত্বত থকা অবিনাশ গগৈ, গংগাজ্যোতি টায়েগাম, মৌচুম বৰুৱা, সুকান্ত ভট্টাচাৰ্য প্ৰমুখ্যে বিষয়-ববীয়া সকলে বিশেষ কাৰ্যসূচী গোলাঘাট জিলাত উপস্থিত হৈ মত-বিনিময় কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মেনুফেষ্টু সমিতিৰ বিষয়-ববীয়া সকলে ৰাইজৰ পৰা পৰামৰ্শ আৰু মতামত গ্ৰহণ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছ দলক শক্তিশালী কৰিবলৈ কাৰ্য ব্যৱস্থা হাতত লৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, সাংসদ গৌৰৱ গগৈৰ নেতৃত্বত গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত জিলাখনৰ বিশিষ্ট ব্যক্তি, দল সংগঠনৰ সৈতে আজিৰ এই কাৰ্যসূচীয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। গোলাঘাট টেনিছ ক্লাৱৰ বিষয়-ববীয়া সকলৰ লগত তেওঁলোকৰ কাৰ্যালয়ত মত-বিনিময় কৰে। ইয়াৰ পাছতেই গোলাঘাট উকীল সন্থাৰ কাৰ্যালয়ত অধিবক্তা সকলৰ লগত মত-বিনিময় কৰে। গোলাঘাট নগৰৰ শুকুন্তলা বিবাহ ভৱনত জিলাখনৰ অৰাজনৈতিক সংগঠনৰ লগত পৃথকে পৃথকে মত-বিনিময় কৰে। শেষত গোলাঘাট জিলাৰ অন্তৰ্গত ৫টা বিধানসভা সমষ্টিৰ প্ৰতিটো ব্লক কংগ্ৰেছৰ নিযুক্তিপ্ৰাপ্ত তত্ত্বাৱধায়ক তথা পৰ্যাৱেশক, ব্লক কংগ্ৰেছৰ সভাপতি সমন্বিতে বিষয়-ববীয়া, মণ্ডল কংগ্ৰেছৰ সভাপতি সকলৰ লগত দলীয় সাংগঠনিক দিশত পৰ্যালোচনা কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছ দলে গ্ৰহণ কৰা এই বিশেষ কাৰ্যসূচীয়ে কংগ্ৰেছৰ দলীয় ৰণকৌশল আৰু সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত নিৰ্বাচনী কুজকাৱজ হিচাপে পৰিগণিত হৈছে।

# বিকশিত ভাৰত জি ৰাম জি জনজাগৰণ সম্পৰ্কত সংবাদমেল

**অসম বাৰ্তা, জিনজিয়া, ৯ জানুৱাৰী ঃ** বিকশিত ভাৰত জি ৰাম জি জনজাগৰণ সংবাদমেল সম্পৰ্কত আজি বিহালীৰ বৰগাং শংকৰদেৱ প্ৰেক্ষাগৃহত সংবাদমেল অনুষ্ঠিত হয়। শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই সম্বোধন কৰা সাংবাদিক মেলত আগৰ এম জি এনাৰেগাৰ নাম সলনি কৰি জি ৰাম জি নামেৰে নামকৰণ কৰা হৈছে। জি ৰাম জি নামেৰে নামকৰণ কৰি পূৰ্বৰ এশ দিনৰ পৰিবৰ্তে এতিয়া ১২৫ দিন শ্ৰমিকে কাম কৰাৰ সুবিধা পাব বুলি সাংসদ গৰাকীয়ে উল্লেখ কৰে। এই সম্পৰ্কত বিৰোধী দল সমূহে এম জি এনাৰেগা বন্ধ কৰা হ'ব বুলি অপপ্ৰচাৰ কৰি থকা সঁচা নহয় বুলিও সাংসদ গৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে ৬০ শতাংশ আৰু ৰাজ্য চৰকাৰৰ ৪০শতাংশ ধনেৰে এই আচনি চলিব। সংবাদমেলত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, গহপুৰৰ উৎপল বৰা, বিশ্বনাথ জিলা বিজেপিৰ সভাপতি অসীম দাস, জিলা প্ৰভাৰী ৰিতুপৰ্ণ শৰ্মা, মুখপাত্ৰ ৰণজিব কুমাৰ শৰ্মা আৰু জিলা সামাজিক মাধ্যমৰ আহ্বায়ক কৃষ্ণ তালুকদাৰ উপস্থিত আছিল।

## সম্পাদকীয়

# অসমৰ আঞ্চলিক ৰাজনীতিত নতুন মূৰ

অসমৰ ৰাজনৈতিক পৰিৱেশত এতিয়া এক নৱপৰ্বৰ সূচনা হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজেন গোহাঁইৰ পিছতে অজিত কুমাৰ ভূঞা নেতৃত্বাধীন ‘জাতীয় দল, অসম’ৰ অসম জাতীয় পৰিষদ (অজাপ)ত আনুষ্ঠানিকভাৱে যোগদানে ৰাজনৈতিক অক্ষ সলনি কৰাৰ ইংগিত দিছে। দিছপুৰত অনুষ্ঠিত এই সংযোজন অনুষ্ঠানটোৱে কেৱল দলীয় একত্ৰীকৰণেই নহয়, বৰঞ্চ অসমৰ জাতীয়তাবাদী শক্তিসমূহৰ পুনৰ্জাগৰণৰো সূচনা বুলি অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে উল্লেখ কৰিছে। নিঃসন্দেহে, ৰাজ্যসভাৰ সাংসদ, সাংবাদিক আৰু বলিষ্ঠ ব্যক্তিত্ব অজিত কুমাৰ ভূঞাৰ এই সিদ্ধান্তই বিৰোধী শিবিৰত নতুন গতিশীলতা আনিব পাৰে। অজিত কুমাৰ ভূঞাই ২০২০ চনত কংগ্ৰেছ, এ আই ইউ ডি এফ, চিপিআই আৰু নিৰ্দলীয় বিধায়কসকলৰ সমৰ্থনত ৰাজ্যসভালৈ নিৰ্বাচিত হৈ বিৰোধী ঐক্য মঞ্চ ‘অসম সন্মিলিত মৰ্চা’ৰ সভাপতিৰ দায়িত্বও পালন কৰি আহিছে। তেওঁৰ নেতৃত্বাধীন দলটোৰ অজাপত যোগদানে জাতীয়তাবাদী ৰাজনীতিৰ ভেঁটি বহলোৱাৰ লগতে ২০২৬ নিৰ্বাচনলৈ বিৰোধী দলসমূহৰ প্ৰস্তুতিৰ মাজত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। বিজেপিৰ মুখপাত্ৰ সুশান্ত নাথৰো একেলগে যোগদানে এই পৰিৱৰ্তনৰ গুৰুত্ব আঙুলিয়ায়। যি কি নহওক, এই ৰাজনৈতিক পুনৰ্গঠনে সাধাৰণ ৰাইজৰ মনত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। প্ৰথমতে, এই নতুন ঐক্য কিমান দিন স্থায়ী হ’ব? ইয়াৰ পৃষ্ঠভূমিত থকা ৰাজনৈতিক আৰু ব্যক্তিগত গণিতেই বা কি? দ্বিতীয়তে, অজিত কুমাৰ ভূঞাৰ ৰাজ্যসভাৰ কাৰ্যকাল ২০২৬ চনত সমাপ্ত হ’ব। তেতিয়া তেওঁ সক্ৰিয় ৰাজনীতিত থাকিব নে নাই? তৃতীয়তে, এই সংযোজনৰ মুখ্য উদ্দেশ্য নে— নিৰ্বাচনী ফলাফল সলনি কৰা নে অসমৰ মূল সমস্যা, যেনে নাগৰিকত্বৰ সংকট, অৰ্থনৈতিক অনাটন, সাংস্কৃতিক অধিকাৰ ৰক্ষাৰ দীৰ্ঘকালীন যুঁজ? চতুৰ্থতে, ৰাজেন গোহাঁই আৰু অজিত কুমাৰ ভূঞাৰ দৰে প্ৰভাৱশালী ব্যক্তিত্বৰ আগমনৰ পিছতো অজাপৰ মূল নীতি আৰু সংগঠনৰ স্বকীয়তা অক্ষুণ্ণ থাকিব নে ব্যক্তিত্বকেন্দ্ৰিক হৈ পৰিব? পঞ্চমতে, এই ঐক্যৰ বাবে সাধাৰণ ৰাইজৰ পৰা যি আশা আৰু সমৰ্থন লাভ কৰা হ’ব, সেয়া নীতি আৰু কৰ্মদক্ষতাৰে সফল কৰি তোলা সম্ভৱ হ’ব নে? আনহাতে, গণতন্ত্ৰত বিৰোধী দলৰ শক্তিশালী ঐক্য এক প্ৰয়োজনীয় উপাদান। কিন্তু কেৱল নিৰ্বাচনী সুবিধাৰ বাবে হোৱা মিলনৰ ফলত প্ৰায়েই নীতিৰ পৰাজয় ঘটে। গতিকে, এই নতুন মূৰে অসমক এক শক্তিশালী বিকল্প দিব পাৰেনে, নাইবা ৰাজনৈতিক অস্থিৰতাৰহে সূচনা কৰিব, সেয়া এক চিন্তাৰ বিষয়। অন্ততঃ, এই যোগদানে অসমৰ ৰাজনীতিত এক নতুন সম্ভাৱনাৰ দুৱাৰ মেলিছে। যদি এই ঐক্য স্থায়ী হয় আৰু অসমৰ স্বাভিমান, অৰ্থনৈতিক স্বাৱলম্বন, সাংস্কৃতিক পৰিচয়ৰ দৰে মৌলিক প্ৰশ্নসমূহৰ ওপৰত ভেটি দিয়েহে, তেন্তে ই ২০২৬ চনত এক বলিষ্ঠ পৰিৱৰ্তনৰ সন্ধান দিব পাৰে। কিন্তু ৰাইজৰ সচেতন দৃষ্টিৰ প্ৰয়োজন, কাৰণ দলীয় একত্ৰীকৰণৰ চক্ৰান্তত নহয়, বৰঞ্চ নীতি আৰু স্পষ্ট কৰ্মপন্থাইহে প্ৰকৃত পৰিৱৰ্তন আনিব পাৰে।

# যুৱ উচ্ছৃংখলতা আৰু আজিৰ সমাজ

বৰ্তমান সমাজ ব্যৱস্থাত এটি মন কৰিবলগীয়া বিষয় হৈছে যুৱ উচ্ছৃংখলতা। বৰ্তমান সময়ত যুৱ সমাজ এখনেহে দেশৰ ভৱিষ্যত নিৰ্ধাৰণ কৰে। যুৱ শক্তিক কেন্দ্ৰ কৰি গা কৰি উঠা প্ৰধান সমস্যা যুৱ উচ্ছৃংখলতাই ভয়াবহ ৰূপ লৈ উঠিছে। পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাত এচাম যুৱক-যুৱতীয়ে আত্ম নিয়ন্ত্ৰণ হেৰুৱাৰ ফলতেই যুৱ উচ্ছৃংখলতাৰ সৃষ্টি হয়। যুৱ সমাজৰ এচাম বিপথে পৰিচালিত হোৱাৰ মূল কাৰণেই হৈছে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থা। এটি শিশুৱে জন্ম হোৱাৰে পৰা পৰিয়ালৰ লোকসকলক অনুসৰণ কৰে। অসমীয়াত এটি প্ৰবচনে আছে যে - “মাক চাই জীয়েক” আৰু “বাপেক চাই পুতেক”, এই প্ৰবচনটিয়ে পৰিয়ালক অনুকৰণ কৰাৰ কথাই বুজাইছে।

বৰ্তমান সমাজ খনেই বন্ধনহীন, উন্মুক্ত সমাজ। এনে সমাজ ব্যৱস্থাত অভিভাৱকৰ সময়োপযোগী নিয়ন্ত্ৰণ অবিহনে যুৱ মানসত যুৱ উচ্ছৃংখলতাৰ সৃষ্টি হৈছে। বৰ্তমানত ভাৰতত প্ৰৱেশ কৰা পশ্চিমীয়া সংস্কৃতিয়ে গাঁও-ভুঁই নগৰ-চহৰ সকলো গ্ৰাস কৰি আহিছে। এটা সময়ত ৰেডিঅ’ৰ অনুষ্ঠানতে সকলো মানুহে দেশৰ বাতৰি লোৱাৰ সুবিধা আছিল কিন্তু এতিয়া আৰু সেই দিন নাই। জাতীয় উৎসৱ বিহু, তিথি তথা অন্যান্য উৎসৱ পাৰ্বণত যুৱ সমাজৰ কোনো গুৰুত্ব নোহোৱা হ’ল। যুৱক-যুৱতীসকলৰ যি কোনো উৎসৱৰ ভাল দিশটো গুৰুত্ব নিদি কেৱল নিচা জাতীয় দ্ৰব্য সেৱনৰ প্ৰতি আসক্তি বাঢ়িব ধৰিছে। উচ্ছৃংখলতাই যুৱ সমাজক ইমানেই দ কৈ সিপাইছে যে আজিৰ ডেকা গাভৰু সকলৰ কাষেৰে পাৰ হৈ যাওঁতে জেষ্ঠ লোক সকল সাবধান হৈ চলিবলগীয়া পৰ্যায় পাইছে। আজিৰ এচাম যুৱকক অনবৰতে মদ, ভাং, ধপাত, বিড়ি সেৱন কৰাৰ লগতে শিখৰ, গুটখা আদি বিভিন ধৰণৰ মুখৰোচক সামগ্ৰী মুখত লৈ ফুৰা দেখা যায়। কোনোবাখিনিত জেষ্ঠজনৰ প্ৰতি যেন সন্মান নোহোৱাই পৰিলক্ষিত হয়। এনে নিচা যুক্ত দ্ৰব্যৰ পৰা যুৱ সমাজক আতৰাব নোৱাৰিলে সমাজ লৈ অচিৰেই বিভীষিকা নামি অহাৰ সম্ভাৱনীয়তাক কোনেও নুই কৰিব নোৱাৰে।




আজিৰ একাংশ যুৱতীয়ে নিজকে জনপ্ৰিয় কৰি তুলিবলৈ অশালীন সাজ-পোছাক পৰিধান কৰি সামাজিক মাধ্যমত তোল পাৰ লগাব ধৰিছে। এইবোৰৰ কাৰণে দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ আখৰেৰে ধৰ্ষণ, বলাৎকাৰ আদি প্ৰকাশ পায়। এনে দিশবোৰ এৰাই চলিব পাৰিলে উঠি অহা নৱ প্ৰজন্মৰ বাবে মংগলদায়ক। যুৱ উচ্ছৃংখলতাই ব্যক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ, ৰাজনীতি আদি সকলোতে ঋণাত্মক প্ৰভাৱ পেলায়। ইয়াৰ বাবে নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হোৱাৰ লগতে ঘৰুৱা পৰিৱেশো হ’ব লাগিব আধ্যাত্মিকতাসম্পন্ন।

*ভাস্বতী কলিতা*
*ভেকুৱা, দৰং*
*ফোন ঃ ৬৯০০৯৫৭২০৭*

মুখা শিল্প ভাৰতৰ এক প্ৰাচীন পৰম্পৰা। ধৰ্মীয় আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বন আৰু প্ৰাথমিক নাট্যকলাত ব্যৱহৃত বিভিন্ন মুখাৰ নিৰ্দৰ্শনেই প্ৰমাণ কৰে ইয়াৰ পুৰণি ইতিহাস আৰু প্ৰচলনৰ সন্ধালনি ধাৰাক। ইয়াৰ উপৰিও গৃহ দেৱতা অথবা অপশক্তি বিনাশকৰ প্ৰতীক ৰূপে, কৃষি চক্ৰ উদ্‌যাপন তথা সামাজিক আচাৰ-অনুষ্ঠানতো মুখাৰ ব্যৱহাৰ হৈ আহিছে। উদাহৰণ স্বৰূপে ধাননিত চৰাই খেদিবলৈ বাঁহ আৰু খেৰেৰে সজোৱা টেকেলি মুখৰ পুতলাটো, ঘৰৰ শাকনি বাৰীত মুখ নালাগিবলৈ লগোৱা আঁক-বাঁক টেকেলিটো, অপশক্তি নাশিবৰ বাবে ঘৰৰ সমুখত লগোৱা বাস্তুদেৱৰ মুখৰ আৰ্হিখন অথবা শিশুৱে খেলা দৰা-কইনাৰ পুতলাবোৰো জানো এই মুখা শিল্পৰে আদিম আৰু অপৰিপক্ক ৰূপ নহয়?

# ভাৰতৰ প্ৰাগৈতিহাসিক গুহাৰ পৰা মাজুলীলৈ

বিষয়বস্তুৰ গভীৰতালৈ যোৱাৰ আগতে আহকচোন আমি জানি লওঁ মুখানো কি? মুখা হ’ল মানুহে মুখত পৰিধান কৰা এবিধ মুখাকৃতিৰ ঢাকনি। শতিকা জুৰি বিভিন্ন সময়ত আৰু বিভিন্ন সংস্কৃতিত মানুহে নিজৰ পৰা নিজকে এক ভিন্ন পৰিচয়েৰে দাঙি ধৰিবলৈ মুখাৰ ব্যৱহাৰ কৰি আহিছে। কেতিয়াবা একোটা কাহিনী বৰ্ণনা কৰিবলৈ, দেৱ-দেৱীক আৱাহন কৰিবলৈ, সুৰক্ষা, উদযাপন অথবা ব্যক্তি সীমাৰ উৰ্দ্ধত থকা কোনো এক গভীৰ অৰ্থ প্ৰকাশ কৰিবলৈও মানুহে মুখাৰ ব্যৱহাৰ কৰে। মুখাই এফালে যদি কাৰোবাক ঢাকি ধৰে, আনফালে আকৌ আন কাৰোবাক উন্মোচন কৰি অথবা ৰূপান্তৰ ঘটাই একোটা চৰিত্ৰ তথা কাহিনীক এক নতুন মাত্ৰা দিয়ে। মানবীয় অভিব্যক্তিৰ প্ৰাকৃতিক সীমা অতিক্ৰম কৰি কোনো কথা বা কাহিনী বৰ্ণনা কৰিবলৈ এই মুখায়েই মুখ্য মাধ্যম হৈ প্ৰতিজন দৰ্শকৰ সতে এক যোগসূত্ৰ স্থাপন কৰে।

মুখা গঢ়াও এক শিল্প। এই শিল্প ভাৰতৰ এক প্ৰাচীন পৰম্পৰা। ধৰ্মীয় আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বন আৰু প্ৰাথমিক নাট্যকলাত ব্যৱহৃত বিভিন্ন মুখাৰ নিদৰ্শনেই প্ৰমাণ কৰে ইয়াৰ পুৰণি ইতিহাস আৰু প্ৰচলনৰ সন্ধালনি ধাৰাক। ইয়াৰ উপৰিও গৃহ দেৱতা অথবা অপশক্তি বিনাশকৰ প্ৰতীক ৰূপে, কৃষি চক্ৰ উদযাপন তথা সামাজিক আচাৰ-অনুষ্ঠানতো মুখাৰ ব্যৱহাৰ হৈ আহিছে। উদাহৰণ স্বৰূপে ধাননিত চৰাই খেদিবলৈ বাঁহ আৰু খেৰেৰে সজোৱা টেকেলি মুখৰ পুতলাটো, ঘৰৰ শাকনি বাৰীত মুখ নালাগিবলৈ লগোৱা আঁক-বাঁক টেকেলিটো, অপশক্তি নাশিবৰ বাবে ঘৰৰ সমুখত লগোৱা বাস্তুদেৱৰ মুখৰ আৰ্হিখন অথবা শিশুৱে খেলা দৰা-কইনাৰ পুতলাবোৰো জানো এই মুখা শিল্পৰে আদিম আৰু অপৰিপক্ক ৰূপ নহয়?

মধ্য ভাৰতৰ ভীমবেটকা (Bhimbetka) নামৰ ঠাইত উদ্ধাৰ হোৱা প্ৰস্তৰ যুগৰ এটা গুহাত খ্ৰীঃপূঃ ১৫০০০ বছৰৰো আগৰ জন্তুৰ মুখা পিন্ধা মানুহৰ কিছুমান নক্সা পোৱা গৈছে। তদুপৰি ভাৰতৰ বিভিন্ন প্ৰান্তত এনে কিছুমান সাংস্কৃতিক পৰম্পৰা আছে, য’ত অতীজৰে পৰা মুখাৰ ব্যৱহাৰ বহুলভাৱে হৈ আহিছে। যেনে - ৰামায়ণ-মহাভাৰতৰ কাহিনী বৰ্ণোৱা পশ্চিম বংগ, উৰিষ্যা আৰু ঝাৰখণ্ডৰ ‘চাও নৃত্য’ (Chhau dance)ৰ বিৰাটাকায় মুখা, তেলেংগানাৰ ‘চেৰিয়াল’ (Cheriyal) মুখা, কেৰেলাৰ কথাকলি নৃত্যৰ বিশেষ মুখা আৰু অংগসজ্জা; মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু ছত্ৰিছগড়ৰ লাউৰ খোলাৰে বনোৱা জনজাতীয় মুখা আদি।

অসমতো বহু আগৰে পৰা মুখাৰ প্ৰচলন হৈ আহিছে। শ্ৰীমন্ত শংকৰদেৱে পদ্ধতিগতভাৱে মুখা শিল্পৰ প্ৰচলন কৰি অসমীয়া সত্ৰীয়া সংস্কৃতিলৈ এক নতুন জাগৰণ অনাৰ বহু আগৰে পৰাই অসমত আৰু বিশেষকৈ নামনি অসমৰ বঙাইগাঁৱত ‘কুঁহিলা’ শিল্পৰ প্ৰচলন আছিল। কুঁহিলা (Kuhila) এবিধ পানীত হোৱা জুপুহা কোমল উদ্ভিদ। ইয়াৰ গা-গছ আৰু মজ্জাৰ পৰা মালাকাৰসকলে পুতলা নাচ আৰু ধৰ্মীয় আৰু পাৰম্পৰিক উৎসৱৰ বাবে প্ৰয়োজন হোৱা মুখাসমূহ তাহানিৰে পৰা পুৰুষানুক্ৰমে তৈয়াৰ কৰি আহিছে। আনহাতে গোৱালপাৰাৰ ফালে, বিশেষকৈ ৰাভাসকলে ‘ওজাপালি’ নৃত্যৰ দৰে পৰিৱেশন কৰা ‘ভাৰী গীত’তো কাঠৰ মুখা ব্যৱহাৰ কৰি আহিছে। ই এক ধৰ্মীয় অনুষ্ঠান।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমৰ মুখা শিল্পৰ খনিকৰ বুলি কোৱা হয়। অংকীয়া নাট আৰু ভাওঁনাত মুখাৰ ব্যৱহাৰ আৰু প্ৰচলন কৰি তেখেতে অসমৰ সত্ৰীয়া সংস্কৃতিত এক নতুন ধাৰাৰ সূচনা কৰে। অৱশ্যে শংকৰদেৱ এই শিল্পৰ উদ্ভাৱক নাছিল। আছিল ৰূপান্তৰৰ অগ্ৰদূতহে। অতীজৰে পৰা চলি অহা সৰল আৰু প্ৰাথমিক মুখা সমূহক তেখেতে সুসংযত, পদ্ধতিগত আৰু পৰিশীলিত ৰূপত এক উচ্চ স্তৰলৈ তুলি নি প্ৰাথমিক এই শিল্পক এক নতুন পৰিচয়হে দিছিল।

১৫০০ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ধৰ্মৰ বাণী বিয়পাবলৈ তেখেতে নৃত্য, গীত, নাট আৰু ভাওঁনাক মাধ্যম হিচাপে ব্যৱহাৰ কৰে। ভাওঁনাৰ বিশেষ চৰিত্ৰ সমূহক আৰু মূৰ্তমান কৰি তুলিবৰ উদ্দেশ্যে তেখেতে মুখাৰ সহায় লয়। নিজ হাতেৰেই ভাৰৱীয়া আৰু ঐশ্বৰিক চৰিত্ৰৰ বাহনবোৰৰ মুখা তৈয়াৰ কৰি গুৰুজনাই সেইবোৰ ভাওঁনাত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। নিজেই হাতে-কামে লাগি পুৰণিক ন-ৰূপ দি ধৰ্মীয় বাৰ্তাক এইদৰেই জনসাধাৰণৰ মাজলৈ লৈ আহি গুৰুজনাই এক নতুন আদৰ্শ দাঙি ধৰে। এই কথা শ্ৰীৰামচৰণ ঠাকুৰৰ ‘চৰিত পুথি’তো উল্লেখ আছে। ঠিক তেনেদৰে ৰাসলীলাতো মুখাৰ বহুল প্ৰচলন হৈ আহিছে।

বৰদোৱাত থাকোঁতেই ১৪৬৮ খ্ৰীঃত তেখেতৰ ‘চিহ্নযাত্ৰা’ নাটৰ জৰিয়তে অসমত প্ৰথমবাৰলৈ আনুষ্ঠানিকভাৱে মুখাৰ ব্যৱহাৰ হয়। ‘চিহ্নযাত্ৰা’ গুৰুজনাৰ প্ৰথমখন নাট। ইয়াত কোনো সংলাপ নাছিল। নৃত্য, গীত, বাদ্য আৰু গতিশীল চিহ্নৰ জৰিয়তে কাহিনীভাগ আগবঢ়াৰ বাবে ইয়াৰ নাম হ’ল ‘চিহ্নযাত্ৰা’। বৈকুণ্ঠ লোকত ভগৱান বিষ্ণুৰ স্থিতিক এই নাটকত উপস্থাপন কৰা হৈছিল। নাটত ব্যৱহাৰ হোৱা চৰিত্ৰ সমূহ ক্ৰমে ব্ৰহ্মা, গৰুড় আৰু মহাদেৱৰ বাবে তাত মুখাৰ ব্যৱহাৰ হৈছিল। সেয়াই আৰম্ভণি।

## শুভলক্ষ্মী বুঢ়াগোহাঁই

সময় আগবঢ়াৰ লগে লগে নৱ বৈষ্ণৱ ধৰ্মই প্ৰসাৰ লাভ কৰিবলৈ আৰম্ভ কৰে। অসমৰ বিভিন্ন স্থানত সত্ৰসমূহ স্থাপন হয়। আৰু ইয়াৰ লগে লগে সেই সত্ৰসমূহত, বিশেষকৈ মাজুলীত সত্ৰীয়া সংস্কৃতিৰ সমানে সমানে পৰিকল্পিত আৰু পৰিশীলিত ৰূপত মুখা শিল্পইও ঠন ধৰি উঠে। বৰ্তমান মাজুলীৰ চামগুৰি সত্ৰ এই মুখা শিল্পৰ বাবে জগত বিখ্যাত। মুখা শিল্পক বিচাৰি অহা দেশী-বিদেশী পৰ্যটকৰ বাবে চামগুৰি সত্ৰ এতিয়া আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিছে। আমাৰ বাবে ই এক সুখবৰ।

এখন মুখা তৈয়াৰ কৰাটোও এটা ডাঙৰ শিল্প। তাৰ বাবে মুখা শিল্পীসকলে নিজকে উৎসৰ্গিত কৰিব লাগে। মুখা এখন তৈয়াৰ কৰিবলৈ বহুবোৰ কেঁচা সামগ্ৰীৰ প্ৰয়োজন হয়। যেনে - বাঁহ, বেত, কপাহী কাপোৰ, গৰুৰ গোবৰ, কুমাৰ মাটি, কুঁহিলা, মৰাপাট, কলগছৰ আঁহ আদি। প্ৰাকৃতিক ৰঙৰ বাবে হেঙুল (ৰঙা), হাইতাল (হালধীয়া), ধবল মাটি (বগা), নীল (নীলা), মিঠাতেল দিয়া মাটিৰ চাকিৰ ছাঁই (ক’লা), গছৰ গুটি, বাকলি, পাত (সেউজীয়া) আৰু আঠাৰ বাবে বেলৰ আঠা, তেতেলী বা গমৰ আঠা আদিয়েই প্ৰধান।

মুখা এখন তৈয়াৰ কৰোঁতে প্ৰথমে জাতি বাঁহৰ মিহিকৈ চুঁচি লোৱা কাঠি বা তমালেৰে সঁজাটো গঢ়ি লোৱা হয়। তাৰ পিছত কপাহী কাপোৰত বোকা মাটি সানি তাক সঁজাটোত লিপিট খুৱাই শুকাবলৈ দিয়া হয়। শুকালে তিনিভাগ গোবৰত এভাগ কুমাৰ মাটি ভালকৈ খচি মিহলাই সজাটোৰ ওপৰত চৰিত্ৰ অনুযায়ী চেহেৰা দি পুনৰ ৰ’দত শুকাবলৈ দিয়া হয়। আকৌ এবাৰ তাৰ ওপৰত বোকা মাটি সনা কপাহী কাপোৰ মেৰিয়াই মুখাখন মিহি কৰি ৰ’দত শুকোওৱা হয়। সম্পূৰ্ণকৈ শুকালে মুখাৰ ওপৰত বগা চক মাটি সানি তাক বগা কৰি লোৱা হয়। তেনে কৰিলে ৰঙবোৰ উজ্জ্বলকৈ ফুটি উঠে। শেষত ৰং-তুলিকাৰে মুখাখন সজাই জীৱন্ত ৰূপ দি তাক ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। চুলিৰ বাবে মৰাপাট বা কলগছৰ আঁহ ব্যৱহাৰ কৰি তাত প্ৰয়োজন অনুসৰি ক’লা বা বগা ৰঙ সানি দিয়া হয়। এনেকৈয়ে এখন মুখা তৈয়াৰ হয়।

মুখাৰ বহুবোৰ ভাগ আছে। চাৰিত্ৰিক মুখাক মুখ্যত দুটা ভাগত ভগোৱা হয়। যেনে -

১. লৌকিক মুখা - পাৰ্থিৱ চৰিত্ৰ যেনে ৰজা, অসুৰ, জন্তু আদিক চৰিত্ৰায়িত কৰিবলৈ এই মুখাৰ ব্যৱহাৰ হয়।

২. অলৌকিক মুখা - দেৱতা, দানৱ, ঐশ্বৰিক শক্তি থকা পৌৰাণিক চৰিত্ৰ যেনে - গৰুড়, নৰসিংহ, কালীয় আদিক বুজাবলৈ ব্যৱহাৰ কৰা মুখাক অলৌকিক মুখা বোলে।

আনহাতে, আকাৰ আৰু গঠনৰ আধাৰত মুখাক পুনৰ আন তিনিটা ভাগত ভগোৱা হৈছে। যেনে -

১. বৰ মুখা - অতিজাগতিক, ভয় লগা বিশেষ চৰিত্ৰ সমূহ যেনে - ৰাৱণ, নৰসিংহ, জটায়ু, গৰুড় আদিক চৰিত্ৰায়িত কৰিবৰ বাবে এই বিধ মুখাৰ ব্যৱহাৰ হয়। এই বিধ মুখাৰ দুটা ভাগ ক্ৰমে - শিৰ ভাগ আৰু গা ভাগক পৃথকে পৃথকে নিৰ্মাণ কৰি উলিওৱা হয়। মুখায়ে সৰ্বশৰীৰ ঢাকি ৰাখে। পৰিৱেশনৰ সময়ত দুয়োভাগ একেলগে পিন্ধি চৰিত্ৰত অভিনয় কৰা হয়। প্ৰয়োজন সাপেক্ষে পাখি, নেজ, বাহু, দাঁত আদিও যোৱা লগাই তাক সঞ্চালন কৰিব পৰা কৰি লোৱা হয়। এইবিধ মুখা যথেষ্ট গধুৰ হোৱাৰ উপৰিও কমেও ৮-১২ ফুট ওখ হয়। সেয়েহে এইবিধ মুখাক বৰ মুখা বোলে।

২. লোটোকৰী বা লোটোকাই মুখা - এইবিধ মুখাও বৰ মুখাৰ দৰেই দুটা ভাগত তৈয়াৰ কৰা হয় যদিও মুখাই গোটেই শৰীৰটো ঢাকি নাৰাখে। মূৰৰ পৰা বুকু বা কঁকাললৈকেহে ইয়াক গঢ়ি উলিওৱা হয়। শিৰভাগ মূৰত লিপিত খাই লাগি ধৰে। ফলত থুতৰিৰ সঞ্চালনৰ লগে লগে মুখাখনেও কথা ক’ব পৰা হয়। এইদৰেই সবাক মুখাৰ সৃষ্টি হয়। পুতনা, তাৰকা, বকাসুৰ আদিৰ বাবে এনে মুখাৰ প্ৰয়োজন হয়।

৩. মুখ মুখা - এই মুখাই কেৱল মুখ মণ্ডলহে আৱৰি ৰাখে। মুখাৰ সতে মিলাই সাজ-সজ্জা পৰিধান কৰা হয়। মানৱ অথবা সৰু জীৱ-জন্তু আদিক বুজাবলৈ এনে মুখাৰ ব্যৱহাৰ হয়। যেনে - মাৰিচ, সুপৰ্ণশা, সুবাহু আদি। এইবিধ মুখা যথেষ্ট পাতল আৰু আটাইতকৈ বেছি ব্যৱহৃত মুখা।

একোখনকৈ মুখা তৈয়াৰ কৰোঁতে যথেষ্ট কষ্ট আৰু সময়ৰ প্ৰয়োজন হয়। এখন মুখ মুখা তৈয়াৰ কৰোঁতেই তিনি-চাৰি দিন সময় লাগে। আনহাতে লোটোকৰী মুখাত ১৫-২০ দিনৰ বিপৰীতে একোখন বৰ মুখাত দুমাহ পৰ্যন্ত সময় লাগি যাব পাৰে। লগতে যথেষ্ট অধ্যৱসায়ৰো প্ৰয়োজন হয়।

পৰম্পৰাগতভাৱে ৰাস আৰু ভাওঁনাৰ কিছু চৰিত্ৰৰ বাবেহে মুখা ব্যৱহাৰ হয় যদিও কোনো কোনো কাহিনীত কেৱল মুখাৰেই গোটেই ভাওঁনাখন কৰি পেলোৱা হয়। ইয়াকে মুখা ভাওঁনা বোলে। সুন্দৰ মুখাৰ লগতে অংগ সঞ্চালনৰ উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰদৰ্শন কৰা এই ভাওঁনা সমূহে বৰ্তমান বিশ্ব দৰবাৰতো বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

অসমৰ পাৰম্পৰিক এই মুখা শিল্পকলাক বৰ্তমান মাজুলীৰ চামগুৰি সত্ৰই এক নতুন মাত্ৰা দিছে। চামগুৰি সত্ৰৰ প্ৰাক্তন সত্ৰাধিকাৰ স্বৰ্গীয় কোষকান্ত দেৱগোস্বামীয়ে তেখেতৰ একক প্ৰচেষ্টাৰে বিভিন্ন প্ৰদৰ্শনী আৰু সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰি মাজুলীৰ মুখা শিল্পক বিশ্ব দৰবাৰলৈ উলিয়াই আনে। তেখেতৰ এই অনবদ্য প্ৰচেষ্টাক শলাগি ২০০৩ চনৰ ‘সংগীত-নাটক অকাডেমী বটা’ তেখেতলৈ আগবঢ়োৱা হয়। ২০২০ চনৰ গণতন্ত্ৰ দিৱসৰ পেৰেডত অসমৰ মুখাশিল্পক প্ৰদৰ্শন কৰা হৈছিল। সেই বছৰ অসমে স্বপ্ৰতিভাৰে দেশৰ অন্যান্য প্ৰতিযোগী ৰাজ্যসমূহক চেৰ পেলাই নিজ ৰাজ্যলৈ শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। সেই বছৰেই সত্ৰাধিকাৰ কোষকান্ত দেৱগোস্বামীকো মুখাশিল্পৰ সংৰক্ষণ আৰু সম্প্ৰচাৰত তেখেতে আগবঢ়োৱা অৱদানৰ বাবে মৰণোত্তৰভাৱে ‘Republic Day Tableau Award’ আগবঢ়োৱা হয়। তেখেতৰ মৃত্যুৰ পিছত (২০০৪) তেখেতৰে সুযোগ্য পুত্ৰ ড° হেমচন্দ্ৰ গোস্বামীয়ে সত্ৰাধিকাৰৰ গুৰু দায়িত্ব মূৰ পাতি লয়। পিতৃৰ আদৰ্শকে অনুসৰণ কৰি তেখেতেও অসমৰ এই অমূল্য শিল্পকলাক সংচালনিকৈ আগবঢ়াই নিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। নৱপ্ৰজন্ময়ো এই শিল্পক মৰমেৰে আঁকোৱালি লোৱা পৰিলক্ষিত হৈছে।

বৰ্তমান এই মুখাৰ ব্যৱহাৰ কেৱল ভাওঁনা তথা ধৰ্মীয় কাৰ্য্যতে সীমাবদ্ধ নাথাকি উৎসৱ-পাৰ্বন, সভা-সমিতি, গৃহসজ্জা আনকি উপহাৰ আদিতো ব্যৱহাৰ হ’বলৈ আৰম্ভ কৰিছে। ই এক শুভ লক্ষণ। ইয়াৰ জৰিয়তে মুখাৰ জনপ্ৰিয়তা বাঢ়ি অহাৰ লগতে মুখাশিল্পীসকলৰ বাবেও উপাৰ্জনৰ বাট মুকলি হৈছে। তেওঁলোকৰ আৰ্থিক সচ্ছলতা বাঢ়িছে। দেশে-বিদেশেও এই শিল্পক নতুনকৈ চিনিবলৈ আৰম্ভ কৰিছে।

লণ্ডনৰ ‘বৃটিছ মিউজিয়াম’তো অসমৰ পৰম্পৰাগত মুখাশিল্পক সংৰক্ষণ আৰু প্ৰদৰ্শন কৰি অহা হৈছে। ইয়াৰ উপৰিও ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু সাংস্কৃতিক প্ৰতিষ্ঠান, বিশ্ববিদ্যালয়ৰ সংগ্ৰহালয়, বিমান বন্দৰ আদিতো এই মুখা সমূহ সংৰক্ষিত হৈ আছে। চামগুৰি সত্ৰৰ লগতে মাজুলীৰ অন্যান্য সত্ৰসমূহেও বহু আগৰে পৰাই মুখাশিল্পৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ কাৰণে অহৰহ প্ৰচেষ্টা চলাই আহিছে।

মাজুলীৰ মুখাশিল্পই ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা সন্মানীয় GI Tag ও লাভ কৰিছে। মুখাশিল্পৰ এই অনন্য সাংস্কৃতিক আৰু কলাত্মক ঐতিহ্যক সন্মান জনাই ২০২৪ চনৰ ৪ মাৰ্চ তাৰিখে ইয়াক এই স্বীকৃতি প্ৰদান কৰা হয়। এই স্বীকৃতিয়ে মুখাশিল্পৰ সংৰক্ষণক মান্যতা দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰয়োজনীয়তাত এক ন্যায্যিক মোহৰ মাৰে।

মুখাশিল্প আমাৰ গৌৰৱ; আমাৰ পৰিচয়। আহক, আমি সকলোৱে এই শিল্পক জীয়াই ৰখাত সহায়ৰ হাত আগবঢ়াও। কিন্তু কেনেকৈ? ...... আমি সকলোৱে নিজ নিজ ঘৰত একোটাকৈ মুখা সজাব নোৱাৰোনে? মই চেষ্টা কৰিছো। আপুনি কি ভাৱে?

# বিদ্যালয়ত অসম বুৰঞ্জী-ভূগোলৰ সুকীয়া পাঠ্যক্ৰম ঃ এক ইতিবাচক পদক্ষেপ

ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ পৰামৰ্শ অনুসৰি অসম চৰকাৰৰ কেবিনেটে বিদ্যালয় সমূহৰ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ বাবে অসম বুৰঞ্জী আৰু অসম ভূগোলৰ সুকীয়া পাঠ্যক্ৰম প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পাঠ্যক্ৰম বাধ্যতামূলক হ’ব আৰু শিক্ষাৰ্থীসকলে প্ৰতিটো বিষয়ত ৫০ নম্বৰৰ পৰীক্ষাত অৱতীৰ্ণ হ’ব লাগিব। ৰাজ্যৰ শিক্ষাব্যৱস্থাত এই সিদ্ধান্ত স্বাভাৱিকভাৱে চৰ্চাৰ বিষয় হৈ উঠিছে। একেদৰে ইয়াত যথেষ্ট সম্ভাৱনা আছে, লগতে কিছুমান গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানো স্পষ্টকৈ দেখা যায়।




দীৰ্ঘদিন ধৰি অসম বুৰঞ্জী আৰু ভূগোল সাধাৰণ পাঠ্যক্ৰমৰ ভিতৰত সীমিত পৰিসৰত আৱদ্ধ হৈ আছিল। ফলত বহু শিক্ষাৰ্থীয়ে নিজ ৰাজ্যৰ ইতিহাস, সমাজগত ৰূপান্তৰ, ভাষা—সংস্কৃতিৰ বিকাশ আৰু ভূ-প্ৰাকৃতিক বৈশিষ্ট্যসমূহ সম্পূৰ্ণভাৱে বুজি পোৱাৰ সুযোগ নাপালে। সুকীয়া পাঠ্যক্ৰমে সেই অভাৱ পূৰণ কৰিব বুলি আশা কৰা হৈছে। আহোম যুগৰ প্ৰশাসন ব্যৱস্থা, স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা, অসমৰ ভাষা আন্দোলন, জনজাতীয় সমাজৰ অৱদান, লগতে নদ-নদী, বান, ভূমিকম্প, কৃষি আৰু প্ৰাকৃতিক সম্পদৰ দৰে বিষয়সমূহ শিক্ষাৰ্থীৰ বাবে অধিক সুস্পষ্ট আৰু অৰ্থপূৰ্ণ হৈ উঠিব।

ইয়াৰ এটা ডাঙৰ সুফল হ’ল শিক্ষাৰ্থীৰ মাজত নিজৰ ঠাই খনক লৈ থকা পৰিচয়বোধ আৰু দায়িত্ববোধ অধিক শক্তিশালী হ’ব। নিজৰ সমাজ আৰু পৰিৱেশ বুজি পোৱা শিক্ষাৰ্থীয়ে সাধাৰণতে পৰিৱেশ সংৰক্ষণ, সামাজিক সম্প্ৰীতি আৰু নাগৰিক দায়িত্বৰ প্ৰতি অধিক সচেতনতা দেখুৱায়। পাঠ্যত স্থানীয় উদাহৰণ সংযোজন হ’লে শিকণ প্ৰক্ৰিয়া অধিক বাস্তৱমুখী হ’ব আৰু মুখস্থবিদ্যা হ্ৰাস পাব।

তথাপি, এই সিদ্ধান্ত সফল কৰিবলৈ কিছুমান বিষয় গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগিব-

১/ সৰ্বপ্ৰথম প্ৰত্যাহ্বান হ’ল পাঠ্যপুথিৰ মান। ইতিহাস আৰু ভূগোলৰ পাঠ্যপুথি যাতে তথ্যভিত্তিক, নিৰপেক্ষ আৰু শিক্ষাৰ্থীকেন্দ্ৰিক হয়, সেয়া নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়। কোনো এক বিশেষ দৃষ্টিভংগীৰ আধিপত্যই পাঠ্যক্ৰমৰ বিশ্বাসযোগ্যতা ক্ষুণ্ণ কৰিব পাৰে।

২/ দ্বিতীয় গুৰুত্বপূৰ্ণ বিষয় হ’ল শিক্ষকৰ অভাৱ আৰু বিষয় ভিত্তিক শিক্ষক নথকাটোও এটা প্ৰত্যাহ্বান। সকলো বিদ্যালয়তে অসম বুৰঞ্জী আৰু ভূগোল পঢ়াবলৈ প্ৰশিক্ষিত শিক্ষক সহজে পোৱা নাযায়। নতুন পাঠ্যক্ৰম প্ৰৱৰ্তনৰ লগে লগে শিক্ষকসকলৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু ৰেফাৰেন্স সামগ্ৰীৰ ব্যৱস্থা নকৰিলে পাঠ্যক্ৰমৰ লক্ষ্য সফল নহ’ব।

৩/ পাঠ্যক্ৰমৰ ভাৰ বৃদ্ধিৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। ইতিমধ্যে বিভিন্ন বিষয়ৰ চাপত থকা শিক্ষাৰ্থীৰ ওপৰত নতুন দুটা বাধ্যতামূলক বিষয় সংযোজন কৰোঁতে পাঠ্যক্ৰমৰ সুষম বিন্যাস গুৰুত্বপূৰ্ণ। কেৱল লিখিত পৰীক্ষাত সীমাবদ্ধ নাথাকি প্ৰকল্প কাৰ্য, ক্ষেত্ৰভ্ৰমণ আৰু স্থানীয় অধ্যয়নৰ জৰিয়তে মূল্যায়ন কৰাৰ পথো বিবেচনাৰ প্ৰয়োজন আছে।

সামগ্ৰিক ভাৱে চালে, ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীত অসম বুৰঞ্জী আৰু ভূগোলৰ সুকীয়া পাঠ্যক্ৰম প্ৰৱৰ্তন এক প্ৰয়োজনীয় আৰু সময়োপযোগী পদক্ষেপ। এই সিদ্ধান্তই শিক্ষাৰ্থীক নিজৰ মূলৰ সৈতে সংযোগ ঘটাব আৰু ভৱিষ্যতৰ সচেতন নাগৰিক ৰূপে গঢ়ি তোলাত সহায় কৰিব। কিন্তু ইয়াৰ সফলতা নিৰ্ভৰ কৰিব পৰিকল্পনা আৰু ৰূপায়ণৰ ওপৰত। সঠিক দিশে আগবঢ়ালে এই পদক্ষেপ অসমীয়া শিক্ষাব্যৱস্থাৰ বাবে এটা দীৰ্ঘস্থায়ী আৰু অৰ্থপূৰ্ণ মাইলষ্টোন হৈ উঠিব পাৰে।

*মৌচুম কৌশিক*
*দেৰগাঁও*
*ফোন ঃ ৯৯৫৭০৬৮২০৯*

# সাংবাদিকতা আৰু সমালোচনা

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ স্বীকৃতি পোৱা সংবাদ মাধ্যমৰ সাংবাদিকৰ দুটা চৰিত্ৰ থাকে। সেয়ে সমালোচনাই সাংবাদিকক খেদি ফুৰে আৰু সাংবাদিকে সদায় সমালোচনা বিচাৰি ফুৰে। সাংবাদিকতাৰ পোখা মেলা মনত অনেক কৌতূহল। সেই কৌতূহল বোৰত অনেক প্ৰশ্ন আৰু অনেক উত্তৰ। বৰ্তমানে কিছু তথাকথিত সাংবাদিকৰ সাংবাদিকতাৰ বাবে সংবাদ মাধ্যমলৈ ভীষণ খং উঠে। একে সময়তে সাংবাদিকতাতে নিজক লীন কৰি দিয়া প্ৰকৃত সাংবাদিকসকললৈ শ্ৰদ্ধাও জাগে। দুৰ্ঘটনাত পিতৃ মাতৃক থিতাতে হেৰুৱাই দিয়া কণমানিটোয়ে যেতিয়া মা দেউতা বুলি চিঞৰি কান্দে তেতিয়া সাংবাদিকৰো বুকুখন মোচৰ খাই উঠে। কিন্তু উপায় নাই কণমানিটোৰ ভৱিষ্যতৰ বাবে সেইয়া দায়িত্ব পালন কৰি তেওঁলোকে বাতৰিটো কৰিবই লাগিব। স্বামী হেৰুৱাই মাহ হালধিৰ গোন্ধ নাযাওঁতেই বগা সাঁজযোৰ পিন্ধি লোৱা মানুহজনীক যেতিয়া সুধিব লগা হয় মনৰ অনুভৱ তেতিয়াও জানো দুৰ্বল হৈ নপৰে সাংবাদিক সকল? বিয়াৰ পূৰ্বে স্বামী হেৰুৱা মানুহজনীৰ বুকুত কিমান সপোন পুহি ৰাখিছিল, কিমান প্ৰস্তুতি আছিল, বিয়া হৈ নিজৰ মানুহজনৰ সৈতে এখন সুখৰ সংসাৰ কৰাৰ কিমান যে হেঁপাহ আছিল সেইয়া কোনেও নাজানে সেইখিনি সোধোতে সাংবাদিকজনো দুৰ্বল হৈ পৰে তথাপিও উপায় নাই সেই সকলোবোৰ কথা কেৱল সাংবাদিক জনৰ বাবেহে প্ৰকাশ পায় আৰু সাংবাদিকজনৰ জৰিয়তেহে সমগ্ৰ দেশবাসীয়ে সেই বেদনা অনুভৱ কৰে। অসমৰ “হাৰ্টথ্ৰব” জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি যেতিয়া কৰিব লগা হৈছিল, কাহিলীপাৰাস্থিত বাসগৃহত গৈ পত্নী গৰিমা গাৰ্গৰ অসহায় আৰু বিষাদে আৱৰি ধৰা মুখখন ৰাইজক দেখুৱাব লগা হৈছিল, ৰুগীয়া পিতৃৰ কৰুণ কাহিনী যেতিয়া বৰ্ণাব লগা হৈছিল তেতিয়া সাংবাদিক সকলৰ চকুৱে নিগৰাকৈ আছিল জানো চকুপানী অথবা তেওঁলোক অসহায় হৈ পৰা নাছিল জানো নিজ কৰ্তব্যৰ ওচৰত! সাধাৰণ মানুহে উচুপি উঠা হত্যা, ধৰ্ষণ, লুণ্ঠনৰ খবৰবোৰ যেতিয়া অলপো বিচলিত নোহোৱাকৈ একেৰাহে দিব লগীয়া হয় তেতিয়াই সাংবাদিকসকল ৰূপান্তৰিত হয় একো একোজন যোদ্ধালৈ। আৱেগৰ লগত পেছাৰ যুঁজ। গাৰ নোম শিয়ঁৰি উঠা কিছুমান ঘটনা ৰাইজক দেখুৱাবলৈ যাওঁতে সাংবাদিকৰো প্ৰাণৰ সংশয় থাকে। নেওচিব লগীয়া হয় বহু ঘাট প্ৰতিঘাত। সেইবোৰ কাহানিও কিন্তু সম্প্ৰচাৰ নহয় কোনো কাকতৰ শিৰোনামত অথবা ৰূপালী পৰ্দাৰ বাতৰি চেনেলত। সাংবাদিকৰো জানো নাথাকে শোক অনুভৱ কৰিব পৰাকৈ একোখন কলিজা, ভয়ৰ এটা অনুভৱ! তথাপিও সাংবাদিকক কিয় ভবা হয় হৃদয়হীন! পেছাৰ তাগিদাতেই হৈ পৰিব লাগে যন্ত্ৰ। তৎসত্ত্বেও তেওঁলোকে উপযুক্ত গুৰুত্ব আৰু সন্মানৰ পৰা বঞ্চিত হয়। অথচ আমি দৈনিক জীৱনত সাংবাদিকতাৰ ভূমিকা স্বীকাৰ কৰিবলৈ অপাৰগ হওঁ। সাংবাদিকতা যে এনেকুৱাই। নিজৰ অনুভৱত তলা লগাই থৈ ৰাইজৰ আগত পৰিৱেশন কৰিবই লাগে আনৰ অনুভূতি, পৰিস্থিতি।




*হিমাশ্ৰী বৰুৱা*
*মঙলদৈ মহাবিদ্যালয়*
*ফোন ঃ ৭০০২৬৮২৪২০*

# যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ ত্ৰিপুৰাৰ অন্যান্য সেৱাৰ বিষয়াৰ বাবে বাঁহৰ ওপৰত প্ৰশিক্ষণৰ সফল সামৰণি

**অসম বাৰ্তা, যোৰহাট, ৯ জানুৱাৰী** ঃ যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ত্ৰিপুৰাৰ বিভিন্ন সেৱাৰ বিষয়াৰ বাবে বাঁহৰ ওপৰত আয়োজন কৰা এখনি তিনি দিনীয়া প্ৰশিক্ষণৰ আজি ৯ জানুৱাৰী, ২০২৬ তাৰিখে সামৰণি পৰে। বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ অন্তৰ্গত ত্ৰিপুৰাৰ আগৰতলাত থকা জীৱিকা সম্প্ৰসাৰণ কেন্দ্ৰৰ সহযোগত ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত ৭ জানুৱাৰী, ২০২৬ ৰ পৰা আয়োজন কৰা এই প্ৰশিক্ষণত ত্ৰিপুৰা চৰকাৰৰ বিভিন্ন বিভাগ, যেনে কৃষি, উদ্যান শস্য, পৰ্যটন, পশুপালন আৰু পশু চিকিৎসা, মাটি আৰু পানী সংৰক্ষণ, পৰিকল্পনা, ৰেচম, শিক্ষা বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড আদি বিভিন্ন বিভাগৰ ৩০জন বিষয়া পৰ্য্যায়ৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ৭ জানুৱাৰী, ২০২৬ তাৰিখে প্ৰশিক্ষণ উদ্বোধন কৰে ত্ৰিপুৰাৰ মুখ্য প্ৰধান বন সংৰক্ষক ৰবীন্দ্ৰ কুমাৰ সামলে। উদ্বোধনী অধিবেশনত পাঠ্যক্ৰম সঞ্চালক তথা বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ জেষ্ঠ্য বিজ্ঞানী, ৰাজীৱ কুমাৰ কলিতাই অংশগ্ৰহণকাৰী সকলো বিষয়া আৰু অন্যান্য গণ্যমান্য ব্যক্তিক আদৰণি জনায়। তেওঁ প্ৰশিক্ষণৰ উদ্দেশ্যৰ ৰূপৰেখা দাঙি ধৰাৰ লগতে বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ বিভিন্ন গৱেষণা আৰু উন্নয়নমূলক কাম-কাজৰ ওপৰত আলোকপাত কৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰত বাঁহৰ বিস্তৃত বিষয়সমূহৰ ওপৰত আলোচনা কৰা হৈছিল। ড° তিলক চন্দ্ৰ ভূঞাই ভাৰতৰ বাঁহ খণ্ডৰ আভাস সম্পৰ্কে এটি তত্ত্বগধুৰ আলোচনা উপস্থাপন কৰে। বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ জ্যেষ্ঠ কাৰিকৰী বিষয়া দেৱজিত নেওঁগে অংশগ্ৰহণকাৰীসকলক বাঁহৰ বংশবৃদ্ধি, নাৰ্চাৰী ব্যৱস্থাপনা আৰু বাণিজ্যিক খেতিৰ ওপৰত প্ৰশিক্ষণ আগ বঢ়ায়। যোৰহাটৰ স্থপতি প্ৰিয়ম বল্লৱ গোস্বামীয়ে নিৰ্মাণ খণ্ডত বাঁহৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। ৰাজীৱ কুমাৰ কলিতাই বাঁহ কয়লা আৰু জীৱিকা উৎপাদনত ইয়াৰ ব্যৱহাৰৰ ওপৰত আন এক প্ৰশিক্ষণ আগবঢ়ায়। ত্ৰিপুৰাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া সুভাষ চন্দ্ৰ দাসে ত্ৰিপুৰাৰ বাঁহ সম্পদৰ প্ৰয়োগ সম্পৰ্কে বিৱৰী কয়। আগৰতলাৰ বাঁহ বেত উন্নয়ন প্ৰতিষ্ঠানৰ ড° অভিনৱ কান্তই বাঁহৰ আৰু ধূপকাঠীৰ ওপৰত প্ৰশিক্ষণ আগ বঢ়ায়। বাঁহ গছ ৰুই পতিত মাটি পুনৰ উদ্ধাৰ সম্পৰ্কে এটি সফল কাহিনী প্ৰস্তুত কৰে বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ বিজ্ঞানী দীনেশ কুমাৰ মীনায়ে। প্ৰশিক্ষণ কাৰ্যসূচীৰ অংশ হিচাপে অংশগ্ৰহণকাৰীসকলে অতনু সাহাৰ নেতৃত্বত ত্ৰিপুৰাত থকা মুঠা, G-cube আৰু বাঁহ বেত উন্নয়ন প্ৰতিষ্ঠান ভ্ৰমণ কৰোৱা হয়। প্ৰশিক্ষণৰ অন্তত অনুষ্ঠিত হোৱা সামৰণি অধিবেশনত অংশগ্ৰহণকাৰীসকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

## বধাকৰাত বানপানীৰ সময়ত গ্ৰহণ কৰিবলগীয়া জৰুৰী পদক্ষেপ সন্দৰ্ভত অনুশীলন

# কদম ৰাজহ চক্ৰত তিনিদিনীয়া জৰুৰী ব্যৱস্থাপনা অনুশীলনৰ সামৰণি



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৯ জানুৱাৰী** ঃ লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত জৰুৰী ব্যৱস্থাপনা অনুশীলনৰ আজি ৯ জানুৱাৰীত সামৰণি পৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, লখিমপুৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু কদম ৰাজহ চক্ৰৰ সহযোগিতাত যোৱা সাত জানুৱাৰীৰ পৰা অনুষ্ঠিত ৰাজহ চক্ৰ জৰুৰী ব্যৱস্থাপনা অনুশীলন নামৰ প্ৰশিক্ষণ-সহিতে টেবুল টপ এক্সাৰছাইজ আৰু বানপানীৰ মক ড্ৰিল কাৰ্যসূচীৰ আজি সফল সামৰণি পৰে। চক্ৰ পৰ্যায়ত দুৰ্যোগ প্ৰস্তুতি শক্তিশালী কৰা, আন্তঃবিভাগীয় সমন্বয় উন্নত কৰা আৰু বিশেষকৈ লখিমপুৰ জিলাৰ বানপ্ৰৱণ অঞ্চলসমূহত কাৰ্যকৰী দুৰ্যোগ প্ৰতিক্ৰিয়া আৰু সাহায্য ব্যৱস্থাপনাৰ বাবে স্থানীয় সক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত হয় এই কাৰ্যসূচী। এই কাৰ্যসূচী ৭ জানুৱাৰীত লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰাংগণত শুভাৰম্ভ কৰা হৈছিল। সাহায্য ব্যৱস্থাপনাত সমন্বয় বৃদ্ধি কৰা, শিশু-কেন্দ্ৰিক জৰুৰী প্ৰস্তুতি, প্ৰাথমিক অনুসন্ধান আৰু উদ্ধাৰৰ লগতে জৰুৰী পৰিস্থিতিত পানী আৰু স্বাস্থ্য-স্বচ্ছতাৰ ব্যৱস্থাপনা শক্তিশালী কৰাৰ উদ্দেশ্যৰে আজি অন্তিম দিনা বধাকৰাৰ দৰ্গে ঘাটৰ সমীপত বানপানীৰ সময়ত গ্ৰহণ কৰিবলগীয়া জৰুৰী পদক্ষেপ সন্দৰ্ভত অনুশীলন ( বানপানী ম'কড্ৰীল ) কাৰ্যসূচী সম্পন্ন হয়। এই কাৰ্যসূচীত কদম ৰাজহ চক্ৰ কাৰ্যালয়, এছ ডি আৰ এফ বাহিনী, স্বাস্থ্য বিভাগ, আৰক্ষী, গাঁওপ্ৰধান সকলকে ধৰি কেইবাটাও বিভাগে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অন্তত লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সভাকক্ষত সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। তিনিদিনীয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰা বিভিন্ন বিভাগ তথা এন চি চি, এন এছ এছ আদিৰ অংশগ্ৰহণকাৰী সকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত কদম ৰাজহ চক্ৰ বিষয়া খুলজিৎ পাদুন, দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ জিলা প্ৰকল্প বিষয়া পাপৰি বৰাৰ লগতে এন ডি আৰ এফৰ বিষয়া, দুৰ্যোগ প্ৰশমনৰ লগত জড়িত প্ৰতিটো বিভাগৰ বিষয়া, কৰ্মচাৰী উপস্থিত থাকি প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। সম্পূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে কদম ৰাজহ চক্ৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ক্ষেত্ৰ বিষয়া মিতুল দত্তই।

## জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ

# নগাঁৱৰ কে.এম ইটাভাটাত নিয়োজিত শিশু শ্ৰমিক

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ জানুৱাৰী** ঃ নগাঁও জিলাৰ বিভিন্ন স্থানত থকা ইটাভাটা সমূহত শিশু শ্ৰমিক আইন উলংঘা কৰি শিশু শ্ৰমিকৰ হতুৱাই কাম কৰাই থকা ঘটনা সংঘটিত হৈছে। জিলাখনৰ বড়মপুৰ সমষ্টিৰ অন্তৰ্গত বামুণীৰ ধনতোলাৰ কে.এম ইটাভাটাত শিশু শ্ৰমিক আইনক বুঢ়া আঙুলি দেখুৱাই একাংশ শিশু শ্ৰমিক নিয়োজিত কৰাৰ অভিযোগ উত্থাপন হৈছে। কে.এম ইটাভাটাৰ মালিকৰ পৃষ্ঠপোষকতাতে বিগত বহুদিন ধৰি ইটাভাটাটোত একাংশ শিশুক শ্ৰমিক হিচাপে নিয়োজিত কৰি আহিছে। উল্লেখযোগ্য যে, আজি ইটাভাটাটোত সাংবাদিকৰ উপস্থিতিৰ পাছতেই ইটাভাটাটোত নগাঁও জিলাৰ শিশু সুৰক্ষা বিষয়া উপস্থিত হৈ শিশু শ্ৰমিক এজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও বাকী কেইবাজনো শিশু শ্ৰমিক ইটা ভাটাটোৰ পৰা পলাই যাবলৈ সক্ষম হয়। শিশু শ্ৰমিক আইনক জলাঞ্জলি দি শিশুসকলক শ্ৰমিক হিচাপে ব্যৱহাৰ কৰা এই ইটাভাটাটোৰ বিৰুদ্ধে নগাঁও জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব। আনহাতে, ইটাভাটাটোৰ মাটি বৰ্তমান পৰ্যন্ত ব্যৱসায়িক মাটিলৈ স্থানান্তৰিত নকৰাকৈ কেনেদৰে এটা ইটাভাটা চলাই আছে তাক লৈ স্থানীয় ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। বৰ্তমান সময়ত এইদৰে নগাঁও জিলাৰ বিভিন্ন স্থানত প্ৰশাসনক অংগুষ্ঠ প্ৰদৰ্শন কৰি বহুটো ইটাভাটা গঢ় লৈ উঠিছে বুলি জানিব পৰা গৈছে।

## ন.পি.এচ. আৰু ইউ.পি.এচ. বাতিলৰ দাবীৰে বৰপথাৰত পুনৰ প্ৰতিবাদী সভা

**অসম বাৰ্তা, ধনশিৰি, ৯ জানুৱাৰী** ঃ এন.পি.এচ আৰু ইউ.পি.এচ ব্যৱস্থা বাতিলৰ বিৰুদ্ধে সদৌ অসম কৰ্মচাৰী পৰিষদৰ অব্যাহত আছে প্ৰতিবাদ। সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান মৰ্মে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত শুক্ৰবাৰে পুনৰ বৰপথাৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উদ্যোগত গণ স্বাক্ষৰ অভিযান আৰু প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাত সকলো বিষয়ববীয়াই নিজৰ স্থিতিত অটল থাকি এন.পি.এচ. আৰু ইউ.পি.এচ. ব্যৱস্থা বাতিল কৰি পুৰণি অ'.পি.এচ. ব্যৱস্থা প্ৰণয়ন কৰিবলৈ অসম চৰকাৰৰ ওচৰত সমূহীয়াকৈ দাবী জনাই। মন্ত্ৰী-বিধায়ক সকলে যি ধৰণে কেৱল পাঁচটা বছৰ জনসাধাৰণৰ সেৱা কৰি অ'.পি.এচ. ব্যৱস্থা লাভ কৰিব



পাৰে ঠিক তেনেধৰণেই বছৰ বছৰ ধৰি জনগণৰ সেৱাৰ স্বাৰ্থত কাম কৰি থকা চৰকাৰৰ চালিকা শক্তি স্বৰূপ কৰ্মচাৰী সকলে অ'.পি.এচ. ব্যৱস্থা লাভ নকৰাটো অতিশয় দুৰ্ভাগ্যজনক। সেয়হে অতি শীঘ্ৰে অসম চৰকাৰক এন.পি.এচ. আৰু ইউ.পি.এচ. ব্যৱস্থা বাতিল কৰি পুৰণি অ'.পি.এচ. ব্যৱস্থা বাহাল ৰাখিবলৈ দাবী জনাই আৰু উপস্থিত সকলো শিক্ষক-কৰ্মচাৰীয়ে স্বাক্ষৰ প্ৰদান কৰে। প্ৰতিবাদী সভাখনত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সাংগঠনিক সম্পাদক বলীন চন্দ্ৰ বৰা, বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পুলিন শইকীয়া, ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি-সম্পাদক দ্বয়ৰ লগতে কেইবাজনো বিষয়ববীয়া আৰু ২০০ৰো অধিক কৰ্মচাৰীয়ে স্বাক্ষৰ প্ৰদান কৰে।

## ইশান একাদশ, নগাঁও, বুঢ়ীদিহিং ষ্টাৰ, চাচনী জয়ী

# নাহৰকটীয়া চেম্পিয়নচ লীগ ক্ৰিকেট

**অসম বাৰ্তা, নাহৰকটীয়া, ৯ জানুৱাৰী** ঃ নাহৰকটীয়া য়ুথ ক্লাবৰ সৌজন্যত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত চলিথকা নাহৰকটীয়া চেম্পিয়নচ লীগ ক্ৰিকেটত ইশান একাদশ, নগাঁও একাদশ, বুঢ়ীদিহিং ষ্টাৰ, চাচনী আজিৰ খেলত জয়ী হৈছে। আজি অনুষ্ঠিত পাঁচখন খেলৰ প্ৰথম খনত ইশান একাদশে ফেলকন ফাইটাৰক ৬ উইকেটত পৰাজিত কৰে। ফেলকনে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত পাঁচটা উইকেট হেৰুৱাই ৬৪ ৰাণ কৰে। তেওঁলোকৰ চুৰেণ কাৰুৱাই ১৪টা বলত ২৮ ৰাণ (৪×৩, ৬×২) আৰু কপিল নিৰ্মলীয়াই ১১টা বলত ২০ ৰাণ (৬×৩) কৰে। ইশান একাদশৰ লখু প্ৰসাদে ৮ ৰাণত দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ইশান একাদশে ৪.৩ অভাৰত চাৰিটা উইকেট হেৰুৱাই প্ৰয়োজনীয় ৰাণখিনি কৰে। ইশানৰ চন্দন সিং যাদৱে ১১টা বলত ২৬ ৰাণ (৬×৪) আৰু প্ৰকাশ তামাঙে ৬টা বলত ১৯ ৰাণ (৬×৩) কৰে। ফেলকনৰ বিত্তু তাছা, অনন্ত দে আৰু কপিল নিৰ্মলীয়া প্ৰত্যেকে একোটাকৈ উইকেট লাভ কৰে। প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰে ইশান একাদশৰ চন্দন সিং যাদৱে। দ্বিতীয়খন খেলত নগাঁও একাদশে গোৰ্খা ৰাইনচক ৭ উইকেটট পৰাজিত কৰে। গোৰ্খাই পোনতে বেট ধৰি নিৰ্ধাৰিত অভাৰত পাঁচটা উইকেট হেৰুৱাই ৫৬ ৰাণ কৰে। গোৰ্খাৰ পংকজ দত্তই ১২টা বলত ২০ ৰাণ (৪×১, ৬×২) কৰে। নগাঁৱৰ মুন বৰশইকীয়া, দেৱ প্ৰকাশ যাদৱ, চুনু কালাৰ আৰু ৰিচিক নন্দীয়ে একোটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত নগাঁওৱে ৪.৩ অভাৰত তিনিটা উইকেট হেৰুৱাই ৫৮ ৰাণ কৰে। নগাঁৱৰ অৰ্ণৱ কলিতাই ১০টা বলত ১৯ ৰাণ (৪×১, ৬×২) আৰু হৰিশ দেয়ে ১০টা বলত ২৭ ৰাণ (৬×৪) কৰে। গোৰ্খাৰ নিতেশ চাহানীয়ে ৩১ ৰাণত দুটা উইকেট লাভ কৰে। প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰে মুন বৰশইকীয়াই। তৃতীয়খন খেলত বুঢ়ীদিহিং ষ্টাৰে ইশান একাদশক পাঁচ উইকেটত পৰাজিত কৰে। ইশান একাদশে প্ৰথমে বেট কৰি নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ৬১ ৰাণ কৰে। ইশানৰ ৰূপক দেয়ে ৭টা বলত ২৫ ৰাণ (৬×৪) আৰু অনন্য বাঘৰাৱে ৬টা বলত ১২ ৰাণ (৪×৪) কৰে। বুঢ়ীদিহিঙৰ বিদ্যুৎ চাৰিঙীয়া ফুকনে ১৬ ৰাণত চাৰিটা উইকেট লাভ কৰে। ইয়াৰ উত্তৰত বুঢ়ীদিহিঙে ৫.৪ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৬৪ ৰাণ কৰে। বুঢ়ীদিহিঙৰ দীপক ডেকাই ১৫টা বলত ৩৩ ৰাণ (৪×৩, ৬×৩) আৰু ৰাজনীশ ৰাইয়ে ২টা বলত ১২ ৰাণ (৬×২) কৰে। ইশানৰ সোমনাথ শৰ্মাই ৯ ৰাণত তিনিটা উইকেট লাভ কৰে। প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰে বুঢ়ীদিহিঙৰ বিদ্যুৎ চাৰিঙীয়া ফুকনে আৰু শ্ৰেষ্ঠ বেটাৰৰ সন্মান লাভ কৰে বুঢ়ীদিহিঙৰে দীপক ডেকাই। চতুৰ্থখন খেলত চাচনীয়ে বিইইঅ'ক ৩৯ ৰাণত পৰাজিত কৰে। চাচনীয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৫টা উইকেট হেৰুৱাই ১০৮ ৰাণ কৰে। দলৰ হৈ অংকিত যাদৱে ৯টা বলত ৩৭ ৰাণ (৪×১, ৬×৫), বিবেক কুজুৰে ১৩টা বলত ৩২ ৰাণ (৬×৪), লক্ষ্মন গোৱালাই ৬টা বলত ১৫ ৰাণ (৬×৪) আৰু ৰাজদ্বীপ গগৈয়ে ৩টা বলত ১২ ৰাণ (৬×২) কৰে। বিইইঅ'ৰ ৰমজান আনচাৰীয়ে ২০ ৰাণত দুটা উইকেট পায়। প্ৰত্যুত্তৰত বিইইঅ'ই নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ৬৯ ৰাণহে কৰিবলৈ সক্ষম হ'য়। তেওঁলোকৰ ৰমজান আনচাৰীয়ে ৯টা বলত ১৯ ৰাণ (৬×৩), নয়নদীপ সিঙে ৭টা বলত ১৭ ৰাণ (৪×১, ৬×২) আৰু ধিৰাজে ৩টা বলত ১২ ৰাণ (৬×২) কৰে। চাচনীৰ হৰি নিৰ্মলীয়াই ৬ ৰাণত ৩টা আৰু চলন্তে ১৪ ৰাণত ২টা উইকেট লাভ কৰে। প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰে চাচনীৰ অংকিত যাদৱে। দিনটোৰ অন্তিম তথা পঞ্চমখন খেলত বুঢ়ীদিহিং ষ্টাৰে ফেলকন ফাইটাৰক ৯ উইকেটত পৰাজিত কৰে। ফেলকনে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ৮১ ৰাণ কৰে। চবন কাৰোৱাই ১০টা বলত ২২ ৰাণ (৬×৩), প্ৰহ্লাদ তাঁতীয়ে ৭টা বলত ২১ ৰাণ (৪×২, ৬×২) আৰু তপন সোণোৱালে ৬টা বলত ১৬ ৰাণ (৪×১, ৬×২) কৰে। বুঢ়ীদিহিঙৰ ৰাজেশ নন্দীয়ে এক ৰাণত তিনিটা আৰু বিদ্যুৎ চাৰিঙীয়া ফুকনে ১৩ ৰাণত ২টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত বুঢ়ীদিহিঙে৩.৪ অভাৰত প্ৰয়োজনীয় ৰাণখিনি কৰে। বুঢ়ীদিহিঙৰ দীপক ডেকাই ১৪টা বলত ৫৫ ৰাণ (৪×৩, ৬×৭)আৰু জোন কলিতাই অপৰাজিত ৫টা বলত ১৯ ৰাণ (৬×৩) কৰে। ফেলকনৰ বিত্তু তাছাই একমাত্ৰ উইকেটটো লাভ কৰে। প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰে বুঢ়ীদিহিঙৰ ৰাজেশ নন্দীয়ে।

## অসম চৰকাৰ, মুখ্যমন্ত্ৰী, স্থানীয় বিধায়কক ধিক্কাৰ আছুৰ

# নাজিৰাত ঐতিহাসিক ধোদৰ আলি শীঘ্ৰে নিৰ্মাণৰ দাবীত আছুৰ পথ অৱৰোধ

**অসম বাৰ্তা, নামতি, ৯ জানুৱাৰী** ঃ অসমৰ বাট -পথ, দলং আদি নিৰ্মাণ কৰা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেৰ্তৃত্বাধীন চৰকাৰ তথা মন্ত্ৰী সকলে জয়ঢোল কোবাই আহিছে যদিও শিৱসাগৰ জিলা তথা নাজিৰা বিধানসভা সমষ্টিৰ বাট-পথ আজিও তথৈবচ। ইয়াৰ জ্বলন্ত নিৰ্দশন নাজিৰাৰ ঐতিহাসিক ধোদৰ আলি। অসম চৰকাৰৰ বিয়াগোম লোক নিৰ্মাণ বিভাগৰ বৰমূৰীয়া আৰু বিজেপি নেতৃত্বাধীন চৰকাৰে বিৰোধী দলৰ বিধায়ক থকাৰ বাবেই সমষ্টিটো উন্নয়নৰ ক্ষেত্ৰত মাহীআই চকুৰে চাই আহিছে। চৰকাৰৰ এনে কাৰ্যৰ বাবে বিভিন্ন সময়ত ৰাইজ আৰু দল- সংগঠনে প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰি আহিছে যদিও কোনো




গুৰুত্ব আৰোপ কৰা নাই। তেনে পৰিপ্ৰেক্ষিতত আজি সদৌ অসম ছাত্ৰ সন্থাৰ নাজিৰা আঞ্চলিক সমিতিৰ উদ্যোগত নাজিৰা নগৰৰ মাজমজিয়াৰ নাজিৰা-শিমলুগুৰি উন্নয়ন প্ৰাধিকৰণৰ কাৰ্যালয়ৰ সন্মুখত শতাধিক প্ৰতিবাদকাৰীয়ে বিজেপি চৰকাৰ গ'বৈক, নাজিৰাৰ বিধায়ক মূৰ্দাবাদ, লোক নিৰ্মাণ বিভাগ হায় হায় ধ্বনিৰে উত্তাল কৰি ঐতিহাসিক ধোদৰ আলি অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পিছত প্ৰতিবাদস্থলীত ৰাজহ চক্ৰ বিষয়া, লোক নিৰ্মাণ বিভাগৰ বিষয়া আৰু ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিষয়া উপস্থিত হৈ মাঘৰ বিহুৰ আগতে মেৰামতি কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

## নৃত্যৰত অৱস্থাত ৰেম্প খহি বাগৰি পৰিল অভিনেত্ৰী অংকিতা শইকীয়া

# বঙাইগাঁও জিলাৰ কাকৈজানাত কহিনুৰ থিয়েটাৰত অঘটন

**অসম বাৰ্তা, বঙাইগাঁও, ৯ জানুৱাৰী** ঃ ৰাজ্যৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জগতত পুনৰ এক অঘটন সংঘটিত হৈছে। এইবাৰ অসমৰ আগশাৰীৰ নাট্যদল 'কহিনুৰ থিয়েটাৰ'ৰ মঞ্চত অভিনয় কৰি থকা অৱস্থাত বিপৰ্যয়ৰ মুখত পৰে জনপ্ৰিয় অভিনেত্ৰী অংকিতা শইকীয়া। বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ সমীপৰ্তী কাকৈজানাত চলি থকা নাট্য প্ৰদৰ্শনীৰ সময়তে এই ঘটনাটো সংঘটিত হয়। প্ৰাপ্ত বাতৰি অনুসৰি, এখন নাটকৰ বিশেষ দৃশ্যত নৃত্য কৰি থকা অৱস্থাত হঠাতে মঞ্চৰ ৰেম্প খহি পৰে। যাৰ ফলত অভিনেত্ৰী অংকিতা শইকীয়া ভাৰসাম্য হেৰুৱাই ৰেম্পৰ সৈতে তললৈ বাগৰি পৰে। এই অঘটনক কেন্দ্ৰ কৰি মুহূৰ্তৰ ভিতৰতে দৰ্শকৰ মাজত হুৰাদুৰা লাগে আৰু নাট্য কৰ্মীসকলৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। সৌভাগ্যক্ৰমে, অভিনেত্ৰী গৰাকী এই দুৰ্ঘটনাত প্ৰাণে ৰক্ষা পৰে যদিও তেওঁ সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। ঘটনাৰ পাছতে তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়। ভ্ৰাম্যমাণৰ মঞ্চৰ সুৰক্ষা আৰু কাৰিকৰী দিশসমূহক লৈ এই ঘটনাই পুনৰ এক প্ৰশ্নচিহ্ন থিয় কৰাইছে। উল্লেখ্য যে, বিগত সময়ছোৱাত বিভিন্ন নাট্যদলৰ মঞ্চতো এনে ধৰণৰ যান্ত্ৰিক বিজুতিৰ ফলত কেইবাজনো শিল্পী-কলাকুশলী আহত হৈছে। কাকৈজানাত সংঘটিত এই ঘটনাই কহিনুৰৰ অনুৰাগীসকলক চিন্তিত কৰি তুলিছে।

# নামতিৰ মহিৰূপ, বিশিষ্ট শিক্ষাবিদ, কৃষিমন্ত্ৰী অতুল বৰাৰ শহুৰ দেউতাক চন্দ্ৰেশ্বৰ বৰুৱাৰ চন্দ্ৰেশ্বৰ বৰুৱাৰ দেহাৱসান, গভীৰ শোকৰ ছাঁ

**অসম বাৰ্তা, আমগুৰি, ৯ জানুৱাৰী** ঃ বিশিষ্ট শিক্ষাবিদ, অসমৰ চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰাৰ শহুৰ দেউতাক চন্দ্ৰেশ্বৰ বৰুৱাৰ যোৱা নিশা ডিব্ৰুগড়ৰৰ অসম চিকিৎসা মহাবিদ্যালয় দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। উল্লেখ্য যে, শিৱসাগৰ জিলাৰ নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰি নামতি অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়াই যোৱা কৃতী শিক্ষক, বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক, সাংস্কৃতিক কৰ্মী, একালৰ যশস্বী অভিনেতা চন্দ্ৰেশ্বৰ বৰুৱা আছিল অঞ্চলটোৰ গণিত শিক্ষাৰ অন্যতম বাটকটীয়া। তদুপৰি তেওঁ বৃহত্তৰ অঞ্চলটোত কুৰিটাৰো অধিক সামাজিক অনুষ্ঠানৰ জন্ম দি মৃত্যু পৰ্যন্ত সেই অনুষ্ঠানসমূহৰ নেতৃত্ব বহন কৰাৰ লগতে একাধিক ধৰ্মীয় তথা বিভিন্ন উৎসৱ উদ্‌যাপনৰ মূল দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৩৭ চনত লাকুৱা বৰবৰুৱা মৈদাম ঘোৰাচোৱা গাঁৱত জন্ম গ্ৰহণ কৰা চন্দ্ৰেশ্বৰ বৰুৱাই ১৯৬৪ চনত যোৰহাট জগন্নাথ মহাবিদ্যালয়ত সুখিাতিৰে বি.এচ.চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ



পাছত নামতি উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰে। বিজ্ঞান শিক্ষকৰ সমান্তৰালকৈ তেওঁ এন.চি.চি শিক্ষক হিচাপেও সেৱা আগবঢ়াছিল। ইয়াৰোপৰি তেওঁ মৃত্যু পৰ্যন্ত নামতি অঞ্চলৰ নামতি ক্লাব, নামতিদ'ল টাই শিক্ষা সাংস্কৃতিক বিকাশ কেন্দ্ৰ, প্ৰাচিন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতি আদি কুৰিটাও অনুষ্ঠানৰ সভাপতিৰ দায়িত্ব বহন কৰাৰ লগতে নামতিদ'লত তেওঁ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা, বহাগী বিদায়, মে-ডাম-মে-ফী আদি বিভিন্ন অনুষ্ঠান আদি উদযাপনৰ মুখ্য উদ্যোক্তা আছিল। চন্দ্ৰেশ্বৰ বৰুৱাই মৃত্যুৰ সময়ত সহধৰ্মিনী পুষ্পলতা বৰুৱা, দুজন পুত্ৰ ক্ৰমে- যুৱ উদ্যোগী, সমাজকৰ্মী ভাস্কৰ জ্যোতি বৰুৱা আৰু অসম চৰকাৰৰ কৰ্মচাৰী সুৰজিৎ বৰুৱা, দুগৰাকী কন্যা, অসম চৰকাৰৰ কৃষি, অসম চুক্তি ৰূপায়ণ আদি বিভাগৰ কেবিনেট মন্ত্ৰী অতুল বৰাসহ দুজন জোঁৱাই, নাতি-নাতিনীৰ লগতে বহুক আত্মীয় স্বৰ্জনক ইহ-সংসাৰত এৰি হৈ গৈছে। আনহাতে, সুযোগ্য পিতৃ, অমায়িক ব্যক্তিজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে বৃহত্তৰ নামতি অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। চন্দ্ৰেশ্বৰ বৰুৱাৰ নশ্বৰ দেহ নামতিৰ মৰাণকাৰী সন্দিকৈ গাঁৱৰ স্বগৃহ আহি পোৱাৰ লগে লগে বৰুৱাৰ জোঁৱাই ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাৰ লগতে অগণন গুণমুগ্ধ ই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতেই নশ্বৰ দেহ তেওঁৰ কৰ্মস্থলী নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ লৈ যায়। বিদ্যালয়ৰ প্ৰাংগনতে নামতি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। শতাধিক গুণমুগ্ধৰ উপস্থিতিত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতাই আঁত ধৰা উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মোহন গগৈ প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল, পি এম শ্ৰী ৮০৬নং কৰুণাসাগৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল, ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নেতা-কৰ্মী, নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভা, নামতি প্ৰেছ ক্লাব, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্থা, অসম সাহিত্য সভা, অগপৰ কেন্দ্ৰীয় সমিতি, নামতি ক্লাব, নামতি আলি গাঁও পঞ্চায়ত, নামতি চাৰিআলি জাতীয় বিদ্যা নিকেতন, নামতি থ্ৰীফট ছ'চাইটি, আটাছু শিৱসাগৰ জিলা সমিতি, নামতি আঞ্চলিক ছাত্ৰ সন্থা, নামতি প্ৰেছ গীল্ড, অসম উন্নতি সভাৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ জিলা ভাৰোত্তলন সন্থা, কৰুণাসাগৰ হৰি মন্দিৰ, নামতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, অগপৰ শিৱসাগৰ জিলা আৰুনামতি আঞ্চলিক সমিতি, বিজেপিৰ নামতি আঞ্চলিক সমিতি, নামতি উন্নয়ন সমিতি, নামতি জ্যেষ্ঠ নাগৰিক সংস্থা, নামতি বাৰোৱাৰী দুৰ্গাপূজা সমিতি, নামতি কালী পূজা সমিতি, কালুগাঁও কলা ক্ৰীড়া সন্থা, আধ্যাত্মিক যুৱ সন্মিলনকে আদি অৰ্ধশতাধিক দল সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষে বিশিষ্ট শিক্ষাবিদ গৰাকীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## অসমীয়া মহিলাৰ কেতিয়াও ভাগৰ নালাগে ঃ অনামিকা তেৱাৰী

# মৰিগাঁৱত অসমী ভোগালী মেলা

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ৯ জানুৱাৰী** ঃ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ জিলা অভিযান পৰিচালনা শাখা, মৰিগাঁৱৰ উদ্যোগত মৰিগাঁও সদৰ বিহুতলীত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসুচীৰে অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে আজি এই মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে মহিলাসকলে নিজে উৎপাদন কৰা সামগ্ৰীসমূহক লৈ সন্তুষ্টি প্ৰকাশ কৰি আৰু অধিক নতুনত্ব আৰোপ কৰিলে বৰ্তমানৰ তীব্ৰ প্ৰতিযোগিতামূলক বজাৰত শক্তিশালীভাৱে থিয় হব পাৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ মেলাৰ বিপনীত ভাগ লোৱা আত্মসহায়ক গোটৰ মহিলাসকলে ডিজিটেলী টকা লোৱাৰ বাবে তেওঁলোকক প্ৰশংসা কৰে। মৰিগাঁও জিলাত কৃষি খণ্ডত প্ৰচুৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া জিলাখনৰ কৃষকে অসমত পূৰ্বে নকৰা ফল-মূল আৰু শাক-পাচলিৰ খেতি কৰিবলৈ সক্ষম হৈছে। তেওঁ প্ৰসংগ ক্ৰমে কয় যে অসমীয়া মহিলাৰ কেতিয়াও ভাগৰ নালাগে। অসমীয়া মহিলা ইমানেই সাহসী যে মহিলাই লগ হৈ অসম্ভৱকো সম্ভৱ কৰিব পাৰে। আজিৰ অনুষ্ঠানতে আত্মসহায়ক গোটৰ মহিলাৰ দ্বাৰা ৰূপায়ণ কৰা এটা কেটাৰিং সেৱা তথা টিফিন সেৱা সমৃদ্ধি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, মৰিগাঁৱৰ জিলা প্ৰকল্প প্ৰবন্ধক সমীৰ চৌধুৰীয়ে আদৰণি ভাষণ দিয়া অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈয়ে কয় যে মহিলা আগবাঢ়ি গ'লেহে ৰাজ্য আগবাঢ়ি যাব। তেওঁ মহিলাসকল আগবাঢ়ি অহাৰ বাবে প্ৰশংসা কৰে।

## বিৰোধীক 'নাটকীয়' বুলি

অনুষ্ঠিত এক সংবাদমেলত বিৰোধী শিবিৰক তীব্ৰ ভাষাৰে আক্ৰমণ কৰে। বিশেষকৈ ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈক লক্ষ্য কৰি তেওঁ কটাক্ষৰ বৰষুণ বৰষায়। লগতে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিহালী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বাছনি সন্দৰ্ভতো কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। সাংসদগৰাকীয়ে কংগ্ৰেছ দলক কঠোৰ সমালোচনা কৰি কয় যে, "কংগ্ৰেছৰ সংস্কৃতি হৈছে ৰাইজক এৰি পলাই থকা।" তেওঁ অভিযোগ কৰে যে, যিটো সময়ত বিৰোধী দল হিচাপে ৰাইজৰ মাজত থাকি সমস্যাসমূহৰ সমাধানৰ বাবে কাম কৰিব লাগিছিল, সেই সময়ত কংগ্ৰেছে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে ভোট চুৰিৰ অভিযোগত থানাই থানাই ঘূৰি ফুৰিছে। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয়, "কংগ্ৰেছ দল ৰাইজৰ মাজত থাকিব লাগে নে ভোট চোৰৰ নামত থানাত বহি থাকিব লাগে?" তেওঁৰ মতে, বৰ্তমান কংগ্ৰেছৰ হাতত ৰাইজৰ বাবে কোনো প্ৰকৃত ইছ্যু নাই, গতিকে তেওঁলোকে কেৱল নাটক ৰচনা কৰি আছে। কংগ্ৰেছৰ নেতা গৌৰৱ গগৈৰ 'ৰাইজৰ পদূলিত কংগ্ৰেছ' শীৰ্ষক অভিযানকো ৰঞ্জিত দত্তই তীব্ৰভাৱে সমালোচনা কৰে। তেওঁ এই অভিযানক ২০০১ চনৰ তৰুণ গগৈ চৰকাৰৰ বিফল প্ৰচেষ্টাৰ সৈতে তুলনা কৰি কয় যে, এইবোৰ অৱশেষত 'ফুটুকাৰ ফেন'ত পৰিণত হ'ব। আনকি গৌৰৱ গগৈৰ গৃহ সমষ্টি যোৰহাটতো ৰাইজৰ পৰামৰ্শৰ বাবে ৰখা বাকচ ৰাইজে বিচাৰি পোৱা নাই বুলি কটাক্ষ কৰে। অখিল গগৈক লক্ষ্য কৰি সাংসদগৰাকীয়ে কয় যে, মন্ত্ৰীৰ পৰা ২০ কোটি টকা দাবী কৰাৰ চৰ্চিত বিষয়টো অখিল গগৈৰ বাবে নতুন নহয়। তেওঁ কয়, "আন্দোলনজীৱী অখিল গগৈয়ে আন্দোলনৰ সময়তো ধন দাবী কৰি আহিছে। তেওঁ কাৰ পৰা কেতিয়া কিমান ধন লৈছে, তাৰ তথ্য আমাৰ হাতত নথকা নহয়।" দত্তই স্পষ্ট কৰি দিয়ে যে, যেতিয়ালৈকে অখিল গগৈ থাকিব, তেতিয়ালৈকে এই 'ধনদাবী'ৰ সংস্কৃতিও অব্যাহত থাকিব। বিহালী বিধানসভা সমষ্টিৰ ২০২৬ চনৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী বাছনি সন্দৰ্ভত ৰঞ্জিত দত্তই এক ডাঙৰ ঘোষণা কৰে। তেওঁ কয় যে, বিহালীত কেৱল স্থানীয় ভূমিপুত্ৰয়ে প্ৰাৰ্থিত্ব লাভ কৰিব। বাহিৰৰ কোনো ব্যক্তিয়ে ইয়াত টিকট নাপাব। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ স্পষ্ট ইংগিত দিয়ে যে, গুৱাহাটী নিবাসী চিৰঞ্জীৱ পাঠক আৰু লখিমপুৰৰ উৎপল হাজৰিকাৰ প্ৰাৰ্থিত্বৰ সম্ভাৱনা নাই। তাৰ পৰিৱৰ্তে স্থানীয় নেতা মুনীন্দ্ৰ দাস অথবা অৰূপ কুমাৰ দাসৰ মাজৰ কোনোবা এজনক প্ৰাৰ্থী কৰা হ'ব বুলি নিশ্চিত কৰে। বিৰোধী মিত্ৰজোঁটৰ আসন ভাগ-বতৰা সন্দৰ্ভতো দত্তই ভৱিষ্যদ্বাণী কৰে যে, বিহালী আসনখন কংগ্ৰেছে চিপিআই(এম-এল)ক এৰি দিবলৈ বাধ্য হ'ব। তেওঁৰ মতে, মিত্ৰজোঁটত বিহালী চিপিআই(এম-এল) আৰু সৰভোগ চিপিএমক দিয়াৰ বাহিৰে কংগ্ৰেছৰ আন কোনো বিকল্প নাই। সংবাদমেলত সাংসদগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ এমজিএনৰেগা আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সফলতাৰ ওপৰতো আলোকপাত কৰে। ৰঞ্জিত দত্তৰ এই তীব্ৰ মন্তব্যই বিহালীৰ ৰাজনৈতিক পৰিৱেশত নতুন সমীকৰণৰ সৃষ্টি কৰাৰ সম্ভাৱনা দেখা গৈছে, বিশেষকৈ আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত।

## সোণাপুৰত দেশৰ বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন

হ'ল দেশৰ বস্ত্ৰ মন্ত্ৰীসকলৰ এক বিশাল সন্মিলন। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ যৌথ উদ্যোগত আয়োজিত এই দুদিনীয়া সন্মিলনৰ মূল লক্ষ্য আছিল ভাৰতক বিশ্বৰ অন্যতম প্ৰধান 'গ্ল'বেল টেক্সটাইল হাব' (Global Textile Hub) হিচাপে প্ৰতিষ্ঠা কৰা। সন্মিলনত অংশগ্ৰহণ কৰা বিভিন্ন ৰাজ্যৰ বস্ত্ৰ মন্ত্ৰী, বিশেষজ্ঞ আৰু উদ্যোগপতিসকলে বস্ত্ৰ উদ্যোগৰ বৰ্তমান অৱস্থা, ভৱিষ্যত সম্ভাৱনা আৰু ভাৰতীয় অৰ্থনীতিত ইয়াৰ ভূমিকাক লৈ বিস্তৃত আলোচনা কৰে। সন্মিলনৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে, এই সন্মিলনত বস্ত্ৰ উদ্যোগক ৩৬০ ডিগ্ৰী কোণৰ পৰা বিশ্লেষণ কৰা হৈছে। কৃষকসকলে উৎপাদন কৰা কপাহ, ৰেচম, এড়ী-মুগা আৰু মৰাপাটৰ দৰে কাঁচামালক আধুনিক বৈজ্ঞানিক পদ্ধতিৰে প্ৰক্ৰিয়াকৰণ কৰি বিশ্বমানৰ সামগ্ৰীলৈ ৰূপান্তৰিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, "অসমৰ হস্ততাঁত আৰু পৰম্পৰাগত বস্ত্ৰশিল্পক কেৱল স্থানীয় বজাৰতে সীমাবদ্ধ নৰখাকৈ বিশ্বৰ বজাৰ দখল কৰিব পৰাকৈ শক্তিশালী কৰাৰ এক সুনিৰ্দিষ্ট পৰিকল্পনা গ্ৰহণ কৰা হৈছে। উৎপাদন বৃদ্ধিৰ লগতে উৎপাদিত সামগ্ৰীৰ গুণগত মান উন্নত কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতীয় বস্ত্ৰৰ নিজা ছাব মোহৰ অংকন কৰাই হৈছে আমাৰ মূল লক্ষ্য।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উচ্চাভিলাষী লক্ষ্যৰ কথা উল্লেখ কৰি মাৰ্ঘেৰিটাই জনায় যে, ২০৩০ চনৰ ভিতৰত ভাৰতৰ বস্ত্ৰ উদ্যোগক ৩৫০ বিলিয়ন মাৰ্কিন ডলাৰৰ এক বিশাল উদ্যোগলৈ ৰূপান্তৰিত কৰাৰ লগতে বৰ্তমানৰ ৩৭.৫ বিলিয়ন ডলাৰৰ ৰপ্তানিক ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ বাবে এক সুস্পষ্ট ৰোডমেপ প্ৰস্তুত কৰা হৈছে। তেওঁ কয়, "প্ৰধানমন্ত্ৰীয়ে যি লক্ষ্য স্থিৰ কৰি দিছে, তাক লাভ কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহে হাতে হাত মিলাই কাম কৰিব লাগিব। প্ৰতিখন ৰাজ্যৰ বাবে পৃথক আঁচনি আৰু ভৱিষ্যতৰ পদক্ষেপসমূহ এই সন্মিলনত বিশদভাৱে আলোচনা কৰা হৈছে।" বিশেষজ্ঞসকলে এই সন্মিলনক অসমৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ বাবে এক নতুন দিগন্তৰ সূচনা বুলি অভিহিত কৰিছে। থলুৱা শিপিনী, কৃষক আৰু সৰু-মজলীয়া উদ্যোগীসকলৰ বাবে এই সিদ্ধান্তসমূহে নতুন সম্ভাৱনাৰ দুৱাৰ খুলি দিব বুলি আশা কৰা হৈছে। এই সন্মিলনে কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ দেশৰ বস্ত্ৰ শিল্পৰ বাবে এক নতুন যুগৰ আৰম্ভণি কৰিব বুলি বিশ্বাস কৰা হৈছে।

## জুবিন গাৰ্গ ন্যাসলৈ ৫ কোটি

জীয়াউল কামাৰ এই দলৰ বিশেষ পাব্লিক প্ৰচিকিউটাৰ হিচাপে দায়িত্ব পালন কৰিব। তেওঁৰ সৈতে থাকিব ব্ৰজেন্দ্ৰ মোহন চৌধুৰী, কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু বিকাশ জামাৰ। এই পাঁচজনীয়া বিশিষ্ট আইনজ্ঞৰ দলে সমগ্ৰ ন্যায়িক প্ৰক্ৰিয়াটো আগুৱাই নিব।" একেখন বৈঠকতে জুবিন গাৰ্গ ন্যাসলৈ চৰকাৰৰ ফালৰ পৰা এককালীন ৫ কোটি টকাৰ আৰ্থিক সহায় অনুমোদন কৰা হয়। এই সহায়ৰ জৰিয়তে গায়কজনৰ স্মৃতি ৰক্ষাৰ লগতে তেওঁৰ পৰিয়াল আৰু সামাজিক কাম-কাজত সহায় কৰা হ'ব। কেবিনেটৰ আন সিদ্ধান্তসমূহৰ ভিতৰত অন্যতম হৈছে বড়ো সাহিত্য সভাক এটা মাল্টিপাৰ্পাছ প্ৰজেক্ট কৰাৰ বাবে বেতকুছিত এবিঘা মাটি আবণ্টন দিয়া। লগতে মৰিগাঁও, ডিব্ৰুগড় আৰু কাছাৰ জিলাৰ বিভিন্ন স্থানত মিছন বসুন্ধৰা আঁচনিৰ অধীনত কেইবাগৰাকীও ব্যক্তিক ভূমি আবণ্টনৰ অনুমোদন দিয়া হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আসন্ন অসম ভ্ৰমণৰ কাৰ্যসূচীক লৈয়ো বিশদ আলোচনা হয়। মুখ্যমন্ত্ৰীয়ে জনায় যে, "প্ৰধানমন্ত্ৰী ১৭ জানুৱাৰীৰ বিয়লি গুৱাহাটীত উপস্থিত হ'ব। সেইদিনা সৰুসজাইৰ ষ্টেডিয়ামত ৮-১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। নিশা তেওঁ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত থাকিব।" পিছদিনা পুৱা ১১ বজাত কলিয়াবৰৰ মৌচন্দা পথাৰত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিকল্প পথ হিচাপে কলিয়াবৰৰ পৰা বোকাখাতলৈ ৩৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন এলিভেটেড কৰিডৰ আৰু ফ্লাইওভাৰৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পত মুঠ ৬, ৯৫৭ কোটি টকা ব্যয় হ'ব আৰু কেন্দ্ৰীয় কেবিনেটে ইতিমধ্যে অনুমোদন দিছে। ইয়াৰ ফলত যোৰহাটৰ পৰা গুৱাহাটীলৈ যোৱাৰ দূৰত্ব যথেষ্ট কমি আহিব। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটী-কলকাতাৰ মাজত চলাচল কৰিবলগীয়া বন্দে ভাৰত শ্লীপাৰ ৰে'লৰ ফ্লেগ অফ কৰিব। লগতে ১৮ জানুৱাৰীত ডিব্ৰুগড়-লক্ষ্ণৌ আৰু গুৱাহাটী-নতুন দিল্লীৰ মাজত দুখন নতুন ৰে'ল সেৱাৰো আনুষ্ঠানিক উদ্বোধন কৰিব। এই সকলোবোৰ সিদ্ধান্তই ৰাজ্যৰ সাংস্কৃতিক, ন্যায়িক আৰু অৱকাঠামোগত উন্নয়নৰ দিশত নতুন গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে।

## কৰ্ণাটকত ৯৩,০০০ কোটি টকাৰ ৰেকৰ্ড ঋণৰ

বিজেপি চৰকাৰক ঋণ লৈ চৰকাৰ চলোৱা বুলি সদায় আক্ৰমণ কৰি আহিছে, কিন্তু একেয়ে সময়তে কংগ্ৰেছ শাসিত কৰ্ণাটক চৰকাৰে ভাৰতৰ ইতিহাসত সৰ্বাধিক পৰিমাণৰ ঋণ গ্ৰহণৰ ৰেকৰ্ড গঢ়িছে। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ (আৰ বি আই) তথ্য অনুসৰি, ২০২৫-২৬ বিত্তীয় বৰ্ষৰ চতুৰ্থ ত্ৰৈমাসিকত (জানুৱাৰী-মাৰ্চ ২০২৬) কৰ্ণাটক চৰকাৰে ৯৩, ০০০ কোটি টকাৰ ঋণ গ্ৰহণৰ পৰিকল্পনা কৰিছে। এয়া ভাৰতৰ যিকোনো ৰাজ্যই এই সময়ছোৱাত গ্ৰহণ কৰা সৰ্বাধিক ঋণ বুলি জানিব পৰা গৈছে। দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলে মিলি এই ত্ৰৈমাসিকত প্ৰায় ৪.৯৯ লাখ কোটি টকা ঋণ ল'বলৈ সাজু হৈছে, যাৰ প্ৰায় ১৯ শতাংশ অৰ্থাৎ এক বৃহৎ অংশ কেৱল কৰ্ণাটকেই ল'ব। মন্ত্ৰী পীযুষ হাজৰিকাই উল্লেখ কৰে যে, এই বিপুল ঋণৰ ফলত কৰ্ণাটক চৰকাৰৰ মুঠ ঋণ ১.১৬ লাখ কোটি টকালৈ বৃদ্ধি পাইছে, যিটো ৰেকৰ্ডস্বৰূপ। তেওঁ কয় যে, এই ঋণৰ এটা বৃহৎ অংশ পূৰ্বৰ ঋণ পৰিশোধ কৰিবলৈ আৰু বিভিন্ন গেৰেণ্টী আঁচনিৰ বাবে ব্যৱহাৰ কৰা হৈছে, যিয়ে ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থাপনাৰ দুৰ্বলতা আৰু থৰক-বৰক অৱস্থা প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, কৰ্ণাটক চৰকাৰে লোৱা এই বিপুল ঋণৰ ৪ক্স অংশ মুছলমান সম্প্ৰদায়ৰ বাবে বিশেষ আঁচনি আৰু তুষ্টিকৰণৰ কামত ব্যৱহাৰ কৰিব। ইয়াৰ আগতে ২০২৫-২৬ বাজেটত কৰ্ণাটক চৰকাৰে চৰকাৰী টেণ্ডাৰ আৰু চুক্তিত মুছলমানসকলৰ বাবে ৪ শতাংশ সংৰক্ষণ ঘোষণা কৰিছিল, যিটোক বিজেপিয়ে তীব্ৰ সমালোচনা কৰিছে। মন্ত্ৰী হাজৰিকাই কংগ্ৰেছ দলক উদ্দেশ্য কৰি কয় যে, অসমত বিজেপি চৰকাৰক ঋণৰ বাবে অপবাদ দি থকাৰ সময়তে কংগ্ৰেছৰ নিজৰ শাসিত ৰাজ্যত এনে অবিশ্বাস্য পৰিমাণৰ ঋণ লোৱা কাৰ্যই দলটোৰ দ্বিমুখী নীতি আৰু ভণ্ডামি উন্মোচন কৰিছে। আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে কংগ্ৰেছ দলে কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰক অসম কংগ্ৰেছৰ নিৰ্বাচনী তত্ত্বাৱধায়ক নিযুক্তি দিছে। গতিকে এই ঋণৰ জৰিয়তে কৰ্ণাটকৰ চৰকাৰে অসমত নিৰ্বাচনী সুবিধা ল'বলৈ চেষ্টা কৰিছে বুলি তেওঁ অভিযোগ কৰে। তেওঁ সৰ্বসাধাৰণৰ মনত উদয় হোৱা কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে: কৰ্ণাটকৰ এই শোচনীয় বিত্তীয় অৱস্থাৰ সন্দৰ্ভত কংগ্ৰেছ কৰ্মীসকলে কি উত্তৰ দিব? পূৰ্বৰ ঋণ পৰিশোধৰ বাবে নতুন ঋণ লোৱাক কি বুলি ক'ব? বিজেপিক ঋণ লৈ চৰকাৰ চলোৱা দল বুলি ক'বলৈ এতিয়া তেওঁলোকৰ লাজ লাগিবনে? কৰ্ণাটকৰ ঋণৰ ধন অসমত নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ ব্যৱহাৰ কৰাৰ প্ৰচেষ্টাৰ সন্দৰ্ভত কংগ্ৰেছ দলে নিজৰ নৈতিক স্থিতিৰ বিষয়ে কি মন্তব্য দিব? মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে, কংগ্ৰেছ দলে ৰাজহুৱা সভাত বিজেপিক ঋণ লৈ আঁচনি দিয়া বুলি অভিযোগ কৰে, কিন্তু নিজৰ ৰাজ্যত ঋণ লৈ সৰ্বসাধাৰণক আঁচনি দিয়াৰ লগতে একাংশক তুষ্টিকৰণৰ কামত ব্যৱহাৰ কৰিছে। এই কাৰ্যক তেওঁ কৰ্ণাটকৰ বাবে ভয়ংকৰ বুলি অভিহিত কৰিছে আৰু ইয়াক সুশাসনৰ পৰিৱৰ্তে থৰক-বৰক বিত্তীয় ব্যৱস্থাপনাৰ উদাহৰণ বুলি কয়। এই বিষয়ে অসমৰ ৰাজনৈতিক মহলত তীব্ৰ আলোচনা চলিছে, আৰু ইয়াৰ প্ৰভাৱ আগন্তুক নিৰ্বাচনত পৰিব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## ৰাইজৰ দলৰ মুখ্য নিৰ্বাচনী

তালিকাৰ বিশেষ সংশোধন (Special Revision) প্ৰক্ৰিয়াক লৈ ৰাজ্যত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। এই পৰিপ্ৰেক্ষিতত ৰাইজৰ দলে শুকুৰবাৰে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত (Chief Election Commissioner) আৰু অসমৰ মুখ্য নিৰ্বাচনী বিষয়া (Chief Electoral Officer)লৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই ৪ জানুৱাৰীত অনুষ্ঠিত এক ভিডিঅ' কনফাৰেন্সত কৰা কথিত মন্তব্যক কেন্দ্ৰ কৰি। ৰাইজৰ দলৰ অভিযোগ অনুসৰি, সন্ধিয়া ৮.০১ বজাৰ পৰা ৮.৪১ বজালৈ চলা এই ভিডিঅ' কনফাৰেন্সত দিলীপ শইকীয়াই বিজেপিৰ মন্ত্ৰী, বিধায়ক, জিলা সভাপতি আৰু মণ্ডল সভাপতিসকলক নিৰ্দেশ দিছে যে, ৰাজ্যৰ ৬০টা বিধানসভা সমষ্টিত প্ৰতিটো সমষ্টিৰ পৰা প্ৰায় ১০ হাজাৰকৈ বিজেপি-বিৰোধী ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ। অভিযোগ অনুসৰি, এই কামৰ দায়িত্ব বিশেষকৈ আবাস আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহালক অৰ্পণ কৰা হৈছে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এই ভিডিঅ' কনফাৰেন্সৰ কথোপকথন নিজে শুনা বুলি দাবী কৰিছে। তেওঁৰ মতে, এই নিৰ্দেশৰ জৰিয়তে বিজেপিয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াক বিপন্ন কৰি নিৰ্বাচনী ফলাফলত কাৰচুপি কৰাৰ এক ভয়ংকৰ অভিসন্ধি ৰচনা কৰিছে। অখিল গগৈয়ে স্মাৰকপত্ৰত দাবী জনাইছে যে, উক্ত ভিডিঅ' কনফাৰেন্সৰ সম্পূৰ্ণ ফুটেজ অৱিলম্বে জব্দ কৰি সংৰক্ষণ কৰা হওক আৰু এই বিষয়ত নিৰপেক্ষ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰা হওক। লগতে বিশেষ সংশোধন প্ৰক্ৰিয়া স্থগিত ৰখাৰ দাবীও উত্থাপন কৰা হৈছে। উল্লেখ্য যে, অখিল গগৈয়ে এই অভিযোগ প্ৰথমে ছ'চিয়েল মিডিয়াৰ জৰিয়তে প্ৰকাশ কৰিছিল আৰু তাৰ পিছতে ইয়াক লৈ ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি হৈছে। আনহাতে দিলীপ শইকীয়াই এই অভিযোগসমূহক সম্পূৰ্ণ ভিত্তিহীন, মিছলীয়া আৰু জনসাধাৰণক বিভ্ৰান্ত কৰাৰ প্ৰচেষ্টা বুলি তীব্ৰ ভাষাৰে খণ্ডন কৰিছে। তেওঁ কৈছে যে, ভোটাৰ তালিকাত নাম যোগ বা কৰ্তনৰ কাম কেৱল নিৰ্বাচন আয়োগৰ দ্বাৰাই নিয়ম অনুসৰি কৰা হয়। এই ঘটনাই ৰাজ্যৰ বিৰোধী দলসমূহৰ মাজত ঐক্যৰ প্ৰদৰ্শন ঘটাইছে। ইয়াৰ আগতে শুকুৰবাৰেই বিৰোধী দলসমূহৰ প্ৰতিনিধিসকলে দিছপুৰ আৰক্ষী থানাত দিলীপ শইকীয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। এই সকলোবোৰ পদক্ষেপৰ ফলত আগন্তুক নিৰ্বাচনক লৈ ৰাজ্যিক ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি হৈছে আৰু নিৰ্বাচন আয়োগৰ ওপৰতো গুৰুতৰ দায়িত্ব আহি পৰিছে।

## পশ্চিম কাৰ্বি আংলঙৰ

এই পৰিপ্ৰেক্ষিতত বিজেপিৰ ৰাজ্যিক সভাপতি তথা লোকসভাৰ সাংসদ দিলীপ শইকীয়াই আজি পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত উপস্থিত হৈ দুয়োখন পাৰ্বত্য জিলা-কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ বিজেপি কৰ্মী আৰু নেতৃত্বৰ সৈতে গুৰুত্বপূৰ্ণ মত বিনিময় কৰে। সভাত সভাপতি দিলীপ শইকীয়াই স্পষ্টভাৱে কয় যে, বিজেপিৰ লক্ষ্য হৈছে ২০২৬ চনৰ নিৰ্বাচনত পুনৰ তৃতীয়বাৰৰ বাবে অসমত নিজৰ চৰকাৰ গঠন কৰাৰ লগতে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ দখল অটুট ৰখা। এই লক্ষ্য সাধনৰ বাবে তেওঁ সাংগঠনিক দিশত প্ৰয়োজনীয় দিহা-পৰামৰ্শ প্ৰদান কৰে আৰু নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দিলীপ শইকীয়াই কাৰ্বি আংলঙবাসীক সম্বোধন কৰি কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ আৰু অসমত বিজেপি নেতৃত্বাধীন চৰকাৰে সমদৃষ্টিৰে কৰা উন্নয়ন আৰু উত্তৰণৰ যাত্ৰাই ৰাজ্যৰ সৰ্বস্তৰৰ জনগোষ্ঠীৰ জীৱনত নতুন ৰূপ আনিছে। তেওঁ এই উন্নয়ন যাত্ৰাক অব্যাহত ৰখাৰ স্বাৰ্থত বিজেপিক সহায়-সহযোগিতা আগবঢ়াই যোৱাৰ বাবে পাৰ্বত্য অঞ্চলৰ ৰাইজৰ প্ৰতি আহ্বান জনায়। সভাপতি শইকীয়াই নিৰ্বাচনী ৰণশিঙা বজাই কৰ্মী আৰু ভোটাৰসকলক উদ্দীপিত কৰি কয় যে, ২০২৬ চনৰ নিৰ্বাচনত কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও-এই তিনিখন পাৰ্বত্য জিলাৰ প্ৰতিটো বুথৰ পৰা বিজেপিক বিপুল ভোটেৰে জয়যুক্ত কৰিব লাগিব। তিনিখন জিলাত থকা মুঠ ৬টা বিধানসভা সমষ্টিতো বিজেপিয়ে অভূতপূৰ্ব সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰিবলৈ সকলোৱে একেলগে কাম কৰিব লাগিব বুলি তেওঁ জোৰ দি কয়। উল্লেখ্য যে, পাৰ্বত্য অঞ্চলসমূহত বিজেপিৰ শক্তি বৃদ্ধি কৰাটো দলৰ বাবে অতি গুৰুত্বপূৰ্ণ কৌশলগত দিশ। দিলীপ শইকীয়াৰ এই পৰিদৰ্শন আৰু কৰ্মীসকলৰ সৈতে হোৱা এই গুৰুত্বপূৰ্ণ আলোচনাই ২০২৬ৰ নিৰ্বাচনত পাৰ্বত্য জিলাসমূহত দলৰ প্ৰদৰ্শনক অধিক শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে।

## চূড়ান্ত হৈয়ো সম্পন্ন নহ'ল

খাৰুৱা তেল আমদানি কৰা দেশসমূহ এই বিধেয়কৰ প্ৰত্যক্ষ প্ৰভাৱৰ সন্মুখীন হ'ব পাৰে। আমেৰিকাৰ সাংসদ লিণ্ডছে গ্ৰেহামে চলিত সপ্তাহতে জানিবলৈ দিয়ে যে, ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই প্ৰস্তাৱিত আইনখনৰ বাবে সেউজ সংকেত প্ৰদান কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে শুকুৰবাৰে সংবাদ মাধ্যমক সম্বোধন কৰি কয়, "আমি প্ৰস্তাৱিত বিধেয়কখনৰ বিষয়ে সম্পূৰ্ণ অৱগত। বিষয়টোৰ শেহতীয়া পৰিস্থিতি আৰু বিকাশসমূহক আমি অতি তীক্ষ্ণভাৱে পৰ্যবেক্ষণ কৰি আছো। শক্তিৰ উৎসৰ বিষয়ে আমাৰ স্থিতি সকলোৱে জানে।" তেওঁ কয়, "এই প্ৰচেষ্টাৰ ক্ষেত্ৰত আমি বিশ্ব বজাৰৰ পৰিৱৰ্তিত পৰিস্থিতিৰ লগতে ১৪ লাখ লোকৰ শক্তি সুৰক্ষাৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিছো। বিভিন্ন উৎসৰ পৰা সুলভ আৰু নিৰাপদ শক্তি আহৰণ কৰাটোৱেই আমাৰ মূল লক্ষ্য।" বাংলাদেশৰ সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণৰ সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰি কয় যে, উগ্ৰবাদী উপাদানসমূহে বাসস্থান আৰু ব্যৱসায়কে ধৰি সংখ্যালঘুসকলৰ ওপৰত বাৰে বাৰে আক্ৰমণ চলাই অহাৰ এক চিন্তনীয় ধাৰা দেখা গৈছে। তেওঁ কয়, "এনে সাম্প্ৰদায়িক কাণ্ডৰ সৈতে তৎকালীন আৰু দৃঢ়তাৰে মোকাবিলা কৰাটো অতি প্ৰয়োজনীয়। ব্যক্তিগত প্ৰতিদ্বন্দ্বিতা, ৰাজনৈতিক মতানৈক্য বা অন্যান্য বাহ্যিক কাৰণৰ আঁৰত লুকাই এনে অপৰাধক ঢাকিবলৈ চেষ্টা কৰিলে অপৰাধীসকলক অধিক সাহস দিয়া হ'ব আৰু সংখ্যালঘুসকলৰ মাজত ভয় আৰু নিৰাপত্তাহীনতা বৃদ্ধি পাব।" ছ'গাম উপত্যকাৰ সন্দৰ্ভত জয়ছোৱালে স্পষ্ট কৰি কয় যে, এই অঞ্চল ভাৰতৰ অবিচ্ছেদ্য অংশ। ১৯৬৩ চনত স্বাক্ষৰিত তথাকথিত চীন-পাকিস্তান সীমা চুক্তিক ভাৰতে কেতিয়াও স্বীকৃতি দিয়া নাই আৰু ইয়াক অবৈধ বুলি অভিহিত কৰিছে। তেওঁ কয়, "পাকিস্তানৰ বলপূৰ্বক আৰু অবৈধ দখলত থকা ভাৰতৰ ভূখণ্ডৰ মাজেৰে পাৰ হৈ যোৱা তথাকথিত চীন-পাকিস্তান অৰ্থনৈতিক কৰিডৰকো আমি স্বীকৃতি নিদিওঁ। জম্মু-কাশ্মীৰ আৰু লাডাখৰ সমগ্ৰ কেন্দ্ৰীয় শাসিত অঞ্চল ভাৰতৰ এক অভিন্ন আৰু অবিচ্ছেদ্য অংশ। এই কথা আমি কেইবাবাৰো পাকিস্তান আৰু চীনক স্পষ্টভাৱে জনাইছোঁ।" টাইৱানৰ সমীপত চীনৰ সামৰিক অনুশীলনৰ প্ৰসংগত মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু স্থিতিশীলতাৰ প্ৰতি অতি আগ্ৰহী। সকলো পক্ষকে সংযম বজাই ৰখা, একপক্ষীয় কাম-কাজ পৰিহাৰ কৰা আৰু ভাবুকি বা বল প্ৰয়োগ নকৰাকৈ শান্তিপূৰ্ণ উপায়েৰে সমস্যাৰ সমাধান কৰাৰ বাবে আহ্বান জনোৱা হৈছে। আমেৰিকাৰ বাণিজ্য সচিবৰ মন্তব্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জয়ছোৱালে কয় যে, ভাৰত আৰু আমেৰিকাই বিগত বছৰৰ ফেব্ৰুৱাৰীৰ পৰা দ্বিপাক্ষিক বাণিজ্যিক চুক্তিৰ আলোচনাত প্ৰতিশ্ৰুতিবদ্ধ। দুয়োপক্ষই সুষম আৰু পাৰস্পৰিকভাৱে লাভজনক চুক্তিত উপনীত হ'বলৈ একাধিক দফাত আলোচনা কৰি আহিছে। এই বিষয়ে তেওঁ কয়, "প্ৰতিবেদনত এই আলোচনাসমূহৰ বৰ্ণনা সঠিক নহয়। আমি দুখন পৰিপূৰক অৰ্থনীতিৰ মাজত পাৰস্পৰিকভাৱে লাভজনক বাণিজ্যিক চুক্তিৰ প্ৰতি আগ্ৰহী আৰু ইয়াক সমাপ্ত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ২০২৫ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতি ট্ৰাম্পে আঠবাৰকৈ ফোনত কথা পাতি আমাৰ ব্যাপক অংশীদাৰিত্বৰ বিভিন্ন দিশ নিয়ে আলোচনা কৰিছে।" এই প্ৰতিক্ৰিয়াই ভাৰতৰ বৈদেশিক নীতিৰ স্বচ্ছতা আৰু স্বাৰ্থ সুৰক্ষাৰ দৃঢ় অৱস্থানক পুনৰ প্ৰতিষ্ঠিত কৰিছে।

## বিজেপিৰ ৰাজ্যিক সভাপতি

সাংসদ দিলীপ শইকীয়াৰ বিৰুদ্ধে এখন গুৰুতৰ এজাহাৰ দাখিল কৰিছে। এজাহাৰত অভিযোগ কৰা হৈছে যে, দিলীপ শইকীয়াই নিৰ্বাচনী আচৰণ বিধি লংঘন কৰি ভোট চুৰিৰ (vote theft) এক ষড়যন্ত্ৰ ৰচনা কৰিছে। বিশেষকৈ ৰাজ্যৰ ৬০টা বিধানসভা সমষ্টিত বিজেপিৰ বিৰোধী ভোটাৰসকলৰ নাম ভোটাৰ তালিকাৰ পৰা আঁতৰোৱাৰ বাবে দলীয় নেতা-কৰ্মীসকলক নিৰ্দেশ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। এই অভিযোগৰ মূল উৎস হৈছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ দাবী। তেওঁ প্ৰকাশ্যে কৈছে যে, ৪ জানুৱাৰীত অনুষ্ঠিত এখন ভিডিঅ' কনফাৰেন্সত দিলীপ শইকীয়াই বিজেপিৰ মন্ত্ৰী, বিধায়ক, জিলা সভাপতি আৰু মণ্ডল সভাপতিসকলক নিৰ্দেশ দিছে যে, বিজেপিক ভোট নিদিয়া বা বিৰোধীপক্ষৰ সমৰ্থক ভোটাৰসকলক চিনাক্ত কৰি তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ। অখিল গগৈৰ মতে, প্ৰতিটো সমষ্টিত প্ৰায় ১০ হাজাৰকৈ বিৰোধী ভোটাৰৰ নাম আঁতৰোৱাৰ পৰিকল্পনা কৰা হৈছে আৰু এই কামৰ দায়িত্ব মন্ত্ৰী অশোক সিংহালক অৰ্পণ কৰা হৈছে। লগতে ১২ জানুৱাৰীৰ ভিতৰত বুথ অনুসৰি এই তালিকা জমা দিয়াৰ নিৰ্দেশ দিয়া হৈছিল বুলি অভিযোগ কৰা হৈছে। এজাহাৰ দাখিলৰ সময়ত দিছপুৰ থানা প্ৰাঙ্গণত উপস্থিত থাকে কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ (অজাপ), চিপিআই(এম), চিপিআই(এমএল) আদি বিৰোধী দলৰ নেতৃত্ব। কংগ্ৰেছৰ ৰিপুন বৰা, ৰকিবুল হুছেইন, ৰাছেল আহমেদ, লুৰীণজ্যোতি গগৈ, মীৰা বৰঠাকুৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট নেতাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে, অখিল গগৈয়ে এই অভিযোগ উত্থাপন কৰাৰ পিছতে দিলীপ শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অভিযোগসমূহক ভিত্তিহীন আৰু মিছলীয়া বুলি খণ্ডন কৰিছে। তথাপি বিৰোধী দলসমূহে এই ঘটনাক গণতন্ত্ৰৰ ওপৰত আক্ৰমণ বুলি অভিহিত কৰি নিৰ্বাচন আয়োগকো অভিযোগ দাখিল কৰিছে আৰু ভিডিঅ' কনফাৰেন্সৰ ফুটেজ সংৰক্ষণ কৰি তদন্তৰ দাবী জনাইছে। দিছপুৰ থানাই এজাহাৰ গ্ৰহণ কৰাৰ কথা স্বীকাৰ কৰিছে যদিও এতিয়ালৈকে এফ আই আৰ ৰেজিষ্টাৰ হোৱা নাই বুলি জানিব পৰা গৈছে। এই ঘটনাই আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে।

## কম বয়সত বিয়া পাতি দুই-

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ স্পষ্টভাৱে কয় যে, অসমীয়া লোকে দেৰিকৈ বিয়া পাতি অলপ সন্তান জন্ম দিয়াৰ ফলত বিশ-পঞ্চাশ বছৰৰ পিছত অসমীয়াৰ অস্তিত্বই সংকটাপন্ন হ'ব পাৰে। শুকুৰবাৰে জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা (ADRE)ৰ জৰিয়তে নিৰ্বাচিত ৪, ৩৪৭ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই গুৰুতৰ বিষয়টো উত্থাপন কৰে। নৱনিযুক্তসকলক উদ্দেশ্য কৰি তেওঁ কয়, "যিসকলৰ এতিয়াও বিয়া হোৱা নাই, তেওঁলোকে এবছৰৰ ভিতৰত বিয়া পাতিব লাগে। বিয়া পাতিছ' যেতিয়া কমচে কম এটাতো সন্তান জন্ম দিয়ক। দুটা-তিনিটালৈকে সন্তান জন্ম দিয়া উচিত। নহ'লে অসমীয়া মানুহৰ সংখ্যা কমি গৈ অসমত সংখ্যালঘু হৈ পৰিব।" মুখ্যমন্ত্ৰীয়ে আকৌ কয়, "আজিকালি অসমীয়া ল'ৰা-ছোৱালীয়ে ত্ৰিশ বছৰ বয়সত বিয়া পাতে। তেনেকৈ বিয়া পাতিলে ৰিটায়াৰমেণ্টৰ সময়ত ডাঙৰ ল'ৰা-ছোৱালীৰ বয়স মাত্ৰ আঠাইশ-ত্ৰিশ বছৰহে হ'ব। আগতে আমাৰ দেউতাহঁতে অৱসৰৰ সময়ত নাতি-নাতিনী দেখিছিল। কিন্তু এতিয়া সেই দৃশ্য বিৰল হৈ পৰিছে।" তেওঁ অসমৰ বিভিন্ন অঞ্চলৰ জনসংখ্যাৰ পাৰ্থক্যৰ কথাও উল্লেখ কৰি কয়, "ধুবুৰী-মানকাচৰলৈ গ'লে ৰাস্তাতে বাচ্ছা বাচ্ছা দেখা যায়। কিন্তু শিৱসাগৰ-যোৰহাট-ডিব্ৰুগড়ত গ'লে বাচ্ছা দেখাই নাপায়। এই ভাৰসাম্যহীনতা অতি চিন্তনীয়। যাৰ ঘৰত আঠ-নটা সন্তান আছে, তেওঁলোকেও দুই-তিনিটালৈকে নমাই আনিব লাগিব। তেতিয়াহে জনসংখ্যাৰ ভাৰসাম্য ৰক্ষা হ'ব।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, কেৱল চাকৰি পোৱা অবিবাহিত যুৱক-যুৱতীসকলেই নহয়, যিসকলে বিয়া পাতিছে কিন্তু চাকৰিৰ অজুহাতত সন্তান জন্ম দিয়া নাই, তেওঁলোকেও সোনকালে সন্তান জন্ম দিয়াৰ বাবে সচেষ্ট হ'ব লাগিব। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয়, "ইমান চিন্তা কৰি থাকিলে নহ'ব। বিশ-পঞ্চাশ বছৰৰ পিছত আমাৰ অসমীয়া মানুহৰ সঁচ থাকিবনে নাই? পৃথিৱীৰ পৰা নোহোৱা হৈ যাম নেকি?" এই মন্তব্যই ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে জনসংখ্যাৰ ভাৰসাম্য ৰক্ষাৰ বাবে অসমীয়া সমাজক সচেতন হ'বলৈ আহ্বান জনোৱাৰ লগতে এই বিষয়টোক ৰাজনৈতিকভাৱে সংবেদনশীল কৰি তুলিছে। অনুষ্ঠানত উপস্থিত নৱনিযুক্ত চৰকাৰী কৰ্মচাৰীসকলে মুখ্যমন্ত্ৰীৰ এই আহ্বানক বিভিন্ন দৃষ্টিকোণৰ পৰা গ্ৰহণ কৰা দেখা গৈছে।

## মহামিলন ঘটিল অসম জাতীয়

(৯ জানুৱাৰী) প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰাজেন গোহাঁইৰ যোগদানৰ পিছতে এতিয়া অজিত কুমাৰ ভূএগ নেতৃত্বাধীন 'জাতীয় দল, অসম' আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদ (অজাপ)ত যোগদান কৰিলে। দিছপুৰস্থিত লোক নিৰ্মাণ বিভাগৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই যোগদান অনুষ্ঠানত অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে অজিত কুমাৰ ভূএগক আন্তৰিক আদৰণি জনাই দলৰ নতুন সদস্য হিচাপে গ্ৰহণ কৰে। একে অনুষ্ঠানতে বিজেপিৰ মুখপাত্ৰ সুশান্ত নাথেও অজাপত যোগদান কৰে। অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে সামাজিক মাধ্যমৰ জৰিয়তে এই যোগদানক অসমৰ জাতীয়তাবাদী ৰাজনীতিৰ এক নতুন অধ্যায়ৰ সূচনা বুলি অভিহিত কৰি কয়, "ৰাজ্যসভাৰ সাংসদ, বলিষ্ঠ জাতীয়তাবাদী ব্যক্তিত্ব আৰু এসময়ৰ সৎ তথা সাহসী সাংবাদিক অজিত কুমাৰ ভূএগই তেখেতৰ 'জাতীয় দল, অসম'ৰ সৈতে আজি অসম জাতীয় পৰিষদত আনুষ্ঠানিকভাৱে যোগদান কৰিলে। এই সংযোজন কেৱল এটা দলীয় একত্ৰীকৰণ নহয়; ই অসমৰ স্বাভিমান, অধিকাৰ আৰু অস্তিত্ব ৰক্ষাৰ যুঁজখনক অধিক সংগঠিত, শক্তিশালী আৰু সংহত কৰি তুলিব।" তেওঁ আগবঢ়াই লিখে, "অসম আৰু অসমীয়াৰ স্বাভিমানৰ যুঁজত একেলগে আগবাঢ়ি যোৱাৰ দৃঢ় সংকল্প লৈ অজিত কুমাৰ ভূএগ দেৱ আৰু তেখেতৰ সহযোদ্ধাসকলক অসম জাতীয় পৰিষদৰ পবিত্ৰ মঞ্চলৈ হৃদয়ৰ পৰা আদৰণি আৰু অভিনন্দন জনাইছোঁ।" উল্লেখ্য যে, অজিত কুমাৰ ভূএগই ২০২০ চনত কংগ্ৰেছ, এ আই ইউ ডি এফ, চিপিআই আৰু নিৰ্দলীয় বিধায়কসকলৰ সহযোগত ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকাল ২০২৬ চনত সমাপ্ত হ'ব। বৰ্তমান তেওঁ বিৰোধী ঐক্য মঞ্চ 'অসম সন্মিলিত মৰ্চা'ৰ সভাপতিৰ দায়িত্ব পালন কৰি আহিছে। এই যোগদানৰ ফলত অজাপ দল অধিক শক্তিশালী হোৱাৰ লগতে দলৰ নেতা-কৰ্মীসকলৰ মাজত নতুন উৎসাহ আৰু উদ্দীপনাৰ সৃষ্টি হৈছে বুলি দলীয় সূত্ৰে জানিব পৰা গৈছে। বিশেষকৈ ৰাজেন গোহাঁই আৰু অজিত কুমাৰ ভূএগৰ দৰে প্ৰভাৱশালী নেতৃত্বৰ যোগদানে ২০২৬ চনৰ নিৰ্বাচনত বিৰোধী শক্তিসমূহৰ মাজত নতুন গতি আনিব পাৰে বুলি ৰাজনৈতিক বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। অজিত কুমাৰ ভূএগই অজাপত যোগদান কৰাৰ পিছতো তেওঁৰ সক্ৰিয় ৰাজনীতিত ভৱিষ্যতে কি ভূমিকা গ্ৰহণ কৰিব সেয়া এতিয়াও স্পষ্ট নহয়। ৰাজ্যসভাৰ কাৰ্যকাল শেষ হোৱাৰ পিছত তেওঁ সক্ৰিয় ৰাজনীতিত অব্যাহত ৰাখিব নে নাই, সেই বিষয়ে ৰাজনৈতিক মহলত চৰ্চা চলি আছে যদিও ভূএগই এতিয়ালৈকে কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই। এই যোগদানক বিৰোধী ঐক্যৰ দিশত এক গুৰুত্বপূৰ্ণ আৰু ইতিবাচক পদক্ষেপ বুলি বিবেচনা কৰা হৈছে, যিয়ে আগন্তুক নিৰ্বাচনত অসমৰ জাতীয়তাবাদী শক্তিসমূহৰ মাজত নতুন সমীকৰণ গঢ়ি তুলিব পাৰে।

## ব্যস্ততামুখৰ বিজনীৰ বৰলাউ

কাৰ্যসূচীৰে বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক বাৰ্ষিক অধিৱেশন আৰম্ভ হৈছে। সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ পৰামৰ্শ অনুযায়ী অভ্যৰ্থনা সমিতিয়ে জিলা কমিটিৰ সহযোগত অধিৱেশনৰ সকলো কাৰ্যসূচী অতি নিয়াৰিকৈ ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী মৰ্মে পুৱাৰ ভাগত বিটিচিৰ কাৰ্যবাহী সদস্য তথা অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে স্বৰ্গীয় মহেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য তোৰণ মুকলি কৰি অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। পৰৱৰ্তী স্বৰ্গীয় পদ্মলোচন ব্ৰহ্ম সোঁৱৰণী মূল পেণ্ডেল উন্মোচন কৰে চিৰাং জিলা আয়ুক্ত যতীন বৰাই, ছানজাৱাং লক্ষেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মূল মঞ্চ উন্মোচন কৰে বড়ো সাহিত্য সভাৰ বিজনী জিলা কমিটিৰ প্ৰতিষ্ঠাপক সভাপতি ফুলিচৰন বসুমতাৰীয়ে, স্বৰ্গীয় জয় কুমাৰ ব্ৰহ্ম প্ৰতিনিধি কক্ষ উন্মোচন কৰে বিটিচিৰ পাৰিষদ জেমছ বসুমতাৰীয়ে, শ্বহীদ থুলুংগানী থানদৈ মহেশ্বৰ মুছাহাৰী সোঁৱৰণী ল'ৰা স্বেচ্ছাসেৱক শিবিৰ উন্মোচন কৰে বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্তই। স্বৰ্গীয় মোহিনী বসুমতাৰী সোঁৱৰণী প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে বিজনীৰ মহকুমাধিপতি অৰিজিৎ মহাজনে। একাদিক্ৰমে স্বৰ্গীয় কণিকা বসুমতাৰী সোঁৱৰণী ছোৱালী স্বেচ্ছাসেৱক শিবিৰ, শ্বহীদ ফাওলাছ হাজোৱাৰী সোঁৱৰণী ভোজন কক্ষ, প্ৰাক্তন বিধায়ক স্বৰ্গীয় গণেশ বড়ো সোঁৱৰণী অতিথালা, পুৰুষ আৰু মহিলাৰ পৃথক পৃথক প্ৰতিনিধি শিবিৰ মুকলি কৰাৰ পাছত অভ্যৰ্থনা কমিটিৰ কাৰ্যালয়, স্বাস্থ্য শিবিৰ, মুকলি বজাৰ আদি উন্মোচন কৰা হয়। ইয়াৰ সমান্তৰালভাৱে সাহিত্য সভাত অংশগ্ৰহণ কৰা প্ৰতিনিধি সকলৰ নাম পঞ্জীয়ন চলাই লৈ যোৱা হয়। দুপৰীয়াৰ ভাগত অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া হেমন্ত নাৰ্জাৰীৰ অধ্যক্ষতাত "সপোনৰ পৰা গন্তব্যস্থললৈঃ প্ৰতিযোগিতা মুলক পৰীক্ষাত সফলতাৰ কৌশল" শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। বড়োবাজাৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া চৰণ নাৰ্জাৰীয়ে উদ্বোধন কৰা উক্ত আলোচনা চক্ৰত কোকৰাঝাৰৰ বিবি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল কুমাৰ ব্ৰহ্ম, হায়দৰাবাদত এফ. ডিআৰডিঅত কৰ্মৰত বিজ্ঞানী ড° হিমালয়া বসুমতাৰী আৰু কোকৰাঝাৰৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ড° অমিত কুমাৰ মুছাহাৰী সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। আবেলিৰ ভাগত বড়োবাজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ অৰুণ চন্দ্ৰ মুছাহাৰীৰ অধ্যক্ষতাত কবি সন্মিলন অনুষ্ঠিত হয়। কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আদাৰাম বসুমতাৰীয়ে উদ্বোধন কৰা উক্ত কবি সন্মিলনত কেবাগৰাকীও কবিয়ে কবিতা আবৃত্তি কৰে। ইয়াৰ পৰৱৰ্তী বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰহাছগিৰি বসুমতাৰীৰ অধ্যক্ষতাত "পৰিৱৰ্তনৰ ৰূপৰেখাঃ বড়োসকলৰ সমসাময়িক আৰ্থ সামাজিক জীৱন অন্বেষণ" শীৰ্ষক আন এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। অসমৰ কেবিনেট মন্ত্ৰী চৰণ বড়োৱা উদ্বোধন কৰা উক্ত আলোচনাচক্ৰত হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক ফণীন্দ্ৰ গয়াৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ সভাপতি খ্ৰৌমদাও ওৱাৰী, গুৱাহাটী আইআইটিৰ সহকাৰী অধ্যাপক ড° পিনোশ হাজোৱাৰী সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিষয় বস্তুৰ ওপৰত আলোকপাত কৰে। ইফালে সন্ধিয়াৰ ভাগত অধিৱেশনৰ মুখ্য বিষয় প্ৰথম প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। আনহাতে সন্ধিয়াৰ ভাগতেই পাণবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুনিতি বসুমতাৰীয়ে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উন্মোচন কৰিব। ইয়াৰ পৰৱৰ্তী দ্বিতীয় দিনাও বিস্তৃত কাৰ্যসূচীৰে অধিৱেশনৰ কাৰ্যসূচী পৰিচালিত হ'ব। পুৱা ৮ বজাতেই বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে। ইয়াৰ লগে লগে শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হ'ব। বড়ো সাহিত্য সভাৰ উপ সভাপতি সীতাৰাম বসুমতাৰীয়ে উদ্বোধন কৰা শ্বহীদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বড়ো সাহিত্য সভাৰ প্ৰয়াত বিষয় ববিয়াক উপস্থিত ৰাইজে পুষ্পাঞ্জলি অৰ্পণ কৰিব। শুভাৰম্ভণি কৰিব বড়ো সাহিত্য সভাৰ উপ সভাপতি প্ৰসান্ত বড়োই। ইয়াৰ পৰৱৰ্তী মুল মঞ্চত "সাঞ্জাৰাং" শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ইন্দিৰা বড়োই স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। উক্ত সভাতেই ১১ গৰাকী ব্যক্তিলৈ বিশেষ বঁটা প্ৰদান কৰৰ লগতে ২০২৪/২৫ বৰ্ষৰ চাৰি গৰাকী সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত ব্যক্তিলৈ সম্বৰ্ধনা জনোৱা হ'ব। দুপৰীয়াৰ ভাগত পদ্মশ্ৰী বঁটা প্ৰাপ্ত ড° অনিল বড়োৰ অধ্যক্ষতাত "পৰিচয় আৰু প্ৰতিৰোধৰ কণ্ঠঃ সমসাময়িক বড়ো সাহিত্যত প্ৰৱণতা আৰু পৰিৱৰ্তন" শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। আলোচনা চক্ৰখনি উদ্বোধন কৰিব অসমৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। আবেলি বড়ো সাহিত্য সভাৰ প্ৰাক্তন কৰ্মী সন্মিলন, কবি সন্মিলন অনুষ্ঠিত হ'ব। সন্ধিয়াৰ ভাগত দ্বিতীয় প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। উক্ত সভাতেই বড়ো সাহিত্য সভাৰ নতুন কমিটি গঠন কৰা হ'ব। আনহাতে অন্তিম দিনৰ কাৰ্যসূচীত সাংস্কৃতিক শোভাযাত্ৰা আৰু বিয়লিৰ ভাগত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীসহ যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ইফালে উখল-মাখল পৰিৱেশত সাহিত্য সভাৰ কাৰ্যসূচী ৰূপায়ণ হৈছে যদিও ইণ্টাৰনেটৰ দুৰ্বল সেৱাৰ বাবে ৰাইজ অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে।

### জ্যেষ্ঠ নাগৰিকক বিহুৱান, ধৰ্মগ্ৰন্থ প্ৰদান

# বৰক্ষেত্ৰীৰ গাঁৱে-গাঁৱে বিজেপিৰ যুৱনেতা পৰাগ চৌধুৰী

**অসম বাৰ্তা, দৌলাশাল, ৯ জানুৱাৰী** ঃ ভাৰতীয় জনতা পাৰ্টী কৃষক মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পৰাগ চৌধুৰীয়ে আজি বৰক্ষেত্ৰী সমষ্টিৰ পশ্চিম দিশৰ বিভিন্ন গাঁও ভ্ৰমণ কৰি সত্ৰ, মঠ, মন্দিৰ, নামঘৰত সেৱা জনাই গাঁওসমূহৰ জ্যেষ্ঠ নাগৰিকৰে আলাপ কৰে। পুৱাৰ ভাগত বৰক্ষেত্ৰী সমষ্টিৰ বৰতলা গাঁৱত উপস্থিত হৈ গাঁওখনত থকা মানেৰী সত্ৰত সেৱা জনাই আশিস গ্ৰহণ কৰে বিজেপি নেতা পৰাগ চৌধুৰীয়ে। সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ধৰ্মনাৰায়ণ গোস্বামীক নৱবৰ্ষ আৰু ভোগালী বিহুৰ শুভেচ্ছাস্বৰূপে এখন চেলেং আৰু এখন ধৰ্মগ্ৰন্থ প্ৰদান কৰি সত্ৰাধিকাৰগৰাকীৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে পৰাগ চৌধুৰীয়ে। তাৰ পাছতেই ৰামপুৰ গাঁৱৰ শতবৰ্ষগৰকা বাঁহ-বেতৰ শিল্পী ৰাতিৰাম নাথক চেলেং আৰু এখন কীৰ্তনেৰে নৱবৰ্ষ আৰু ভোগালী বিহুৰ ওলগ জনায়। পৰাগ চৌধুৰীয়ে ৰামপুৰ গাঁৱৰে আন এগৰাকী জ্যেষ্ঠ ব্যক্তি, কৃতি শিক্ষক তথা ভাৰতীয় জনতা পাৰ্টী বৰক্ষেত্ৰী মণ্ডলৰ প্ৰাক্তন সভাপতি প্ৰমোদ গোস্বামীৰ বাসগৃহলৈ গৈ গোস্বামীৰ সহধৰ্মিনীক এখন গামোচাৰে নৱবৰ্ষ আৰু ভোগালী বিহুৰ শুভেচ্ছা জনায়। ভাৰতীয় জনতা পাৰ্টীৰ যুৱনেতা পৰাগ চৌধুৰীয়ে তাৰ পাছতেই দৌলাশাল গাঁৱত উপস্থিত হৈ দৌলাশাল গাঁৱৰ সমাজ-সংস্কাৰক, দৌলাশাল হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক তথা দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ন বৰ্মনৰ বাসগৃহলৈ গৈ তেখেতক এখন চেলেং আৰু এখন ধৰ্মগ্ৰন্থেৰে শুভেচ্ছা জনায়। সমান্তৰালভাৱে দৌলাশাল গাঁৱৰ আন এগৰাকী শ্ৰদ্ধেয়ব্যক্তি, দৌলাশাল কানাইবলাই আদি থান সত্ৰৰ প্ৰাক্তন সভাপতি ভবেন কুমাৰ কলিতাৰ বাসগৃহত উপস্থিত হৈ তেখেতক এখন চেলেং আৰু ধৰ্মগ্ৰন্থৰে শুভেচ্ছা জনায় পৰাগ চৌধুৰীয়ে। হিন্দুত্বৰ আদৰ্শৰে উদ্ভাসিত বিজেপি নেতাগৰাকীৰ দিনজোৰা কাৰ্যসূচীৰ অংশস্বৰূপে বৰক্ষেত্ৰী অঞ্চলৰ খালিহাপাৰা, জয়সাগৰ, জাগাৰা আদিকে ধৰি বিভিন্ন গাঁৱৰ সত্ৰ, মঠ, মন্দিৰ, নামঘৰলৈ গৈ ধূপ ধূনা জ্বলাই আশীৰ্বাদ গ্ৰহণ কৰি অঞ্চলসমূহৰ একাংশ ব্যক্তিৰে আলাপ কৰে। ভাৰতীয় জনতা পাৰ্টী কৃষক মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পৰাগ চৌধুৰীয়ে দৌলাশালত সংবাদ মাধ্যমক সম্বোধন কৰি সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত "ৰাইজৰ স'তে জনসম্পৰ্ক ৰক্ষা কৰি বৰক্ষেত্ৰী সমষ্টিটো কংগ্ৰেছৰ পৰা উদ্ধাৰ কৰাই মূল উদ্দেশ্য আৰু পৰিকল্পনা" বুলি মন্তব্য কৰে।

# জাঁজীৰ সমুজ্জ্বল বৰুৱালৈ মৰানচিগাৰ মহাভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ "জাঁজী ৰত্ন" সন্মান

**অসম বাৰ্তা, জাঁজী, ৯ জানুৱাৰী** ঃ শিৱসাগৰ জিলাৰ জাঁজী মৰানচিগাৰ নিবাসী সত্য ৰঞ্জন বৰুৱা আৰু পূৰ্ণিমা ফুকন বৰুৱাৰ সন্তান সমুজ্জ্বল বৰুৱাক কালি মৰানচিগাৰ মহাভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু জাঁজী বাসী ৰাইজৰ সহযোগত যোৱা ৫ জানুৱাৰী পৰা অনুষ্ঠিত হোৱা সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ শংকৰ মাধৱ সমন্বয় ক্ষেত্ৰত "জাঁজী ৰত্ন" সন্মানেৰে বিভূষিত কৰে। উল্লেখ্য যে জাঁজীৰ উদীয়মান যুৱ ফুটবলাৰ সমুজ্জ্বল বৰুৱা ফুটবল জনপ্ৰিয় কৰা আৰু নৱ-প্ৰজন্মৰ খেলুৱৈসকলক ফুটবলৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে গুৱাহাটী ক্ৰীড়া সন্থাৰ বিশেষ কাৰ্যসূচীৰ অংশ স্বৰূপে উন্নত প্ৰশিক্ষণৰ বাবে ডু বাই মুখী অসম দলৰ মূল একাদশত একমাত্ৰ গ'লকীপাৰ হিচাপে নিৰ্বাচিত হৈছিল। সমান্তৰাল ভাবে শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় দ্বাদশ শ্ৰেণীৰ ছাত্ৰ সমুজ্জ্বল বৰুৱাই ৮ বছৰ বয়সৰ পৰাই জাঁজী জামুগুৰি খেলপথাৰত জামুগুৰি ক্ৰচিং চেণ্টাৰৰ প্ৰশিক্ষক দীপ খনিকৰৰ তত্ত্বাবধানত ফুটবলৰ অনুশীলন কৰি ফুটবল জগতত প্ৰৱেশ কৰে। অতি কম বয়সতে শতাধিক বিভিন্ন ফুটবল প্ৰতিযোগিতাত গ'লকীপাৰ হিচাপে অংশগ্ৰহণ কৰা সমুজ্জ্বলে প্ৰথমে কাষৰীয়া প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি পাছৰ পৰ্যায়ত গুৱাহাটী, তিনিচুকীয়া, লখিমপুৰ, ডিব্ৰুগড়, ডিমৌ, কাৰ্বি আংলং, মাজুলীকে ধৰি বিভিন্ন ঠাইৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি ফুটবলৰ ক্ষেত্ৰখনত জিলিকি উঠে। তেওঁ জিলা পৰ্যায়ত দেউকনট্ৰফী, জিলা পৰ্য্যায়ত ৰাজ্যিক পৰ্যায়ৰ শ্ৰেষ্ঠ গ'লৰক্ষকৰ লগতে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান, ২০২৫ বৰ্ষত গোপীনাথ বৰদলৈ ট্ৰফীৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰাৰ লগতে এন আৰ এল'ৰ পৰা নিৰ্বাচিত হৈ দিল্লী বাইচুং ভূটিয়া একাডেমীত প্ৰশিক্ষণ গ্ৰহণ কৰে। ২০২৪ বৰ্ষত তেওঁ ৰাজস্থানত অনুষ্ঠিত এক প্ৰতিযোগিতাত অসম দলৰ হৈ অংশগ্ৰহণ কৰি অসম দলৰ জয়লাভত মূল ভূমিকা পালন কৰিছিল। মৰানচিগা বাসী ৰাইজে এনে সন্মান প্ৰদান কৰাত পৰিয়াল তথা জাঁজী বাসীয়ে সন্তোষ প্ৰকাশ কৰিছে।

# চামগুৰিৰ গেৰুৱামুখত পথ দুৰ্ঘটনা; এজন নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ জানুৱাৰী** ঃনগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখ অঞ্চলত আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখ অঞ্চলৰ পথত আজি পুৱা প্ৰায় ১০-৩০ মান বজাত পেনাই বিল অঞ্চলৰ ইছলামুদ্দিন নামৰ লোকজনে চাইকেল চলাই আহি থকা অৱস্থাত এখন মাটি কঢ়িওৱা ডাম্পাৰে লোকজনক মহতিয়াই নিয়ে। ফলত লোকজন থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ পথ দুৰ্ঘটনাত নিহত হোৱা লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, পথ দুৰ্ঘটনাটো সংঘটিত কৰি পলায়ন কৰা উক্ত ডাম্পাৰখন জব্দ কৰিবলৈ আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# চামগুৰিৰ লটানী চাপৰি জাতীয় বিদ্যালয়ত উলহ-মালহৰে দিনয়োৰা কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ৰূপহীহাট, ৯ জানুৱাৰী** ঃ চামগুৰি সমষ্টিৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান লটানী চাপৰি জাতীয় বিদ্যালয়ত আজি দিনযোৰা কাৰ্যসূচীৰে উলহ-মালহৰে ৭ম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি সভাৰ পাতনি মেলে। আলোচনী, প্ৰাচীৰ পত্ৰিকা বৃক্ষৰোপণৰ লগতে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। অসমীয়া পৰম্পৰা আৰু সংস্কৃতিৰে প্ৰচলিত উন্নত শৈক্ষিক পৰিৱেশ থকা এই বিদ্যালয়খনত অভিজ্ঞ শিক্ষকৰ দ্বাৰা পাঠদান কৰা হয়। বিদ্যালয় খনত প্ৰতি সপ্তাহত এদিন অসমীয়া সংস্কৃতি, কলা কৃষ্টি শিকোৱাৰ বাবে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় বুলি জানিব পৰা গৈছে। পুৱাৰ ভাগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া পৰম্পৰাৰ লগত সংগতি ৰাখি বিভিন্ন কলা-কৃষ্টিৰ সাজ পৰিধান কৰি সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। মুকলি সভা অনুষ্ঠানত শিক্ষাৰ্থী সকলে বিভিন্ন ধৰণৰ গীত-নৃত্যকে আদি কৰি নাটক পৰিৱেশন কৰে। বিদ্যালয়খনৰ অধ্যক্ষ আব্দুল আৱালৰ নেতৃত্বত ২০১৯ চনত স্থাপিত হোৱা এই ব্যক্তিগত শিক্ষা অনুষ্ঠান খনে অতিকৈ পিছপৰা অঞ্চলত উন্নত মানৰ শিক্ষা দানৰ জৰিয়তে অঞ্চলবাসীৰ মন জয় কৰিবলৈ সক্ষম হৈছে। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গোপীনাথ দেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক শ্ৰীযুত ৰিপুঞ্জয় বৰাৰ লগতে প্ৰাক্তন শিক্ষক বৰলাংফা প্ৰাথমিক বিদ্যালয়, কাৰ্বি-আংলং ও ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰী ধৱলি বালিপাৰা সত্ৰৰ যদুমণি গোস্বামী। লগতে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আনিছুৰ ৰহমানৰ লগতে শিক্ষক ৰফিকুল ইছলাম। শিক্ষকৰ লগতে বিশিষ্ট অতিথি সকলে শৈক্ষিক দিশ সম্পৰ্কে এক গঠনমূলক ভাষণ প্ৰদান কৰে। অভিভাৱক সকলেও কণকণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা দৰ্শন কৰি যথেষ্ট আপ্লুত হোৱা পৰিলক্ষিত হৈছে। শিক্ষাৰ অগ্ৰগতি আৰু শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যত সম্পৰ্কে বহু মূল্যৱান ভাষণ প্ৰদান কৰে আমন্ত্ৰিত অতিথিসকলে।

# ধুবুৰীত অসমী ভোগালী মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন




**অসম বাৰ্তা, ধুবুৰী, ৯ জানুৱাৰী** ঃ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ধুবুৰীৰ উদ্যোগত যোৱা ৮ জানুৱাৰী, ২০২৬ তাৰিখে ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত অসমী ভোগালী মেলাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয় য'ত ২০২৬ৰ ভোগালী মেলাৰ মুখ্য আকৰ্ষণসমূহ প্ৰদৰ্শন কৰা হয়। এই কাৰ্যক্ৰম জানুৱাৰী ১০লৈ চলিব আৰু মেলাখনত মুঠ ৩০খন দোকান স্থাপন কৰা হৈছে, য'ত স্বনিৰ্ভৰ গোটৰ (SHG) হস্তশিল্পীৰ পণ্যসমূহ প্ৰদৰ্শন কৰা হৈছে। মুখ্য আকৰ্ষণসমূহ হৈছে হস্তশিল্প, হস্ততাঁত, খাদ্যপণ্য, টেৰাকটা আৰু বাংশপণ্য, যি স্থানীয় শিল্পী আৰু উদ্যোগীসকলৰ বাবে এক পাভটি প্ৰদান কৰিছে। উদ্বোধনী অনুষ্ঠানত ধুবুৰী পৌৰসভাৰ পৌৰপতি দেবোময় সান্যাল, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু অতিৰিক্ত আয়ুক্ত ধ্ৰুৱজ্যোতি দাস আৰু জিলা কাৰ্যক্ৰম প্ৰবন্ধক, আছিফ আহমেদ উপস্থিত আছিল। বহুসংখ্যক স্থানীয় লোকসকলে এই কাৰ্যক্ৰমত অংশগ্ৰহণ কৰে আৰু ধুবুৰী জিলাৰ প্ৰায় সকলো আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত আছিল। কাৰ্যক্ৰমত সাংস্কৃতিক অনুষ্ঠানো আয়োজন কৰা হৈছে। মেলাখনত সাংস্কৃতিক আদান-প্ৰদান আৰু ঐতিহ্যবাহী অসমীয়া হস্তশিল্প প্ৰচাৰৰ কাৰণে এক সুযোগৰ সৃষ্টি কৰিছে।

### জাগুনৰ ইটা ভাটাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

# মাৰ্ঘেৰিটা সম জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান ভাৰতীয় কামগাৰ শ্ৰমিক সংঘৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ৯ জানুৱাৰী** ঃ ভাৰতীয় কামগাৰ শ্ৰমিক সংঘৰ, অসম প্ৰদেশ সমিতিয়ে বৃহস্পতিবাৰে মাৰ্ঘেৰিটা সমজিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। দেশৰ শ্ৰমিকসকলৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণৰ বাবে ভাৰতীয় কামগাৰ শ্ৰমিক সংঘই নিৰন্তৰ ভাৱে সেৱা আগবঢ়াই আহিছে। শ্ৰমিক সকলৰ প্ৰাথমিক আধিকাৰ পোৱাটো সাংবিধানিক মৌলিক অধিকাৰ হোৱা স্বত্বেও বৰ্তমানৰ প্ৰেক্ষাপটত শ্ৰমিক সকলে এই অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছেনে নাই সেইয়া এক ডাঙৰ প্ৰশ্ন। তেনেস্থলত ভাৰতীয় কামগাৰ শ্ৰমিক সংঘ অসম ৰাজ্যিক সমিতিয়ে মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত কুমচাই গাঁও পঞ্চায়ত আৰু জাগুন গাঁও পঞ্চায়তস্থিত কেইবাটাও ইটা ভাটাত স্বজমিন তদন্ত কৰাত বহি শ্ৰমিক সমস্যাৰে জৰ্জড়িত অৱস্থাত থকা পৰিলক্ষিত হয়। ইটা ভাটা সমূহৰ শ্ৰমিক সকলে ন্যূনতম সা-সুবিধা খিনিৰ পৰা বঞ্চিত হোৱাৰ উপৰিও বিভিন্ন ধৰণৰ শ্ৰমিক আইন উলংঘা কৰি ইটা ভাটা সমূহৰ মালিক পক্ষই কামকাজ চলাই যোৱা দেখা গৈছে। বছৰ বছৰ ধৰি নীতি বহিৰ্ভূত ভাৱে এই ইটা ভাটা সমূহ পৰিচালিত হৈ আহিছে। এই বিষয়ে ভাৰতীয় কামগাৰ শ্ৰমিক সংঘই বিভাগীয় কৰ্তৃপক্ষৰ লগতে মাৰ্ঘেৰিটা সমজিলা আয়ুক্তক কেতবোৰ বিসংগতি পূৰ্ণ দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে অতি শীঘ্ৰে সমস্যা সমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়।

### কৃত্ৰিম প্ৰজননৰ সুবিধা গ্ৰহণ কৰিবলৈ ৰাইজক পশু চিকিৎসকৰ আহ্বান

# ৰাষ্ট্ৰীয় গকুল মিছনৰ সৌজন্যত দক্ষিণপাটত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ৯ জানুৱাৰী** ঃ ৰাষ্ট্ৰীয় গকুল মিছনৰ সৌজন্যত, অসম পশুধন উন্নয়ন অভিকৰণৰ জৰিয়তে আজি মাজুলীৰ দক্ষিণপাট কুমাৰ গাঁৱত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। দক্ষিণপাট কুমাৰ গাঁৱৰ নামঘৰ প্ৰাংগণত আজি পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা উক্ত সজাগতা সভাৰ আঁত ধৰে মাজুলী জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈয়ে। ৰতনপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ সৌজন্যত অনুষ্ঠিত হোৱা উক্ত, সজাগতা শিবিৰত মাজুলীৰ পশুপালন বিভাগৰ চিকিৎসক, কৰ্মচাৰী, গোপাল মিত্ৰ, পশু মৈত্ৰী, পশু সখী, স্থানীয় পশুপালকসকলে অংশগ্ৰহণ কৰে। উক্ত সজাগতা সভাত সমল ব্যক্তি হিচাপে মাজুলীৰ ৰতনপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসা বিষয়া দ্বীকজ্যোতি ভূঞা আৰু জেংৰাইমুখ ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ ভাইকণ সিঙে কৃত্ৰিম প্ৰজননৰ প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰি কৃত্ৰিম প্ৰজনন প্ৰক্ৰিয়াৰে জন্ম দিয়া গৰু পোৱালি আৰু গাখীৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে কৃত্ৰিম প্ৰজননৰ সুবিধাসমূহ ব্যাখ্যা কৰে। অনুষ্ঠানত মাজুলীৰ পশু চিকিৎসক ডাঃ যোচেফ দাস, ডাঃ গণেশ পায়েঙে অংশগ্ৰহণ কৰি কৃত্ৰিম প্ৰজননৰ সুবিধা সমূহ ব্যাখ্যা কৰে। উক্ত সজাগতা সভাত ৰাষ্ট্ৰীয় গকুল মিছনৰ লক্ষ্য উদ্দেশ্য আৰু পশুধন উন্নয়ন আৰু ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গকুল মিছনৰ ভূমিকা সন্দৰ্ভত জিলা পশুপালন বিষয়া ডাঃ থানেশ্বৰ মুদৈয়ে ব্যাখ্যা কৰে। অনুষ্ঠানত পশু চিকিৎসকসকলে পশুপালকসকলক কৃত্ৰিম প্ৰজননৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায় আৰু কৃত্ৰিম প্ৰজননৰ সুবিধা থকা কেন্দ্ৰ সমূহৰ সবিশেষ ব্যাখ্যা ডাঙি ধৰে। উক্ত সজাগতা সভাত স্থানীয় পঞ্চায়ত প্ৰতিনিধি, গাঁও প্ৰধান, আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈয়ে। উক্ত, সজাগতা সভাৰ পূৰ্বে বৃহত্তৰ দক্ষিণপাট অঞ্চলৰ কেইবা শতাধিক পশুধনক ৰোগ প্ৰতিৰোধৰ ভেকচিন প্ৰদান কৰা হয়।

### তীব্ৰ চাঞ্চল্য; অতিশীঘ্ৰে দোষীক কৰায়ত্বৰ দাবী চাহ জনজাতি ছাত্ৰ সন্থা

# ছৈখোৱাৰ মিঠাআম-বোকাপথাৰ সীমান্তত ক্ষত-বিক্ষত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, ছৈখোৱা, ৯ জানুৱাৰী** ঃ ছৈখোৱাৰ ধলা থানাৰ অন্তৰ্গত মিঠাআম বোকাপথাৰ গাঁৱৰ মধ্যস্থলত এটি ক্ষতবিক্ষত মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি সমগ্ৰ ছৈখোৱা অঞ্চলত চাঞ্চল্যই বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি মিঠাআম গাঁৱৰ যুৱক খগেছ কন্ধ ৩২ নামৰ নম্ৰ স্বভাৱৰ ব্যক্তি এজনৰ মৃতদেহ উদ্ধাৰ হৈছে। অতি নম্ৰ স্বভাৱৰ ব্যক্তি জনৰ হত্যাকাণ্ডত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ছৈখোৱা উপ সমিতিয়ে আৰক্ষী প্ৰশাসনক দোষীক অতিশীঘ্ৰে কৰায়ত্ত কৰি উচিত শাস্তি দিবলৈ দাবী জনাইছে।

# মৈৰাবাৰীত নিকুঞ্জ বৰ্মনে যোগদান কৰিয়েই কৰায়ত্ব কৰিলে দিছপুৰ থানাৰ আচামীক, জব্দ ছুইফট গাড়ী

**অসম বাৰ্তা, মৈৰাবাৰী, ৯ জানুৱাৰী** ঃ মৈৰাবাৰী আৰক্ষী থানাত ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰিয়েই এক সফল অভিযানৰ নেতৃত্ব দিলে আৰক্ষী পৰিদৰ্শক নিকুঞ্জ বৰ্মনে। নিকুঞ্জ বৰ্মনে আজি দিনৰ ভাগত মৈৰাবাৰী থানাত ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰি কৰ্ম সম্পাদন কৰি থকা অৱস্থাত সন্ধিয়া আনুমানিক ৮ মান বজাত থানা খনত উপস্থিত হৈছিল গুৱাহাটী দিছপুৰ থানাৰ এটা আৰক্ষীৰ অভিযানকাৰী দল। উদ্দেশ্য আছিল দিছপুৰ থানাত পঞ্জীয়ন ভুক্ত হৈ থকা ১৩/২০২৬ নম্বৰ গোচৰৰ আচামীক বিচাৰি উলিয়াই দিয়া। দিছপুৰ থানা এলেকাত ডকাইতি কাৰ্য সংগঠিত কৰি পলায়ন কৰি আছিল আচামী। তাৰে এজন আচামীজনৰ ঘৰ মৈৰাবাৰী থানা এলেকাধীন লোচনাবৰী গাঁৱত। দিছপুৰ আৰক্ষীৰ দলটোৰ পৰা খবৰটো পোৱাৰ লগে লগেই নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিকুঞ্জ বৰ্মনে স্থানীয় আৰক্ষীৰ এটা দল দিছপুৰ আৰক্ষীৰ লগত সংলগ্ন কৰি অতি কৌশলেৰে লোচনাবৰী গাঁৱৰ পৰা ডকাইতি কাৰ্যত জড়িত থকাৰ অভিযোগত নিজাম উদ্দিন (৩০) নামৰ এজন লোকক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। নিজাম উদ্দিন নামৰ লোকজনে ডকাইতি কাৰ্যত ব্যৱহৃত গাড়ীখন চলাইছিল বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। নিকুঞ্জ বৰ্মনৰ নেতৃত্বত যোৱা যুটীয়া অভিযানত আৰক্ষীয়ে ডকাইতি কাৰ্যত ব্যৱহৃত এএছ-০২-এইউ-৮১৭৬ নম্বৰৰ এখন বগা ৰঙৰ চুইফ্‌ট গাড়ীও জব্দ কৰি দিছপুৰ আৰক্ষীক চমজাই দিয়ে। আৰক্ষী বিষয়া গৰাকীয়ে যোগদান কৰিয়েই এক সফল অভিযানৰ নেতৃত্ব দিয়াত ভূ ৰখা মহলে সন্তুষ্টি প্ৰকাশ কৰিছে।

# ভূঞাহাটত জাঁজী নৈৰ ওপৰত চাৰে পাঁচ কোটি টকাৰ দলঙৰ শিলান্যাস বিধায়ক প্ৰদীপ হাজৰিকাৰ

**অসম বাৰ্তা, আমগুৰি, ৯ জানুৱাৰী** ঃ শিৱসাগৰ জিলাৰ অন্তৰ্গত অধুনালুপ্ত আমগুৰি সমষ্টিৰ বিধায়ক তথা অসম সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ গাঁৱৰ কাষতে অৱস্থিত ভূঞাহাট অঞ্চলবাসীৰ দীৰ্ঘদিনীয়া আশা পূৰণৰ দিশত। আমগুৰিৰ ভূঞাহাট আৰু যোৰহাট জিলাৰ ভূঞাহাট আদৰ্শ গাঁও সংলগ্ন জাঁজী নৈৰ ওপৰত প্ৰায় চাৰে পাঁচ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এখন পকী দলঙৰ আজি আনুষ্ঠানিক শিলান্যাস কৰে বিধায়ক প্ৰদীপ হাজৰিকাই। উল্লেখ্য যে, জাঁজী নৈৰ দুয়োপাৰৰ নৈপৰীয়া ভূঞাহাট দাস গাঁও, হিলৈদাৰী, ৰাইদঙীয়া, ভূঞাহাট, হাতীমূৰীয়া, কমাৰগাঁওকে ধৰি বৃহত্তৰ লাহিং অঞ্চলৰ লগতে দুয়োখন জিলাৰ বিস্তৃত অঞ্চলৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ ভৰসা আছিল খৰালি সময়ত ৰাইজে নিজ উদ্যোগত নিৰ্মাণ কৰা বাঁহৰ দলং। বাৰিষা এই অঞ্চলসমূহ কাৰ্যতঃ বিচ্ছিন্ন হৈ পৰে। দীৰ্ঘদিন ধৰি এখন স্থায়ী দলঙৰ দাবী জনাই অঞ্চলটোৰ ৰাইজে স্থানীয় বিধায়ক আৰু চৰকাৰক আহ্বান জনাই আহিছিল যদিও সেই দাবীয়ে বাস্তৱ ৰূপ পোৱা নাছিল। শেহতীয়াকৈ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত এই গুৰুত্বপূৰ্ণ দলংখনৰ অনুমোদন লাভ হোৱাত আজি শিলান্যাস অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অসম লোকনিৰ্মাণ বিভাগৰ শিৱসাগৰৰ সহকাৰী অভিযন্তাৰ লগতে অগপৰ জ্যেষ্ঠ নেতা বিপুল বৰকটকী, অনিল গগৈ, বিমল শইকীয়া, প্ৰফুল্ল নেওগ, পঞ্চায়ত সভানেত্ৰী ৰশ্মিৰেখা ফুকন, ৱাৰ্ড সদস্য সমীৰণ দত্তকে ধৰি লাহিং গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি, সদস্যসকল উপস্থিত থাকে। ইয়াৰ উপৰি অনুসূচীত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক আৰু বিষয়ববীয়া সহ বহু সংখ্যক স্থানীয় ৰাইজে অনুষ্ঠানত অংশগ্ৰহণ কৰে। পৰাগ তামূলীয়ে আঁত ধৰা শিলান্যাস অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক প্ৰদীপ হাজৰিকাই এই দলং নিৰ্মাণে অঞ্চলটোৰ সামাজিক-আৰ্থিক বিকাশৰ পথ প্ৰশস্ত কৰিব বুলি মন্তব্য কৰে।

# ছিপাঝাৰত বুথ সন্মিলনৰে শক্তি প্ৰদৰ্শন অগপৰ ড° জয়নাথ শৰ্মাৰ



**অসম বাৰ্তা, পাথৰিঘাট, ৯ জানুৱাৰী** ঃ ছিপাঝাৰ সমষ্টিৰ ছিপাঝাৰ বি-এড মহাবিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হোৱা অগপৰ বুথ সন্মিলনত পাঁচ সহস্ৰাধিক বুথ কৰ্মীয়ে অংশ গ্ৰহণ কৰি ছিপাঝাৰত এইবাৰ অগপৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। আজিৰ সন্মিলনৰ পৰাই বুথ সমিতিৰ কৰ্মী তথা ছিপাঝাৰৰ বিভিন্ন অঞ্চলৰ ৰাইজে জয়নাথ শৰ্মা জিন্দাবাদ, অতুল বৰা জিন্দাবাদ, কেশৱ মহন্ত জিন্দাবাদ, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য জিন্দাবাদ ধ্বনিৰে সমষ্টিটোত নিৰ্বাচনী কুচ-কাৱাজ আৰম্ভ কৰে। এইবাৰ ছিপাঝাৰ সমষ্টিত অসম গণ পৰিষদৰ পৰা জয়নাথ শৰ্মাই ২৬ চনৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব লাগিব আৰু দলে প্ৰাৰ্থী ৰূপে প্ৰক্ষেপ কৰিব লাগিব বুলি একে মুখে সকলো কৰ্মীয়ে কয়। উক্ত সভাত ৰাজ্যসভাৰ সাংসদ শ্ৰীবীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, দৰং জিলা অগপৰ সভাপতি শ্ৰীকমেলেশ্বৰ বৰুৱা, দলৰ জ্যেষ্ঠ নেতা শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীৰজনীকান্ত নাথ প্ৰমুখ্যে ছিপাঝাৰ সমষ্টিৰ বহুতো বিশিষ্ট ব্যক্তি আৰু দলৰ কৰ্মকৰ্তাৰ উপস্থিত থাকে। সভাত বিভিন্ন ৰাজনৈতিক আৰু সামাজিক দিশ সামৰি আলোচনা কৰাৰ লগতে গঠনমূলক সিদ্ধান্ত গ্ৰহণ কৰা হয়।

### বাঘজান-দীঘলটৰং ৰূপকোঁৱৰৰ জাতীয় বিদ্যালয়ৰ ছাত্ৰ জেচিমক সম্বৰ্দ্ধনা বিভিন্ন দল-সংগঠনৰ

# আন্তঃজাতীয় বিদ্যালয় 'ভূপেন্দ্ৰ সঙ্গীত' প্ৰতিযোগিতাত দ্বিতীয় স্থান বাঘজানৰ জেচিম নয়ন বৰুৱা

**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ৯ জানুৱাৰী** ঃ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত গুৱাহাটীত অনুষ্ঠিত আন্তঃজাতীয় বিদ্যালয় "ভূপেন্দ্ৰ সঙ্গীত" প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ঢেকিয়াজুলি জাতীয় বিদ্যালয়ৰ ছাত্ৰী জস্মিঠা কলিতাই আৰু ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, বাঘজান-দীঘলটৰঙৰ নৱম শ্ৰেণীৰ ছাত্ৰ জেচিম নয়ন বৰুৱাই দ্বিতীয় স্থান লাভ কৰি তিনিচুকীয়ালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা ২৭ ডিচেম্বৰ ২০২৫ তাৰিখে তিনিচুকীয়াৰ বৰগুৰিস্থিত পৰমানন্দ জাতীয় বিদ্যালয়ত তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে জিলা ভিত্তিত আয়োজন কৰা ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতাত ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, বাঘজান-দীঘলটৰঙৰ ছাত্ৰ জেছিম নয়ন বৰুৱাই প্ৰথম স্থান আৰু পৰমানন্দ জাতীয় বিদ্যালয়ৰ ছাত্ৰী শ্ৰেয়াসী বৰুৱাই দ্বিতীয় স্থান লাভ কৰি তিনিচুকীয়া জিলাক প্ৰতিনিধিত্ব কৰি ৭ জানুৱাৰী তাৰিখে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আন্তঃজাতীয় বিদ্যালয় ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। গুৱাহাটীৰ পৰা অহাৰ পাছতে বাঘজান-দীঘলটৰং ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ত এক সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি, অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, বাঘজান শাখা সমিতি, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘ, বিদ্যালয়ৰ পৰিয়ালবৰ্গ আৰু বহুজনে জেচিমক গামোচা, সম্বৰ্দ্ধনা পত্ৰ, কিতাপ, কলম আদিৰে বিশেষ সম্বৰ্দ্ধনা তথা অভিনন্দন জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সোমেশ্বৰ মৰাণ, সম্পাদক ভূগিল নেওগ, অসম মৰাণ সভা, বাঘজান শাখা সমিতিৰ সভাপতি ৰূপম মৰাণ, সাধাৰণ সম্পাদক অনুপম নেওগ, সদৌ মৰাণ ছাত্ৰ সন্থা, বাঘজান শাখা সমিতিৰ সাধাৰণ সম্পাদক বুলবুল মৰাণ, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সাধাৰণ সম্পাদক জিন্টু হাজৰিকা, উপদেষ্টাদ্বয় প্ৰাঞ্জল গগৈ, পাপুল গগৈ, তিনিচুকীয়াৰ বৰস্থিত পৰমানন্দ জাতীয় বিদ্যালয়ৰ অধ্যক্ষা ববিতা শৰ্মা, সঞ্চালক মানস প্ৰতীম শৰ্মা, লেখক, গায়ক কামিনী কুমাৰ গোহাঁই, সঙ্গীত বিচাৰক মৌচুমী ভৰালী, জেচিমৰ পিতৃ তথা বাঘজান-দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল বৰুৱা, ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ যদুমণি বৰুৱা, সঞ্চালক হেমন্ত মৰাণসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। স্মৰ্তব্য যে, জেচিম নয়ন বৰুৱাই সৰুৰে পৰা সংগীত চৰ্চা কৰি আহিছে। চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতেই মিউজিক কম্প'ছ কৰিছিল। ইতিমধ্যে জেচিমে বহুতো গীত নিজে লিখি সুৰ, মিউজিক কৰিছে। এনে এগৰাকী প্ৰতিভাৱান ছাত্ৰক লৈ অঞ্চলবাসীয়ে গৌৰৱ কৰাৰ লগতে আগন্তুক দিনৰ বাবে শুভেচ্ছা জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন